মার্চ 2002 Rs. 10/-

চান্দমামা

NOW WITH EVERY CAKE OF
MYSORE SANDAL BABY SOAP,
A SOAP-HOLDER FREE!
MYSORE SANDAL
BABY SOAP
WITH PURE NATURAL
SANDALWOOD AND
ALMOND OILS
CARES FOR YOUR BABY AS MUCH AS YOU DO!
RECOMMENDED BY SKIN & CHILD SPECIALISTS
Mysore Sandal
Baby
Soap
Enriched with sandalwood and almond oils.
The house of Mysore Sandal has been bringing the goodness of sandalwood right into your homes for over 80 years.
*Till stocks last. So hurry!
FOR GREATER CLEANLINESS AND HYGIENE, TURN TO MYSORE SANDAL BABY SOAP.

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
HTA 5979 2001

এই সংখ্যাত আছে

বৰ্ষ : ২৯ মাৰ্চ ২০০২ সংখ্যা - ৩

ভাৰত কথা ২৫

স্বাৰ্থপৰ (বেতাল কথা) ১৯

যক্ষ পৰ্বত ১৩



গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ বীৰবাহুৰ সন্ন্যাস ব্ৰত ... ৭ ★ যক্ষ পৰ্বত-১৩ ... ১১
★ আদৰ-সন্মান ... ১৮ ★ স্বাৰ্থপৰ (বেতাল কথা) ... ১৯
★ ভাৰতৰ বিষয়ে জানি লোৱা - প্ৰশ্নাৱলী ... ২৪
★ ভাৰত কথা ... ২৫ ★ ইণ্ডিয়াস্কোপ ... ২৯ ★ ৰসিক ব্যক্তি-গোপাল ভাড় ... ৩১ ★ ভাৰতৰ উৎসৱ পাৰ্বণ ... ৩৪ ★ পাঞ্জাবৰ লোক কথা ... ৩৮ ★ চতুৰ ঘনচিৰিকা ... ৪৪
★ গণেশ ... ৪৫ ★ চমৎকাৰী বীণা ... ৫১
★ শান্তাৰ পৰামৰ্শ ... ৫৬ ★ আকস্ত্ৰ বৰ্ষা ... ৬০
★ বুৰঞ্জীবিদ ... ৬৩ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১/ ৬৫৬৫৫১৩/৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬/২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

বতৰৰ আগজাননী

অন্য কিছুমান দেশৰ নিচিনাকৈ বতৰৰ আগজাননী জনাৰ উদ্দেশ্যে পলমকৈ হলেও ভাৰতে উপগ্ৰহ উৎক্ষেপণ কৰিছে । এই বতৰৰ বতৰা ৰেডিঅ', টিভি আৰু বাতৰি কাকতৰ জৰিয়তে জনসাধাৰণক জনোৱা হয় । তথাপিতো যিসকল কৃষকে ৰ'দ আৰু বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰি খেতি কৰে তেওঁলোকে পৰম্পৰাগত বতৰৰ আগজাননী দিয়া পদ্ধতিৰ কথা পাহৰি যোৱা নাই ।

অলপতে প্ৰকাশ হোৱা এটা বাতৰি মতে সৌৰাষ্ট্ৰৰ এখন গাঁৱৰ এজন কৃষকে এটা পষেকত বৰষুণৰ আগজাননী ঘোষণা কৰিছিল আৰু সেইটো সত্য বুলি প্ৰমাণিত হৈছিল । এই কথাত গুজৰাট কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী এজনো আচৰিত হৈছিল, কিয়নো কৃষকজনে কেইদিনমান আগতে তেওঁলৈ এই কথাটো লিখি জনাইছিল । তেওঁৰ বাবে কৃষক সকলে পৰম্পৰাগত পদ্ধতি অনুসৰণ কৰি বৰষুণৰ আগজাননী দিয়া এইটাৱে প্ৰথম উদাহৰণ নহয় ।

এনে ধৰণৰ থলুৱা কাৰিকৰি জ্ঞানৰ প্ৰতি উৎসাহিত হৈ এই বিজ্ঞানীজনে প্ৰায় ৪০০ জন কৃষকক লৈ এটা সন্থা গঠন কৰিছে । ইয়াতে গুজৰাটৰ বাহিৰৰ লোকো আছে । তেওঁলোকে বিশ্ববিদ্যালয়ে চলোৱা গৱেষণাৰ কামত নিয়মিত সহায় কৰি থাকিব ।

এইটোৱে আমাক মনত পেলাই দিয়ে যে, ভাৰতত বৰাহমিহিৰ (৮ম শতিকা) আৰু ভাদলি (১২ শ শতিকা)-ৰ দৰে বৈজ্ঞানিকসকল আছিল, যিয়ে জৈৱ লক্ষণসমূহ অধ্যয়ন কৰি বতৰৰ আগজাননী দিছিল । উদাহৰণ স্বৰূপে কব পাৰি বৰামিহিৰৰ 'বৃহদ সংহিতা'ৰ এঠাইত কোৱা হৈছে, মৌচুমী আৰম্ভ হোৱাৰ প্ৰায় ৪৫ দিন আগতে প্ৰচুৰ পৰিমাণে উজ্জ্বল হালধীয়া আমলতাচ ফুলে । ভাদলিয়ে আকাশৰ ৰঙৰ পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰ কৰি বহুতো মন্তব্য কৰিছে ।

২৩ মাৰ্চৰ দিনটো বিশ্ব বতৰ দিৱস । এই উপলক্ষে মাটি, পানী আৰু আকাশৰ ওপৰত ভাৰতৰ প্ৰচীন আৰু বৰ্ত্তমান সময়ৰ সাফল্যৰ কথা উল্লেখ কৰা হ'ল ।

সম্পাদক : বিশ্বম

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া -৬

ভাৰতৰ বুৰঞ্জী যুদ্ধৰ ঘটনাৰে পূৰ্ণ। এই যুদ্ধবোৰৰে সৈতে যুক্ত কেইজনমান ঐতিহাসিক হিৰোক তুমি চিনি উলিয়াব পাৰিবা নে ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1 এই মাৰাঠা ৰজাজনে মোগলৰ সৈতে সাহসেৰে যুদ্ধ কৰিছিল। ঔৰংজেবে তেওঁক অন্যায়কৈ বন্দী কৰিছিল। কিন্তু তেওঁ পলাই সাৰিছিল। তেওঁ কোন জানানে ?

----

2 ১৯৪৯ চনৰ ১৫ জানুৱাৰীত ভাৰতীয় সৈন্য বাহিনীৰ সেনা প্ৰধান আৰু কমাণ্ডাৰ-ইন-চিফৰ পদত অধিষ্ঠিত তেওঁৱেই আছিল প্ৰথম ভাৰতীয়। তেওঁ কোন বাৰু ?

----

3 এইজন চোল ৰজাই বঙ্গৰ ৰজা মহীপালক পৰাস্ত কৰিছিল। তেওঁ তেওঁৰ ৰাজধানী গঙ্গইকোন্দ-চোলপুৰমলৈ গঙ্গাৰ পৰা পানী আনিছিল। সেই ৰজাজনৰ নাম কি জানানে ?

----

4 ভাৰতীয় সৈন্য বাহিনীৰ তেওঁ আছিল প্ৰথম ফিল্ড মাৰ্চেল। তেওঁৰ নাম তুমি জানানে ?

----

5 তেওঁ মহীশূৰৰ প্ৰথম যুদ্ধত জয় লাভ কৰিছিল। তেওঁৰ পুত্ৰও তেওঁৰ নিচিনা বিখ্যাত আছিল। এই হিৰোজন কোন ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে। মোৰ ভাল লগা হিৰোজন --এই বিষয়ে ১০ টা শব্দ লিখা

....

....

প্ৰতিযোগীৰ নাম...

বয়স.......................শ্ৰেণী.......................

ঠিকনা...

পিন.......................ফোন.......................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz-6
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

৫ এপ্ৰিল, ২০০২ তাৰিখৰ আগতে পোৱাকৈ উত্তৰ পঠাবা।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

বীৰবাহুৰ সন্ন্যাস ব্ৰত

ভোগপুৰ গাৱঁত বীৰবাহু নামৰ এজন মানুহে বাস কৰিছিল । তেওঁ বৰ দুখীয়া আছিল। তেওঁৰ পৰিয়ালৰ সদস্য আছিল, তেওঁৰ পত্নী, দুটি পুত্ৰ সন্তান আৰু তেওঁৰ বুঢ়ী মাক । তেওঁ বৰ পৰিশ্ৰম কৰিছিল, তথাপি দুবেলা দুসাজ খাবলৈ নুজুৰিছিল । পৰিয়ালৰ লোকসকলক ভৰণ-পোষণ দিব নোৱাৰাৰ দুখতে তেওঁ সংসাৰ ত্যাগ কৰি সন্ন্যাসী হোৱাৰ সিদ্ধান্ত কৰিছিল । সেই উদ্দেশ্যে বীৰবাহুয়ে হাবিৰ মাজত থকা সন্ন্যাসীসকলৰ মঠৰ ফালে ৰাওনা হৈছিল ।

বীৰবাহুয়ে তলমূৰ কৰি হাবিৰ মাজৰ বাটেৰে গৈ আছিল । হঠাতে মাজ বাটতে তেওঁ টকাৰ মোনা এখন পৰি থকা দেখিবলৈ পালে । তেওঁ টকাৰ মোনাখন তুলি লৈ অতি আনন্দিত হৈ নিজকে নিজে কলে, “যি দেখিছো, বনদেৱীয়ে মই সন্ন্যাসীহৈ যোৱাতো বিচৰা নাই। সেয়েহে মোৰ প্ৰতি দয়ালু হৈ তেওঁ পথৰ মাজতে টকাৰ মোনাখন পেলাই থৈ দিছে । এতিয়া ঘৰলৈ উভতি গৈ আৰামেৰে জীৱনটো কটাওঁ।” এইবুলি কৈ তেওঁ উভতি ঘৰৰ ফালে আগবাঢ়িল।

অলপ পিছতে কাৰোবাৰ চিঞৰ শুনা গ’ল, “ৰবা, ৰবা ।”

বীৰবহুয়ে ভয় খাই পিছলৈ ঘূৰি চালে । হাতত চিকমিকিয়া তৰোৱাল লৈ তাত দুজন চোৰ থিয় হৈ থকা দেখিবলৈ পালে । সিহঁতক দেখি বীৰবাহুৰ পেটতে হাত ভৰি লুকাল । সেই চোৰহঁতে ওচৰৰ গাওঁ এখনত চুৰি কৰিছিল । ধন সোণেৰে ভৰা মোনাবোৰ লৈ যাওঁতে তাৰে এখন বাটতে পৰি গৈছিল । সেই মোনাখন বিচাৰি আহি থাকোতে সিহঁতে বীৰবাহুৰ হাতত সেই মোনাখন দেখিবলৈ পালে ।

চোৰ দুজন বীৰবাহুৰ ওচৰলৈ আহি তেওঁক ধমক দি কলে, “দিয়া, সেই মোনাখন, আমাক দিয়া । এই ধন চুৰি কৰিবলৈ আমি কিমান কূট কৌশল কৰিব লগা হৈছে আৰু তুমি ওপৰতে সেই ধন নিবলৈ আহিছা ?”

বীৰবাহুয়ে ভয়তে থৰ থৰকৈ কঁপি কঁপি ধনৰ মোনাখন চোৰৰ হাতত দি কলে, “চোৰা ভাইহঁত, এই ধন যে তোমালোকৰ মই জনা নাছিলো । জীৱনত মই এনেক কষ্ট সহ্য কৰিছো, বহুত পৰিশ্ৰম কৰিছো । কিন্তু

পৰিয়ালক ভৰণ-পোষণ দিব পৰা নাছিলো। সেয়েহে সেই দুখতে সন্নাস ব্ৰত লবলৈ মঠলৈ বুলি আহি থাকোতে বাটতে এই মোনাখন পাইছো। মই ভাবিছিলো মোৰ দুখ দূৰ কৰিবলৈকে বনদেৱীয়ে এই ধনৰ মোনাখন উপহাৰ স্বৰূপে মোক দিছে।”

বীৰবাহুৰ কথা শুনি চোৰ দুজনে অট্টহাঁহিমাৰি কলে, “তোমাৰ দুখ দূৰ কৰিবলৈ বনদেৱীয়ে কেতিয়াবা তোমাক উপহাৰ দিব বুলি তুমি ভাবানে? কেতিয়াও এনে আশা নকৰিবা। তোমাৰ মনৰ পৰা সেই অলিক চিন্তাবোৰ দূৰ কৰা। যোৱা তুমি সন্ন্যাসীৰ মঠলৈ যোৱা তেওঁলোকে ভিক্ষা কৰিবলৈ ওলাইছেই কিজানি।” এইবুলি কৈ চোৰ দুজন তাৰপৰা গুছি গ'ল।

চোৰৰ কথা শুনি বীৰবাহুৰ মনত সন্ন্যাসীৰ প্ৰতি ঘৃণা উপজিল। তেওঁ ভাবিবলৈ ধৰিলে, “মই হাল বাব জানো, খেতি কৰিব জানো, পৰিশ্ৰম কৰিবলৈ দেহত শক্তি আছে, তথাপি সন্ন্যাসী হৈ কিয় ভিক্ষা মাগি ফুৰিম, তাকো অকল নিজৰ পেটটোৰ বাবে। ছিঃ! এই সন্ন্যাসীসকলনো বাৰু কেনে লোক, যিয়ে নিজৰ পেটটোৰ কাৰণে কোনো কাম নকৰাকৈ ভিক্ষা মাগি ফুৰে! এয়াতো নিজৰ দায়িত্ব এৰি পলাই ফুৰাৰ দৰে কথা।' তাৰ পাছত তেওঁ নিজৰ ঘৰৰ ফালে আগবাঢ়িল।

বীৰবাহুৰ মাকে যেতিয়া বীৰবাহুয়ে খুব দুখমনে অহা দেখিলে তেতিয়া পুতেকক সুধিলে, “বাচা, কিনো কথা? তুমি ইমান কিনো চিন্তা কৰিছা?”

বীৰবাহুয়ে তেতিয়া মাকৰ আগত সকলোবোৰ কথা খুলি কলে। মাকে তেতিয়া পুতেকক সান্ত্বনা দি কলে, “অন্তিম সময়ত যেভগবানে তোমাক সুবুদ্ধি দিলে সেয়ে ভালহৈছে। ভুল পথেৰে যোৱাৰ পৰা ৰক্ষা পৰিছা। সন্ন্যাসীসকল কেনেকৈ জীয়াই থাকে তুমি জানানে? গৃহস্থিসকলৰ দয়াৰ ওপৰত হে তেওঁলোক বাচি থাকে। আমি নিৰ্মল চিত্তে যি দিও তেওঁলোকে তাকে খাই জীয়াই থাকে। সন্ন্যাসীসকল সদায় পৰনিৰ্ভৰশীল। মনত ৰাখিবা, দিওঁতাজন সদায় লওঁতাজনৰ ওপৰত থাকে। ভৱিষ্যতলৈ এনে চিন্তা কেতিয়াও মনলৈ নানিবা। বুজিছানে বাৰু?”

“কি, মই এই সৰু কথাটোকে বুজি নাপাম নে?” বীৰবাহুয়ে অলপ খঙেৰে কলে। তেতিয়া তেওঁৰ মাকে কলে, “তেতিয়াহলে জানি বুজিও সন্ন্যাসী হবলৈ কিয় গৈছিলা? এইটো কোনো বুদ্ধিমানৰ কাম নে? চাৰি পাঁচ বছৰ আৰু পৰিশ্ৰম কৰা। তেতিয়ালৈ তোমাৰ দুই পুত্ৰ ডাঙৰ হব। তোমাৰ কামত সিহঁতেও সহায় কৰিব পাৰিব। তেতিয়া সংসাৰখন সুখৰ হৈ উঠিব।”

Statement about Ownership of CHANDAMAMA (Assamese)

Rule 8 (FormVI), Newspaper (Central) Rules, 1956

1. Place of Publication	82 Defence Officers Colony Ekkatuthangal Chennai-600 097
2. Periodicity of Publication	MONTHLY 1st of each calendar month
3. Printer's Name Nationality Address	B. VISWANATHA REDDI INDIAN 82 Defence Officers Colony Ekkatuthangal Chennai-600 097
4. Publisher's Name Nationality Address	B. VISWANATHA REDDI INDIAN 82 Defence Officers Colony Ekkatuthangal Chennai-600 097
5. Editor's Name Nationality Address	B. VISWANATHA REDDI (Viswam) INDIAN 82 Defence Officers Colony Ekkatuthangal Chennai-600 097
6. Name and Address of individuals who own the paper	Chandamama India Ltd. Board of Directors: 1. P. Sudhir Rao 2. Vinod Sethi 3. B. Viswanatha Reddi 82 Defence Officers Colony Ekkatuthangal Chennai-600 097

I, **B. Viswanatha Reddi,** *do hereby declare that the particulars given above are true to the best of my knowledge and belief.*

1st March 2002

B. VISWANATHA REDDI
Publisher

ORISSA
The soul of India

তোমালোকৰ বাবে কুইজ

শিমিলিপাল

যদি তুমি বন্য জন্তু চাবলৈ যোৱাৰ ইচ্ছা কৰিছা, তেনেহলে এটা অঞ্চলতে প্ৰায় এশ বাঘ দেখাৰ কাৰণে উত্তম ঠাই হ'ল শিমিলিপাল জাতীয় উদ্যান । ভাৰতৰ প্ৰথম ব্যঘ্ৰ প্ৰকল্পৰ ভিতৰত অন্তৰ্ভূক্ত অৰণ্যবোৰৰ ভিতৰত এইখনো এখন । উৰিষ্যাৰ ময়ুৰভঞ্জ জিলাত অৱস্থিত এই জাতীয় উদ্যানৰ মাটি কালি ২,৭৫০ বৰ্গ কি.মি.।

বিভিন্ন গছ-গছনিৰে ভৰা শিমিলিপালৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম । এই জাতীয় উদ্যানখনৰ মাজেৰে ১২ টা নদী বৈ গৈছে । এই উদ্যানখন ইমান বিশাল যে, আনকি ইয়াৰ জলবায়ুও ঠাইভেদে বেলেগ বেলেগ । এইবোৰ বিশেষত্বৰ কাৰণেই বিভিন্ন গছ-গছনি আৰু জীৱ-জন্তু প্ৰজননৰ বাবে শিমিলিপাল অতি উৎকৃষ্ট ঠাই।

বন্যজন্তু ভালপোৱা লোকসকলে ইয়াৰ নাহৰফুটুকি বাঘ, হাতী, ঘৰিয়াল, সাপ আদি বিভিন্ন ধৰণৰ বন্য জীৱ জন্তু দেখিলে সচাঁকৈয়ে আনন্দিত হব । পক্ষীপ্ৰেমী সকলৰ কাৰণেও শিমিলিপালত প্ৰায় ২৩০ বিধ প্ৰজাতিৰ চৰাই আছে । তেওঁলোকে বাইনোকুলাৰেৰে চৰাইবোৰ উৰিযোৱা দৃশ্য দেখিলে আপোন পাহৰা হৈ যাব ।

প্ৰকৃতিপ্ৰেমী সকলৰ কাৰণে চাবলগীয়া ইয়াত সকলোবোৰেই আছে । উদ্যানৰ ভিতৰৰ পৰ্বত, উপত্যকা আৰু জলপ্ৰপাতৰ মনোৰম প্ৰাকৃতিক দৃশ্যই পৰ্যটকৰ মন ভৰাই তুলিব । শিমিলিপাল জাতীয় উদ্যানৰ ভিতৰতে বৰেহিপানী, জোৰন্দা, ছহলা আৰু নৱানাত পৰ্যটক সকলৰ বাবে থকাৰ ব্যৱস্থা আছে ।

তোমালোকৰ বাবে কুইজ
১৪ বছৰৰ তলৰ শিশুৰ বাবে
প্ৰতিযোগিতা - ৭

১. ভাৰতত কিমানখন টাইগাৰ ৰিজাৰ্ভ আছে ?

----

২. শিমিলিপাল জাতীয় উদ্যানত এটা ঘৰিয়াল প্ৰজনন কেন্দ্ৰ আছে । এইটো ক'ত অৱস্থিত ?

----

৩. মহানদীয়ে যত ইষ্টাৰ্ণ ঘাট ছেদ কৰি বৈ গৈছে সেই ঠাইত উৰিষ্যাৰ কোনখন অভয়াৰণ্য অৱস্থিত ?

প্ৰশ্নৰ তলত দিয়া খালী ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা ।
তলত দিয়া কুপণখন পূৰ্ণ কৰি এই ঠিকনালৈ পঠাবা-

Orissa Tourism Quiz Contest - 7
Chandamama India Limited
No.82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097

নাম : ....
বয়স : ....
ঠিকনা : ....
: ....
পিন.................ফোন..................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for **3 days, 2-night** stay at any of the **OTDC Panthanivas**, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar - 751 014. Ph: (0674) 432177, Fax : (0674) 430887, e-mail : ortour@sancharnet.in. Website : Orissa-tourism.com

যক্ষ পৰ্বত

13

(খৰ্গবৰ্মা, জীৱদন্ত্ৰ আৰু মণিভূষণে ৰাতিটোৰ বাবে য'ত বিশ্ৰাম লৈছিল সেই ঠাইলৈ এটা ৰাক্ষসী আহিছিল । সেই ৰাক্ষসীৰ পতিৰ মুখৰ পৰা জীৱদন্ত্ৰই যক্ষ পৰ্বত সম্বন্ধিত কিছুমান ৰহস্যৰ কথা জানিবলৈ সক্ষম হয় । মাজৰাতি মণিভূষণে তালৈ কোনোবা অহাৰ কথা গম পাই সাৰ পাই ভয়তে চিঞৰিবলৈ ধৰে ।) ইয়াৰ পিছত :

মণিভূষণৰ চিঞৰ বাখৰত জীৱদন্ত্ৰৰ টোপনিত ব্যাঘাত ঘটে আৰু তেওঁ সাৰ পাই উঠে । জীৱদন্ত্ৰই মণিভূষণক অভয় দি কলে, "মণিভূষণ, অলপ ধৈৰ্য্য ধৰা । ভয় খোৱাৰ কোনো কাৰণ নাই । যি দুজন ৰাক্ষস ইয়ালৈ আহিছিল সিহঁতে জানিব পাৰিছে যে তুমি যক্ষ মণিৰঞ্জিত নহয় ।

সিহঁতে ইয়াকো জানিব পাৰিছে তুমি তেওঁৰ সেৱক । কাৰণ মই সিহঁতক কৈ দিছো তুমি মণিৰঞ্জিতৰ সেৱক মণিভূষণহে ।"

ইয়াৰ পিছত মণিভূষণে শুৱলৈ বহুত চেষ্টা কৰিলে, কিন্তু তেওঁৰ টোপনি নাহিল । ৰাতিপুৱা খৰ্গ আৰু জীৱদন্ত্ৰই টোপনিৰ পৰা সাৰ পালে । তাৰপাছত তেওঁলোকে গৈ আকৌ নাৱত উঠিল । মণিভূষণে লাহে লাহে নাও চলাবলৈ ধৰিলে ।

আধা ঘন্টা সময় যোৱাৰ পিছত নাও গৈ পাৰত লাগিল । মণিভূষণে নাৱৰ পৰা নামি দুয়োকে উদ্দেশ্য কৰি কলে, "আমি যক্ষ পৰ্বত আহি পালো । এতিয়া আপোনালোকে নাৱৰ পৰা নামিব পাৰে । মোৰ গৰাকী মণিৰঞ্জিতে আপোনালোকক লগ ধৰিবলৈ নিজেই আহিছে ।"

খৰ্গ আৰু জীৱদন্ত্ৰই নাৱৰ পৰা নামি পৰ্বতৰ ফালে চালে । তাৰে এটা ওখ শিলৰ ওপৰত এজন যুৱক থিয় হৈ আছিল । তেওঁৰ

আৰু বসন্তকুমাৰী, এই ৰাজকুমাৰী দুজনী এতিয়া ক'ত আছে ?"

জীৱদন্ত্ৰৰ কথা শুনি মণিৰঞ্জিত ক্ৰোধিত হৈ উঠিল । তেওঁ গদাটো দাঙিব খুজিছিলেই, এনেতে খৰ্গবৰ্মাই তৰোৱালৰ মুঠিত হাত থৈ কলে, "মণিৰঞ্জিত, গদা তুমি তেতিয়া উঠাবা যেতিয়া আমি সেই শিলৰ ৰথখন তাৰপৰা লৰাব নোৱাৰিম । যদি আমি সেই কাম কৰিবলৈ অসমৰ্থ হও তেতিয়া হয়তো পদ্মাৱতীয়ে তোমাক মহাবীৰ বুলি ভাবি তোমাৰ লগত বিয়াত বহিব পাৰে । প্ৰথমতে আমাক সেই ৰথখন দেখুৱাই দিয়া ।"

মণিৰঞ্জিতে কিবা কব খুজিছিল, এনেতে মণিভূষণে তেওঁক কলে, "মণিৰঞ্জিত, বিলম্ব নকৰি আগতে এওঁলোক দুয়োকে ৰথৰ ওচৰলৈকে লৈ বলা । মণিৰঞ্জিতে নিজকে সংযত কৰিলৈ তিনিওজনকে ৰথৰ ওচৰলৈকে লৈ গ'ল ।

কিছু সময়ৰ ভিতৰতে তেওঁলোক গৈ সমতলত উপস্থিত হ'ল । তাৰ তলৰ গোটেই অঞ্চলটো ফল আৰু ফুলেৰে ভৰা গছেৰে পৰিপূৰ্ণ হৈ আছিল । সেই উদ্যান বনৰ মাজতে অলপ দূৰে দূৰে ৰথৰ আকৃতিৰ দুটা ভৱন আছিল । তাৰে এটা ভৱনৰ ওপৰত দুজনী যুৱতী থিয় হৈ খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰৰ ফালে চাই আছিল । তেওঁলোক দুয়োকে দেখি যুৱতী দুজনীৰ মনত আনন্দৰ জোৱাৰ উঠিছিল ।

জীৱদন্ত্ৰই যুৱতী দুজনীক দেখি কলে, "মণিৰঞ্জিত, সেই দুজনীয়ে বসন্তকুমাৰী আৰু পদ্মাৱতী নহয় নে ?"

"হয়, তোমালোক দুয়োৱে পৰাক্ৰম

হাতত এটা সৰু গদা আছিল । যুৱকজনে চকুৰ পতা নমৰাকৈ খৰ্গ বৰ্মা আৰু জীৱদন্ত্ৰৰ ফালে একেথৰে চাই আছিল ।

তিনিও গৈ সেই যুৱকৰ ওচৰ পালে । খৰ্গ আৰু জীৱদন্ত্ৰৰ ফালে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি যুৱকে কলে, "খৰ্গ আৰু জীৱদন্ত্ৰ, তোমালোক দুয়োৰে দুঃসাহস দেখি মই সঁচাকৈয়ে আচৰিত হৈছো । কথাতে কয়, বুদ্ধি ! কৰ্মানুসাৰিণী । তোমালোকক দেখি মোৰ দয়া উপজিছে ।"

জীৱদন্ত্ৰই মণিৰঞ্জিতৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ ভালদৰে চালে আৰু তাৰপাছত কলে, "মণিৰঞ্জিত, পদ্মাৱতীৰ কথা হ'ল, তাত থকা শিলৰ ৰথখন যিয়ে সেই সেই ঠাইৰ পৰা চলাই নিব পাৰিব, তেওঁৱেই মহাবীৰ । আৰু তোমাৰ আঁচনি হ'ল সেই কামৰ কাৰণে যিয়ে আহিব তাকে বধ কৰা । সেই আঁচনিয়ে এতিয়া তোমাকেই বিপাকত পেলাব । পদ্মাৱতী

দেখিবলৈ তেওঁলোক উদ্বাউল হৈ আছে ।"

ইয়াকে কৈ মণিৰঞ্জিতে ঘূৰি শিলৰ ৰথখনৰ ফালে দেখুৱাই কলে, "সেই যে তোমালোকে দেখিছা, সেইখনেই শিলৰ ৰথ ।" এইবুলি তেওঁ এবাৰ দাঁত কৰচি উঠিল ।

খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰই দেখিলে ৰথখন বিশফুটমান ওখ হব । যেতিয়া তেওঁলোক দুয়ো ৰথখনৰ ফালে আগবাঢ়ি গ'ল তেতিয়া মণিৰঞ্জিতে মণিভূষণক মাতিবলৈ ঘূৰি চালে। কিন্তু মণিভূষণ তাৰ ওচৰে-পাজৰে কতো নাছিল ।

একো নোকোৱাকৈ মণিভূষম তাৰপৰা আঁতৰি যোৱাত তেওঁ আচৰিত হ'ল । তাৰপাছত মণিৰঞ্জিত ৰথখনৰ ওচৰলৈ গ'ল। তেতিয়ামানে খৰ্গ আৰু জীৱদন্ত্ৰই ৰথখনৰ চাৰিওফালে ঘূৰিপকি সেইখন ভালদৰে চাই লৈছিল ।

জীৱদন্ত্ৰই হালি ৰথখনৰ তলফাললৈ চাই খৰ্গবৰ্মাক কলে, "খৰ্গ, এই ৰথখন পৰ্বতৰ সৈতে যুক্ত নহয় । পৰ্বতৰ শিলৰ পৰাহে এই ৰথখন নিৰ্মাণ কৰা হৈছে । তলৰ পৰা ক্ষীণ পোহৰ অহা দেখা গৈছে আৰু সৰু সৰুকৈ মানুহে কথাকোৱাৰ শব্দও শুনা গৈছে । অনুমান হয় কোনোবা মানুহে তাত কথা পাতি আছে ।"

জীৱদন্ত্ৰৰ কথা শুনি মণিৰঞ্জিতে জাঁপমাৰি উঠিল, যেন তেওঁক সাপেহে কামুৰিছে । হঠাতে তেওঁৰ মুখৰ পৰা এই কথাখিনি ওলাই গ'ল, "ৰথৰ তলৰ পৰা তোমালোকে কি পোহৰ দেখিবলৈ পাইছা আৰু মানুহে কথা কোৱা শুনিবলৈ পাইছা ? অসম্ভৱ ! এইটো সম্পূৰ্ণ অসম্ভৱ ।



কেনেকৈ অসম্ভৱ হব পাৰে ? পৰ্বতত যি হীৰা জহৰত আছে, সেইবোৰ খান্দি বাহিৰ উলিওৱা তোমাৰ সকলো গোলামতো আৰু বোবা হব নোৱাৰে ?" জীৱদন্ত্ৰই অলপ টান সুৰত কথাখিনি কলে ।

মণিভূষণে এক মুহূৰ্ত্তৰ বাবে থৰ হৈ ৰৈছিল। তাৰ পাছত নিজকে সংযত কৰি সুধিলে, "তুমি এই ৰহস্যৰ সন্ধান কেনেকৈ পালা ? এই বিষয়ে তোমাক কোনে কৈছে ? এতিয়াহে জানিছো, মণিভূষণেই এই ৰহস্য সম্পৰ্কে তোমালোকক সকলো কথা কৈছে।"

"বেচেৰা মণিভূষণক দোষাৰোপ নকৰিবা। আমি এতিয়ালৈকে জানিব পৰা নাই আৰু তেওঁৰ কথাৰ পৰাও বুজিব পৰা নাই তেওঁ তোমাৰ সেৱক নে বন্ধু । মই মোৰ দিব্য দৃষ্টিৰ দ্বাৰা যক্ষ পৰ্বত সম্বন্ধীয় সকলো

ৰহস্যই জানিব পাৰিছো ।" জীৱদন্তই হাঁহি হাঁহি কলে ।

মণিৰঞ্জিতে ক্ৰোধতে জ্বলিপকি উঠি কলে, "জীৱদন্ত, কথা সাজি নকবা । দাংকোৰ মৰা কথাও কব নালাগে । ৰথখন টানি নিব পাৰা নে নাই তাৰে চেষ্টা কৰা । এইটো চোৰা, তোমালোকে এই কাম পাৰিবা নে নাই ? তোমালোকৰ শক্তি সামৰ্থ চাবলৈকে পদ্মাৱতী আৰু বসন্তকুমাৰীয়ে সেই ভৱনটোৰ ওপৰত থিয় হৈ আছে ।"

জীৱদন্তই খৰ্গবৰ্মাক কিবা সংকেত দিলে আৰু ৰথৰ আকৃতিৰ ভৱন দুটাৰ ফালে দেখুৱাই মণিৰঞ্জিতক সুধিলে, "দুয়ো ৰাজকুমাৰীয়ে যিটো ভৱনৰ ওপৰত থিয় হৈ আছে, তাৰ ওচৰৰ ভৱনটোতে তুমি নাথাকা জানো ?"

"হয় । তুমি এই প্ৰশ্ন মোক কিয় কৰিলা?" মণিৰঞ্জিতে জীৱদন্তক সুধিলে ।

সেই ভৱনটো কিছু ক্ষণৰ ভিতৰতে ভাঙি পৰিব । এইয়া চোৱা । "এইবুলি কৈ জীৱদন্তই মন্ত্ৰমতি নিজৰ মন্ত্ৰদন্ডডাল শিলৰ ৰথৰ ওপৰত ৰাখিলে । তাৰ পাছত ভৰিৰে সেইটো লাঠ মাৰি দিলে ।

চাওঁতে চাওঁতে ৰথখন নিজৰ ঠাইৰ পৰা লৰিল আৰু অতি বেগেৰে তলৰ ফালে বাগৰি যাবলৈ ধৰিলে । তাৰ পাছত ৰথখনে মণিৰঞ্জিতৰ ভৱনটোত খুন্দা মাৰি দিলে । তেতিয়া ৰথখন আৰু সেই ভৱনটো টুকুৰা-টুকুৰ হৈ গ'ল । তাৰে কিছুমান টুকুৰা উদ্যান বনত গৈ চিটিকি পৰিল ।

নিজৰ চকুৰ আগতে এই ধ্বংস কাৰ্য্য দেখি মণিৰঞ্জিতৰ শৰীৰ কঁপি উঠিল । তেওঁ হতভম্ব হৈ ৰ'ল । এনেকুৱা যে হব পাৰে তেওঁ সপোনতো ভবা নাছিল । নিজকে সংযত কৰি লৈ মণিৰঞ্জিতে জীৱদন্তক মাৰিবলৈ গদা দাঙি ললে । কিন্তু এনেতে খৰ্গবৰ্মাই খাপৰ

পৰা তৰোৱাল উলিয়াই লৈ তেওঁৰ সন্মুখীন হ'ল ।

জীৱদন্ত্ৰই আনন্দতে উত্ৰাবল হৈ উঠিল । তেওঁ গন্ধৰ্ব বসুমতিয়ে দিয়া নাগৰাটো হাতত সৈ জোৰে জোৰে বজাবলৈ ধৰিলে । তাৰ কিছু পিছতে শিলৰ ৰথখন চলি যোৱাত সেই ঠাইত এটা গাঁত দেখা গ'ল । সেই গাঁতৰ পৰা কিছুমান ৰাক্ষস আৰু গন্ধৰ্ব ওপৰলৈ উঠি আহিল । সিহঁতে জোৰে চিঞৰিবলৈ ধৰিলে।

জীৱদন্ত্ৰই সিহঁতক মনে মনে থাকিবলৈ কলে । তাৰপাছত সিহঁতক বুজালে, "এতিয়াৰ পৰা তোমালোক স্বাধীন । তোমালোকে নিজৰ নিজৰ ঘৰলৈ ঘূৰি যাব পাৰা ।" তাৰপাছত তেওঁ নাগাৰাটো দাঙি লৈ কলে, "এই নাগাৰাটো বসুমতি নামৰ এজন গন্ধৰ্বই মোক উপহাৰ স্বৰূপে দিছে । তোমালোকৰ মাজত যদি কোনোবা গন্ধৰ্ব আছা, তেতিয়াহলে আগুৱাই আহি এইটো লোৱা ।"

এজন গন্ধৰ্বই আগুৱাই আহি জীৱদন্ত্ৰৰ হাতৰ পৰা নাগাৰাটো ললে । বিমুক্ত গন্ধৰ্ব আৰু ৰাক্ষস সকলক জীৱদন্ত্ৰই কিবা কব খুজিছিল, কিন্তু এনেতে মণিৰঞ্জিতৰ চিঞৰ শুনা গ'ল । জীৱদন্ত্ৰই মণিৰঞ্জিতৰ ফালে ঘূৰি চালে । খৰ্গবৰ্মাই মণিৰঞ্জিতক আঘাত কৰাত মণিৰঞ্জিত মাটিত পৰি গৈছিল । তেতিয়া তেওঁৰ ডিঙিৰ ওপৰত তৰোৱাল খন থৈ খৰ্গবৰ্মা থিয় হৈ আছিল ।

এই দৃশ্য দেখি জীৱদন্ত্ৰই জোৰে হাঁহি দিলে। তেতিয়া খৰ্গবৰ্মাই জীৱদন্ত্ৰক কলে, "জীৱদন্ত্ৰ, এই দুষ্ট মণিৰঞ্জিতক বধ কৰো নে এৰি দিওঁ? এই পাপীয়ে ৰাজকুমাৰী দুজনীক অপহৰণ



কৰি আনি কেৱল তেওঁলোকক দুখ দিয়া নাই, বৰঞ্চ তেওঁলোকৰ পিতা মাতাই বেচিকৈহে মানসিক আঘাত পাইছে ।"

ৰাজকুমাৰী পদ্মাৱতী আৰু বসন্তকুমাৰী তালৈ আহিল । বসন্তকুমাৰীয়ে মণিৰঞ্জিতক দেখি কলে, "মই প্ৰতিজ্ঞা কৰিছিলো যিজন বীৰে এই পাপীক বধ কৰিব তেওঁকে মই বিবাহ কৰাম । আৰু যদি ইয়াৰ মৃত্যু মই নিজ চকুৰে দেখা নাপাও তেতিয়াহলে মই আজীৱন ব্ৰহ্মাচাৰিনী হৈ থাকিম ।"

খৰ্গবৰ্মাই বসন্তকুমাৰীৰ ফালে ভালদৰে এবাৰ চালে । তেওঁৰ অসামান্য ৰূপ দেখি খৰ্গবৰ্মা মুগ্ধ হৈ গ'ল । তেওঁৰ কথাৰ পৰা এইটো বুজা গৈছিল যে মণিৰঞ্জিতক বধ কৰিলেহে বসন্তকুমাৰীক পত্নীৰূপে পাব পাৰিব । খৰ্গবৰ্মাই কোনো নভবা নিচিন্তাকৈ

তৰোৱালখন দাঙি লৈ মণিৰঞ্জিতৰ ডিঙিত বহুৱাব খুজিছিল হে এনেতে শুনা গ'ল, ''ৰবা'' । সকলোৱে মূৰ দাঙি ওপৰৰ ফালে চালে ।

হংসৰ আকৃতিৰ এখন বায়ুযান আহি তেওঁলোকৰ সন্মুখত নামিল । সেই যানৰ পৰা যক্ষৰজা আৰু মণিভূষণ নামি আহিল ।

যক্ষ ৰজাই সকলোৰে ফালে চাই কলে, ''খৰ্গ আৰু জীৱদন্ত্ৰ, তোমালোক দুয়ো নিঃসন্দেহে অসামান্য বীৰ । মণিভূষণে মোক সকলো কথা কৈছে । এই মণিৰঞ্জিত যক্ষ বংশৰ এক কুলাঙ্গাৰ । ইয়াৰ বাবেই যক্ষ বংশৰ বদনাম হৈছে । ইয়াক এতিয়া এৰি দিয়া । জীৱীত থাকিও তেওঁ মৃতৰ দৰে হৈছে।''

খৰ্গবৰ্মা বৰ বিমোৰত পৰিল । মণিৰঞ্জিতক বধ কৰিব নে এৰি দিব, তেওঁ ইয়াৰ কোনো সিদ্ধান্ত লব পৰা নাই । তেতিয়া জীৱদন্ত্ৰই কলে, ''খৰ্গ, তুমি যক্ষ ৰজাৰ কথা শুনা । মণিৰঞ্জিতক তুমি ক্ষমা কৰি দিয়া আৰু তেওঁক যাবলৈ দিয়া ।''

''তেতিয়াহলে বীৰপুৰৰ ৰাজকুমাৰীৰ প্ৰতিজ্ঞা কি হব ?'' খৰ্গবৰ্মাই ৰাজকুমাৰীৰ ফালে চাই সুধিলে ।

বসন্তকুমাৰীয়ে লাজতে মুচকচ গৈ পদ্মাৱতীৰ পিছফালে লুকাল । যক্ষ ৰজাই হাঁহি মাৰি কলে, ''মইতো আগতেই কৈছো, মণিৰঞ্জিত জীৱীত হৈও মৃতৰ সমান । সেই কাৰণে বসন্তকুমাৰীৰ প্ৰতিজ্ঞা ভঙ্গৰ কথাই নুঠে । এইটো ব্যৰ্থ হোৱা বুলি ধৰা নহব । মই এতিয়াই শিলৰ ৰথখন লৰোৱা জীৱদন্ত্ৰৰ সৈতে পদ্মাৱতীৰ আৰু খৰ্গবৰ্মাৰ সৈতে বসন্তকুমাৰীৰ বিয়া পাতি দিম । যোৱা ফুলৰ মালা লৈ আহা ।''

মণিভূষণে হংস যানৰ পৰা চাৰিডাল ফুলৰ মালা আনি চাৰিওজনৰে হাতত এডাল এডাল দিলে । পদ্মাৱতী আৰু জীৱদন্ত্ৰই ইজনে সিজনৰ ডিঙিত মালা পিন্ধালে । খৰ্গবৰ্মা আৰু বসন্তকুমাৰীয়েও সেইদৰে ইজনে সিজনক মালা পিন্ধালে । হাঁহি আনন্দেৰে গোটেই ঠাইখন মুখৰিত হৈ পৰিল।

মণিৰঞ্জিতৰ গৰ্তত বন্দী হৈ থকা ৰাক্ষস আৰু গন্ধৰ্ববোৰে এজন এজনকৈ আহি জীৱদন্ত্ৰ আৰু খৰ্গবৰ্মাক প্ৰণাম কৰিলে ।

জীৱদন্ত্ৰই অনুমান কৰিলে তেওঁলোকে কিবা কব খুজিছে । সেয়ে তেওঁ সুধিলে, ''তোমালোকে যি কব বিচাৰিছা নিৰ্ভীক ভাবে কোৱা ।''

গন্ধৰ্বই প্ৰথমতে কলে, "মহাবীৰদ্বয়, মই গোলাম যক্ষসকলৰ নেতা । মোৰ এয়ে প্ৰাৰ্থনা, পৰ্বতৰ ভিতৰত যি অলেখ সোণ, হীৰা-জহৰত আছে সেইবোৰ আমাক উপহাৰ স্বৰূপে দিব লাগে ।"

এই কথা শুনি খৰ্গ আৰু জীৱদন্তই উজনে সিজনৰ ফালে চালে । খৰ্গবৰ্মাই এটা হাঁহি মাৰি কলে, "গন্ধৰ্ব নেতাৰ যি ইচ্ছা সেয়া যদি ৰাক্ষসৰ নেতাৰো ইচ্ছা হয়, তেতিয়া গন্ধৰ্ব আৰু ৰাক্ষসৰ মাজত যুদ্ধ লাগিব ।"

তেতিয়া ৰাক্ষসৰ নেতাই অতি বিনয়েৰে কলে, "প্ৰভু, বহুদিন ধৰি আমি মণিৰঞ্জিতৰ গোলাম আছিলো । দুখে-সুখে সকলো সময়তে আমি একে লগে আছিলো । কেতিয়াও আমি আমাৰ ভিতৰত কাজিয়া কৰা নাই । আমাৰ ভিতৰত সদায় বন্ধুত্বৰ ভাব এটা আছে । মই সোণ অথবা হীৰা-জহৰত একোকে নিবিচাৰো । মই বিচাৰো আজিৰ পৰা গোটেই যক্ষ পৰ্বত আমাৰ তথা আমাৰ সন্তানসকলৰ হওঁক । এয়েই মোৰ একমাত্ৰ কামনা ।"

ৰাক্ষসৰ নেতাৰ ইচ্ছাৰ কথা শুনি খৰ্গবৰ্মা আৰু জীৱদন্তই আচৰিত হৈ যক্ষ ৰজাক কলে, "এই গোটেই অঞ্চলটোৱে আপোনাৰ ৰাজ্যৰে এটা অংশ । গতিকে এই ৰাজ্য তেওঁলোকক দিয়াৰ আমাৰ কি অধিকাৰ আছে ?"

তেতিয়া যক্ষ ৰজাই ৰাক্ষসকলক কলে, "মোৰ এই ৰাজ্যখন স্বইচ্ছাৰে তোমালোকক অৰ্পণ কৰিলো । আজিৰ পৰা এই অঞ্চলটো তোমালোকৰে হ'ল ।"

তাৰপাছত যক্ষ ৰজাই খৰ্গ, জীৱদন্ত্ৰ আৰু তেওঁলোকৰ পত্নী দুগৰাকীক বায়ু যানত বহিবলৈ সংকেত দি কলে, "খৰ্গ আৰু জীৱদন্ত্ৰ, তোমালোকে যলৈকে যাব খোজা, এই যানত বহি যোৱা । আজিৰ পৰা এমাহ সময় তোমালোকে এই যান ব্যৱহাৰ কৰিব পাৰিবা । তোমালোকৰ নিজৰ বুলি ভাবি এই যানখন চলাবা । এমাহ পিছত এইখন মোক ওভতাই দিবা । তোমালোকৰ কল্যাণ হওঁক।"

"যক্ষ ৰাজ, আমি আপোনাৰ ওচৰত সঁচাকৈয়ে কৃতজ্ঞ ।" এইবুলি কৈ চাৰিওজনে যক্ষৰজাক প্ৰণাম কৰিলে । ইয়াৰ পিছত বায়ুযানখনে বীৰপুৰ অভিমুখে বায়ুবেগে গতি কৰিলে । **(সমাপ্ত)**

আদৰ-সন্মান

এখন গাঁৱত পুৰুষোত্তম শৰ্মা নামৰ এজন পণ্ডিত আছিল । সকলোৱে কৈছিল যে তেওঁ গভীৰ শাস্ত্ৰ অধ্যয়ন কৰিছে আৰু তেওঁ এজন বিদগ্ধ পণ্ডিত । এবাৰ দূৰৰ গাঁৱত বাস কৰা ৰঘুপতি নামৰ এজন পণ্ডিতে তেওঁক দেখা কৰিবলৈ আহিছিল ।

দুপৰীয়াৰ আহাৰ খোৱাৰ পিছত তেওঁলোক দুয়ো পিৰালীত বহি শাস্ত্ৰসন্বন্ধীয় কথা আলোচনা কৰি আছিল । সেই সময়তে এজন খৰিকটীয়া সেইফালেৰে পাৰ হৈ গৈছিল । পুৰুষোত্তম শৰ্মাক দেখিয়েই খৰিকটীয়াই মূৰৰ পৰা খৰিৰ বোজাটো নমাই থৈ হাত যোৰকৰি নমস্কাৰ কৰিলে ।

পুৰুষোত্তম শৰ্মাইও হাতযোৰ কৰি নমস্কাৰ কৰি তেওঁক সুধিলে, "কেনে আছা ৰতন ? ঘৰৰ সকলোৱে ভাল নে ?"

ৰঘুপতিয়ে পুৰুষোত্তম শৰ্মাৰ কাৰ্য্য দেখি তেওঁক সুধিলে, "এয়া আপুনি কি কৰিলে শৰ্মাদেউ ? এই সাধাৰণ খৰিকটীয়া এটাক কিয় নমস্কাৰ কৰিলে ?

এই কথা শুনি পুৰুষোত্তম শৰ্মাই হাঁহি মাৰি কলে, "ৰতন এজন আদৰ-সন্মানৰ মহত্ব বুজি পোৱা লোক । আমাৰ বৃত্তি বেলেগ বেলেগ হব পাৰে, কিন্তু আমি সকলোৱে এক মনুষ্য জাতি । আমাৰ শাস্ত্ৰ তথা পুৰাণবোৰতো এই কথাই আছে । আমাক যিয়ে আদৰ-সন্মান কৰে, তেওঁকো আদৰ-সন্মান কৰা আমাৰ কৰ্তব্য । এয়ে হ'ল আমাৰ গৌৰব আৰু মৰ্যাদা ।

কিৰণ ৰাঠী



ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

স্বাৰ্থপৰ

দৃঢ়প্ৰতিজ্ঞা ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ শ্মশানৰ ফালে আগবাঢ়ি গৈ থাকিল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে-"ৰাজন, মই বাৰে বাৰে তোমাক সাৱধান কৰি দি আছো, শ্মশান হ'ল ভূত-প্ৰেতৰ ঠাই, তাত বহুতো হিংস্ৰ জন্তু আছে। সেইবোৰে যিকোনো সময়তে তোমাৰ অনিষ্ট কৰিব পাৰে । তোমাৰ বিপদ মাতি আনিব পাৰে। কিন্তু দুখৰ কথা এই যে তুমি মোৰ কথাত গুৰুত্ব দিয়া নাই। তুমি নিশ্চয় জানিব পাৰিছা মই তোমাৰ এজন শুভকাংক্ষী । তুমি বিপদত পৰাতো মই নিবিচাৰো । ইমান কষ্ট সহ্য কৰাৰ পিছতো যেতিয়া তুমি জানিব পাৰিবা যাৰ



কাৰণে তুমি ইমান কষ্ট সহ্য কৰিছা, তেওঁ এজন স্বাৰ্থপৰ, বিলাসপ্ৰিয়, লম্পট তেতিয়া তুমি নিৰাশ হোৱাতো নিশ্চিত । তুমি সুপথে আহা, এয়ে মোৰ একমাত্ৰ কামনা । সেয়েহে মই তোমাক সন্দন দাস নামৰ এজন কবিৰ কাহিনী কম। তুমি মনোযোগেৰে শুনিবা । এইবুলি বেতালে কাহিনী আৰম্ভ কৰিলে -

দুৰ্গাপুৰত স্পন্দন দাস নামৰ এজন যুৱকে বাস কৰিছিল । তেওঁ বিভিন্ন ধৰণৰ কবিতা লিখি সেইবোৰ আবৃত্তি কৰি শুনাইছিল । সেই কবিতাবোৰ মানুহ অথবা পশু-পক্ষী, গছ অথবা শিল যিয়েই নহওক কিয়, মানুহে তেওঁৰ কবিতা শুনি বৰ ভাল পাইছিল । কবিতা শুনোৱা বাবদ মানুহে যথাশক্তি তেওঁক দান দিছিল । সেই দানৰ টকাৰ তেওঁৰ জীৱন ভালদৰেই কাটি গৈছিল । সেই গাঁৱত এতিয়া তেওঁৰ এটা ডাঙৰ ঘৰ আছে, চাৰি একৰ খেতিৰ মাটি আছে আৰু নগদ দহ হেজাৰ টকা আছে । তেওঁ ভাবিলে, ইমান খিনি ধন-সম্পত্তি আছেই যিহেতু বিয়াবাৰু কৰাই আৰামেৰে বৈবাহিক উপভোগ কৰাই ভাল হব । কিন্তু এনেতে সেই দেশত আকালে দেখা দিলে ।

যোৱা দুবছৰ ধৰি তাত বৰষুণ হোৱা নাছিল। ধনী মানুহসকলৰ ওপৰত সেই আকালৰ কোনো প্ৰভাৱ পৰা নাছিল । তেওঁলোকৰ ভঁৰালত যিমান শস্য সংগ্ৰহ কৰা আছিল তাৰেই তেওঁলোকে সুন্দৰকৈ চলিব পাৰিছিল । কিন্তু দুখীয়ালোক সকলৰ অতি দুৰ্দশা হৈছিল । খাবলৈ তেওঁলোকৰ একো নাছিল । তেওঁলোকে গাওঁ এৰি কোনো দূৰ ঠাইলৈ যোৱাৰ কথা চিন্তা কৰিছিল । জগত নামৰ সেই গাঁৱৰে এজন যুৱকে দূৰ ঠাইৰ পৰা ভ্ৰমণ কৰি আহি গাওঁবাসীক কৈছিল - "এই গাঁৱত আমাৰ বাবে এতিয়া কি আছে ? মই ফাতেপুৰ নামৰ এখন ঠাই দেখি আহিছো । সেই ঠাইয়ে আমাৰ বাবে উপযুক্ত হব । তাতে আমি কাম-বন কৰি আমাৰ পেট পুহিব পাৰিম ।" কিন্তু, গাঁৱৰ ডাঙৰ মানুহবোৰৰ মনত তেওঁৰ উপদেশ ঠিক যেন নালাগিল । তেওঁলোকে নিজ গাওঁ এৰি যোৱাৰ পক্ষত নাছিল ।

তেওঁলোকে কলে, "তুমি ঠিক কথাই কৈছা, কিন্তু আমি গাওঁ এৰি যাব বিচৰা নাই । স্পন্দন দাসৰ কবিতা নুশুনাকৈ আমি থাকিব নোৱাৰিম। এটা চৰ্তত আমি যাবলৈ সাজু আছো, যদি স্পন্দন দাসকো আমাৰ লগত গাওঁ এৰি যাবলৈ ৰাজি কৰাব পাৰো, তেতিয়া আমি একেলগে যাম।"

জগতে তেতিয়া স্পন্দন দাসৰ ওচৰলৈ গৈ গাওঁবাসীৰ ইচ্ছাৰ কথা প্ৰকাশ কৰি কলে, "তুমিও আমাৰ লগত বলা । তুমি নগলে গাঁৱৰ মানুহে এই ঠাই এৰি যাব নিবিচাৰে ।"

জগতৰ কথা শুনি স্পন্দন দাসৰ অন্তৰ কুমলিল । তেওঁ তৎক্ষণাত গাঁৱৰ মুখীয়াল ৰাজা চৌধুৰীৰ ওচৰলৈ গৈ কলে, "গাওঁবাসী গাওঁ

এৰি যাবলৈ সাজু হৈছে । আপুনি কিবা এটা কৰক ।" তেতিয়া ৰাজা চৌধুৰীয়ে নিজৰ অসমৰ্থতা প্ৰকাশ কৰি কলে - "আমাৰ মানুহ-বোৰৰ দুৰৱস্থাৰ বিষয়ে মই মহাৰাজক কৈছো। কিন্তু কোনো ফল হোৱা নাই । যিসকলে গুচি যাবলৈ ইচ্ছা কৰে তেওঁলোক গুচি যাওঁক । তেওঁলোকক ৰখাবলৈ মোৰ কোনো উপায় নাই।"

কিন্তু স্পন্দন দাস তাতে ক্ষান্ত নাথাকিল । তেওঁ পোনে পোনে জগতৰ ওচৰলৈ আহি কলে - "আপানালোক সৰ্বমুঠ দুশজন মানুহ আছে । আপোনালোক খোৱাৰ বাবদ প্ৰতিদিন মই দুশ টকাকৈ দিম । মই নিজৰ হাতৰ পৰা এই সকলো টকা খৰছ কৰিম । আপোনালোক কোনোৱে গাওঁ এৰি যাব নালাগে ।

স্পন্দন দাসৰ কথা শুনি জগতে আচৰিত হৈ কলে, "আপোনাৰ বদান্যতা অতি মহান। কিন্তু কিমান দিন এইদৰে আমাক ভৰণ-পোষণ দিব?"

মই দুদিন ধৰি গাওঁখন ঘূৰি মানুহবোৰৰ দুখ-দুৰ্দশাৰ কথা জানি লম । সেই দুৰ্দশাৰ কথা বৰ্ণনা কৰি মই কবিতা লিখিম । সেই কবিতা মই মহাৰাজক শুনাম । তেতিয়া নিশ্চয় মহাৰাজৰ অন্তৰ কুমলিব । যদি মোৰ কবিতাৰ এই শক্তি নাথাকে তেতিয়াহলে মই কবিতা লিখিবলৈকে এৰি দিম । তেতিয়া ভাবিম আচলতে মই কবিয়ে নহয় । মই আৰু এই গাঁৱত ভৰিকে নিদিও ।"

নিজে কোৱা মতে স্পন্দন দাসে দুদিন ধৰি গোটেই গাঁৱতে ঘূৰিলে । প্ৰজাৰ দুৰাৱস্থা দেখি তেওঁৰ মনত খুব দুখ লাগিল । তেওঁলোকৰ দুখ দুৰ্দশাৰ কথা বৰ্ণনা কৰি তেওঁ মৰ্মস্পৰ্শী কবিতা ৰচনা কৰিলে । সেই কবিতা ৰজাক শুনাবলৈ বুলি স্পন্দন দাস ৰাজধানীলৈ গ'ল । বাটত গৈ থাকোতে তেওঁ আৰু বহুতো হৃদয় বিদাৰক দৃশ্য দেখিলে । সেইবোৰ কথা বৰ্ণনা কৰিও তেওঁ আৰু নতুন কবিতা ৰচনা কৰিলে ।



স্পন্দন দাস যেতিয়া ৰজাৰ দৰবাৰত প্ৰৱেশ কৰিবলৈ গৈছিল সেই সময়তে প্ৰহৰীয়ে তেওঁক ৰখালে । তেতিয়া স্পন্দন দাসে প্ৰহৰীক কলে, "মই এজন বিষ্ণুভক্ত । ৰজা সাক্ষাত বিষ্ণু । জয় বিজয়ৰ নিচিনাকৈ মোক কিয় ভিতৰলৈ যোৱাৰ পৰা ৰখালা ? মোৰ যদি অভিশাপ লাগে তেতিয়া তোমালোকে ৰাক্ষস হৈ জন্ম লব লাগিব । এতিয়া তোমালোকে ঠিক কৰা মোক যাবলৈ দিবা নে নিদিয়া।" এইবুলি স্পন্দন দাসে এটা কবিতা শুনালে।

প্ৰহৰীসকলে এতিয়া স্পন্দন দাসৰ মহানতাৰ কথা বুজিব পাৰি তৎক্ষণাত ভিতৰলৈ গৈ ৰজাক এই কথা জনালে । ৰজাই তেওঁক সাদৰেৰে লৈ আহিবলৈ প্ৰহৰীক অনুমতি দিলে ।

স্পন্দন দাসে ৰাজসভালৈ আহি ৰজাৰ আগত নিজৰ পৰিচয় দিলে আৰু দুৰ্গাপুৰৰ গাওঁবাসীৰ দুৰ্দশাৰ কথা বৰ্ণনা কৰি লিখি আনা কবিতা এটা পঢ়ি শুনালে । কবিতা শুনি, ৰজা



আৰু ৰাজসভাত উপস্থিত থকা সকলো লোকৰে চকুপানী ববলৈ ধৰিলে ।

অলপ পিছতে ৰজা সংযত হৈ মন্ত্ৰীৰ ফালে মুখ কৰি কলে, "দুৰ্গাপুৰলৈ সাহায্য সামগ্ৰী পঠোৱাৰ বাবে তৎক্ষণাত বিহিত ব্যৱস্থা লব লাগে ।" তাৰ পাছত তেওঁ স্পন্দন দাসক কলে, "কবিবৰ, আপোনাৰ কবিতাই মোৰ অন্তৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে । কেৱল দুৰ্গাপুৰৰ লোককে নহয়, যিসকল লোক এই দুৰ্দশাৰ কবলত পৰিছে সকলোকে সাহায্য দিয়া হব ।" এই কথা শুনি স্পন্দন দাসৰ মনত খুব আনন্দ লাগিল । তাৰ পাছত তেওঁ সুন্দৰ প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা থকা এটা কবিতা পঢ়ি শুনালে । কবিতা শুনি সকলো ৰাজসভাৰ সদস্যই আনন্দিত হৈ হৰ্ষ ধবনি কৰিলে।

ৰজাই বিচাৰিছিল স্পন্দন দাসে সভা কবিৰ পদ সুশোভিত কৰক । কিন্তু স্পন্দন দাসে কৈছিল, গাওঁবাসীৰ অনুমতি পালেহে এইটো সম্ভব হব পাৰিব ।

জগতে যেতিয়া জানিব পাৰিলে ৰজাই স্পন্দন দাসৰ অনুৰোধ মানি লৈছে আৰু ৰজসভাত তেওঁক অতি আদৰ সন্মান কৰিছে তেতিয়া তেওঁ দুৰ্গাপুৰ এৰি ৰাজধানীলৈ গ'ল । তেওঁ ৰজাক দেখা কৰি কলে, "মহাৰাজ, স্পন্দন দাসৰ কবিতাৰ কাৰণে আমাৰ গাওঁবাসী মৰিব পাৰে। তেওঁলোকে লাগে ভোকতে থাকিব, তথাপি তেওঁৰ কবিতা নুশুনাকৈ থাকিব নোৱাৰে । এনে এজন মহান কবিক আমাৰ পৰা আঁতৰাই নিনিব। এইটো ন্যায়সঙ্গত নহব । আপুনি স্পন্দন দাসক আমাৰ গাঁৱৰ গাওঁ প্ৰধান কৰি দিয়ক । তেতিয়া তেওঁ আমাৰ মাজতে থাকি গাঁৱৰ হিতকৰ কাম কৰিব পাৰিব ।"

কিন্তু স্পন্দন দাসে জগতৰ অনুৰোধ অস্বীকাৰ কৰি কলে, "যেতিয়া মই দুৰ্গাপুৰত নাছিলো তেতিয়াও দুৰ্গাপুৰৰ মানুহে সুখে সন্তোষে আছিল । মইনো কি কৰিব পাৰো । মোক ৰাজদৰবাৰতে থাকিবলৈ দিয়া । মাজে সময়ে মই দুৰ্গাপুৰলৈ গৈ তোমালোকক কবিতা পঢ়ি শুনাম গৈ । মানুহৰ বাবে মোতকৈও অধিক

আৱশ্যকীয় হ'ল আহাৰ, বস্ত্ৰ আৰু নিদ্ৰা ।" এইবুলি স্পন্দন দাসে বুজাই-বঢ়াই জগতক গাঁৱলৈ পঠাই দিলে ।

কাহিনী শেষ হোৱাৰ পিছত বেতালে ৰজাক কলে, "ৰাজন, এইটো স্পষ্ট যে দুৰ্গাপুৰৰ বাসীন্দাসকলে স্পন্দন দাসক খুব ভাল পায় । গাওঁবাসীয়ে তেওঁক বহুত আদৰ সন্মান কৰে । দুৰ্ভিক্ষৰ সময়তো তেওঁলোকে কৈছিল যে যদি স্পন্দন দাস তেওঁলোকৰ লগত নাযায় তেতিয়াহলে তেওঁলোকো গাওঁ এৰি নাযায়, লাগিলে তেওঁলোকে ভোকতে মৰিব । স্পন্দন দাসেও গাওঁবাসীৰ দুখ-দুৰ্দশাৰ ওপৰত কবিতা লিখি সেই কবিতা ৰজাক শুনাই মহাৰাজৰ মন জয় কৰিব পাৰিলে । যাৰ কাৰণে গাওঁবাসী দুৰ্ভিক্ষৰ পৰা ৰক্ষা পৰিল । ইয়ালৈ কথা ঠিকেই আছিল, পিছে যেতিয়া জগতে তেওঁক গাঁৱলৈ উলতি যাবলৈ লগ ধৰিলে তেতিয়া তেওঁ যাবলৈ অস্বীকাৰ কৰিলে আৰু ৰাজদৰবাৰতে থাকি যোৱাৰ সিদ্ধান্তৰ কথা কলে । মোৰ মতে তেওঁ এজন স্বাৰ্থপৰ । তোমাৰ বাৰু এনে লগা নাইনে, তেওঁ মাথোঁ নিজে সুখ ভোগ কৰাৰ আশাৰেহে এনে কাম কৰিছিল ? সভাকবি হৈ স্পন্দন দাসে ৰাজদৰবাৰত থাকি যাবলৈ লোৱা সিদ্ধান্তই তেওঁৰ উচ্চাকাংক্ষাৰ কথাকেই সূচাই। ইয়াৰ কাৰণে তেওঁ দুৰ্গাপুৰৰ মানুহৰ আদৰ সন্মানকো থেলি দিছে । এনেকুৱা ব্যক্তি স্বাৰ্থপৰ নহয়নো কি ? মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি নোকোৱা তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।"

তেতিয়া ৰজা বিক্ৰমে কলে, "কবিসকলে সাধাৰণতে কবিতাৰ উৎস বিচাৰি কল্পলোকত বিচৰণ কৰি ফুৰে । তেওঁৰ কবিতাৰ কবিত্ব শক্তি কিমান, ইয়াৰ ফল কি হব এয়া নিৰ্ভৰ কৰে তেওঁৰ কবিতাৰ গুণমুগ্ধ ব্যক্তিসকলৰ ওপৰত। স্পন্দন দাসৰ কবিতাই গাওঁবাসীক মন্ত্ৰমুগ্ধ কৰি দিয়ে । ইয়াৰ বাহিৰে একো নাই । কিন্তু সেই কবিতাই যেতিয়া মহাৰাজে শুনিলে, তাৰপৰা অদ্ভুত ফল হ'ল । সেই কবিতাই অকল তেওঁৰ গাওঁখনৰে হিত সাধন কৰা নাই, বৰঞ্চ গোটেই দুৰ্ভিক্ষপীড়িত লোকৰ হিত সাধন কৰিছে । এই সত্যটো জনাৰ পিছত স্পন্দন দাসে ভাবিলে তেওঁৰ কবিতাৰ দ্বাৰা অকল তেওঁৰ গাওঁবাসীক আনন্দ দিয়াৰ বাহিৰে আনৰো হিতৰ কাম কৰিব পাৰিব । সেয়ে তেওঁ সভা কবি হৈ ৰাজদৰবাৰতে থাকি যোৱাৰ সিদ্ধান্ত লৈছিল । মুঠতে দেখা যায় তেওঁৰ সিদ্ধান্তত কোনো স্বাৰ্থ নাছিল, পৰমাৰ্থ হে আছিল । অকল ৰাজসুখ ভোগ কৰাৰ কাৰণেই স্পন্দন দাসে এনে সিদ্ধান্ত লৈছিল বুলি ভাবিলে ভুল কৰা হব ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল লৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

শ্ৰীৰামকমলৰ ৰচনাৰ আধাৰত

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

ভাৰতীয় ঐতিহ্য হিন্দু পৌৰাণিক কাহিনী বোৰৰ ওপৰতে প্ৰতিষ্ঠিত । ভাৰতৰ শিশুসকলে নিশ্চয় ৰামায়ণ আৰু মহাভাৰত, এই দুখন মহাকাব্যৰ কথা জানে । ১৮ খন পুৰাণৰ কাহিনীও শুনিছে নিশ্চয় । এই মাহৰ প্ৰশ্নাৱলী হিন্দু পৌৰাণিক কাহিনীৰ ওপৰতে সোধা হব । এই বিষয়ে তোমাৰ জ্ঞান কিমান তলৰ প্ৰশ্নৰ উত্তৰৰ পৰাই বুজা যাব ।

১. এদল মানুহে নোখোৱা-নোলোৱাকৈ, টোপনি নোযোৱা অথবা জিৰণি নোলোৱাকৈ কঠোৰ তপস্যাত মগ্ন আছিল । সেইদল মানুহক কি বুলি কোৱা হয় পাৰিবা নে ?

২. হিমালয়ৰ কন্যাৰ নাম কি ? পৰ্বতৰ লগত সঙ্গতি থকা তেওঁৰ দুটা নাম কোৱা ।

৩. এগৰাকী মহিলাই তেওঁৰ স্বামী-এজন ঋষিৰ শাপত শিলাখন্ডত পৰিণত হৈছিল । এজন দৈৱ পুৰুষৰৰ ভৰিৰ স্পৰ্শত তেওঁ পুনৰ জীৱন লাভ কৰিছিল । এই ঘটনাৰ লগত জৰিত তিনিজন ব্যক্তিৰ নাম কোৱা ।

৪. সাগৰ মন্থনৰ সময়ত বহুতো বস্তুয়ে ওলাইছিল । তাৰ ভিতৰত আছিল এটা হাতী । সেই হাতীটো দেৱৰাজ ইন্দ্ৰই লাভ কৰিছিল । সেই হাতীটোৰ নাম কোৱা ?

৫. কৃষ্ণৰ মোমায়েক, মথুৰাৰ ৰজা কংসৰ পিতৃৰ নাম কি আছিল কোৱা ?

৬. নাগসকলো মানুহৰ দৰে মুখ থকা আৰু নেজ থকা প্ৰায় স্বৰ্গীয় প্ৰাণীয়ে আছিল । এটা নাগক নল ৰজাই জ্বলিথকা বনৰ মাজৰ পৰা উদ্ধাৰ কৰিছিল । সেই নাগটোৰ নাম কি আছিল ?

৭. তেওঁৰ স্বামী আছিল জন্মান্ধ, তেওঁও যাতে তেওঁৰ স্বামীতকৈ বেচি সুবিধা ভোগ কৰিব নোৱাৰে সেই কাৰণে তেওঁ চকুত কাপোৰ বান্ধি ৰাখিছিল । তেওঁ কোন আছিল ?

৮. ৰাম, সীতা আৰু লক্ষ্মণে বনবাসত থকাৰ সময়ত এইখন বনৰ পৰাই ৰাৱণে সীতাক হৰণ কৰি লৈ গৈছিল । এই বনখনৰ নাম কি ?

(উত্তৰ অহা সংখ্যাত)

ফেব্ৰুৱাৰী মাহৰ প্ৰশ্নৰ উত্তৰ

১. অৰুণাচল প্ৰদেশ
২. মধ্য প্ৰদেশ
৩. মণিপুৰ
৪. বিহাৰ, “ৱিহাৰ” শব্দৰ পৰা
৫. চিমলা, হিমাচল প্ৰদেশ
৬. কেৰেলা
৭. চণ্ডিগড়-পঞ্জাৱ, হৰিয়ানা
৮. উত্তৰ প্ৰদেশ-হৰদ্বাৰ আৰু এলাহাবাদ

২৪. ভৱিষ্যতৰ ফালে এক আশ্চৰ্যজনক দৃষ্টি

সন্দীপ, চামেলী আৰু তেওঁলোকৰ বন্ধুবৰ্গৰ মাজত বিক্ৰমাদিত্য ৰজাৰ কাহিনী তেতিয়াও সজীৱ হৈয়ে আছিল । পিছৰ ৰবিবাৰে তেওঁলোকে যেতিয়া লগ হৈছিল বিক্ৰমাদিত্যৰ নামটোকে ওলাইছিল । "তেওঁ এজন কি দুঃসাহসী ৰজা আছিল !" চামেলীয়ে কৈছিল ।

যিজন ৰজাৰ ৰাজসভাত কালিদাসকে ধৰি ন জন প্ৰসিদ্ধ ব্যক্তি আছিল, দৰাচলতে সেই ৰজাজনো নিজে প্ৰসিদ্ধ লোক হবই লাগিব !" চামেলীৰ বান্ধৱী ডলীয়ে কৈছিল।

ককা দেৱনাথে হাঁহি হাঁহি কৈছিল, "মই সেইদিনা কোৱা কথাখিনি ইমান সোনকালে পাহৰিলা ! এই নজন প্ৰসিদ্ধ ব্যক্তি একে সময়তে আছিল বুলি বুৰঞ্জীবিদসকলে বিশ্বাস নকৰে । কিন্তু যুগ যুগ ধৰি মানুহবোৰ বিক্ৰমাদিত্যৰ দ্বাৰা ইমান প্ৰভাবিত হৈ পৰিছে যে তেওঁলোকে ৰজাক অসীম সাহস আৰু গুণৰ অধিকাৰী বুলি কল্পনা কৰি আহিছে । তেওঁৰ বাহিৰে আন কোনেনো ইমানবোৰ পণ্ডিতৰ পৃষ্ঠপোষক হব পাৰিব ?"

"কিন্তু ককা,, প্ৰথম শতিকাত বিক্ৰমাদিত্য নামৰ নিশ্চয় এজন ৰজা আছিল !" সন্দীপে কৈছিল ।

"আগৰবাৰ মই তোমালোকক কোৱাৰ নিচিনাকৈ মই ভাবো এই একে নামৰে আৰু এজন অতি ক্ষমতাশালী আৰু জনপ্ৰিয় ৰজা আছিল । নহলে এজন সাধাৰণ ৰজাৰ কাৰণে

বিক্ৰমাব্দ নামৰ এটা যুগৰ সূচনা কৰা সম্ভব নহলহেতেন । আমাৰ দেশত আজিও বহুতো লোক আছে যিয়ে সেই পৰম্পৰা অনুসাৰে বছৰ আৰু শতিকা গণনা কৰে ।" অধ্যাপক দেৱনাথে কৈছিল ।

"কিন্তু তেওঁক লৈ কোনে বেতালৰ কাহিনী ৰচনা কৰিছিল ?" ডলীয়ে সুধিছিল ।

"এই বিষয়ে মই নাজানো । কোনো বুৰঞ্জীবিদে জানে বুলিও মই নাভাবো । এইটো হয়তো এই ধৰণে ঘটিছিল ঃ ৰজা বিক্ৰমাদিত্য এজন জ্ঞানী, প্ৰত্যুৎপন্নমতি আৰু ৰসজ্ঞ ব্যক্তি আছিল । বহুতো সমস্যা তেওঁ অতি দক্ষতাৰে সমাধান কৰিছিল । সেই সময়ৰ মানুহবোৰে ৰজাৰ বিচাৰ ব্যৱস্থাৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈছিল । মানুহবোৰে হয়তো ভাবিছিল তেওঁযে অকল প্ৰজাৰ সমস্যাই সমাধান কৰিব পাৰিছিল সেইটো নহয়, তেওঁ বেতালৰ দৰে অতিপ্ৰাকৃতিক প্ৰাণীবোৰ সমস্যাও সমাধান কৰিব পাৰিছিল । তেওঁ যি ধৰণে বেতালক পৰিচালনা কৰিছিল আৰু তেওঁৰ প্ৰশ্নৰ উত্তৰ দিছিল তাৰ দ্বাৰা তেওঁৰ সাহস আৰু বুদ্ধিৰে পৰিচয় পোৱা যায় ।" অধ্যাপক দেৱনাথে কৈছিল ।

"যেনে এটা উদাহৰণ ?" ডলীয়ে সুধিলে

"কিয়, তোমালোকে বিক্ৰমাদিত্য আৰু বেতালৰ সেই প্ৰসিদ্ধ কাহিনীকেইটা পঢ়া নাইনে ?" অধ্যাপক দেৱনাথে সুধিলে ।

অতি সোনকালে জানিব পৰা গ'ল যে, সন্দীপ আৰু চামেলীৰ বাহিৰে বাকীসকলে এই কাহিনী বোৰৰ বিষয়ে একো নাজানে । তেওঁলোকে এই কাহিনীবোৰৰ কেইটামান কাহিনী কবলৈ ককা দেৱনাথক অনুৰোধ কৰিলে।

"বাৰু, তেতিয়াহলে আজিৰ দিনৰ লগত খাপখোৱা ধৰণৰ কাহিনী এটা কও শুনা ।" ককা দেৱনাথে এইবুলি কৈ কাহিনী কবলৈ আৰম্ভ কৰিলে :-

এসময়ত ধৰালা নামৰ এজন ল'ৰা আছিল। তেওঁ সৰু থাকোতে এজন মুনিৰ কাৰ্য্যৰ দ্বাৰা প্ৰভাবিত হৈছিল আৰু ডাঙৰ হলে তেওঁও এজন সন্ন্যাসী হোৱাৰ সপোন দেখিছিল । সেয়েহে তেওঁ গাৰ্হস্থ্য জীৱন ত্যাগ কৰি সন্ন্যাসী হবলৈ ইচ্ছা কৰিছিল ।

কিন্তু যেতিয়া তেওঁ ডাঙৰ হৈ যুৱক হৈছিল তেওঁৰ মাক পিতাকে তেওঁক জোৰ কৰি বিয়া কৰাই দিছিল । তেওঁৰ পত্নীজনী খুব ভাল আছিল। সেয়ে পত্নীৰ সৈতে তেওঁ সুখেৰে জীৱন কটাইছিল । এদিনাখন ধৰালাৰ পত্নীৰ ককায়েকে কিবা উৎসৱ উপলক্ষে ধৰলাহঁতক তেওঁলোকৰ ঘৰলৈ লৈ যাবলৈ আহিছিল । যোৱাৰ সময়ত তেওঁলোক তিনিওজনে এখন হাবিৰ মাজেৰে পাৰ হৈ যাব লাগিছিল । এঘন্টামান খোজকাঢ়ি যোৱাৰ পিছত ধৰালাৰ পত্নীৰ ভাগৰ লগাত তেওঁলোক তিনিও এডাল গছৰ তলত জিৰণি লৈছিল ।

জিৰণি লৈ থাকোতে এটা পৰিত্যক্ত মন্দিৰৰ ওপৰত ধৰালাৰ চকু পৰিছিল । কৌতুহলী হৈ তেওঁ মন্দিৰৰ ভিতৰলৈ সোমাই গৈছিল । মন্দিৰৰ ভিতৰত এটা দেৱী মূৰ্ত্তি আছিল আৰু তাৰ পৰিবেশ অতি শান্ত আছিল । এই শান্ত, নিস্তব্ধ পৰিবেশ দেখি ধৰালাৰ হঠাতে সন্ন্যাসী হৈ যোৱাৰ কথা মনত পৰিছিল । তেওঁৰ মনত অনুশোচনা বোধ জাগি উঠিছিল । ভগবানৰ সেৱা নকৰাকৈ এই সাধাৰণ জীৱন যাপন কৰি থকাৰ কি লাভ ? তাৰপাছতে তেওঁ এক অঘটন ঘটালে। তেওঁ দেৱীমূৰ্ত্তিৰ হাতৰ পৰা তৰোৱালখন টানমাৰি আনি নিজৰ মূৰটো কাটি পেলাইছিল ।

অলপ পিছতে তেওঁৰ বৰগিৰিয়েকে তেওঁক মাতিবলৈ মন্দিৰৰ ভিতৰলৈ সোমাই গৈছিল । কিন্তু তাৰ ভিতৰৰ দৃশ্য দেখি তেওঁ চমকি উঠিছিল। তেওঁ এতিয়া ভনীয়েকক কেনেকৈ নিজৰ মুখ দেখুৱাব ? তেওঁৰ মনলৈও এক আশ্চৰ্য্যজনক বিমৰ্ষ ভাব আহিছিল । তাৰ পাছত তেওঁও ধৰালাৰ নিচিনাকৈ নিজে নিজৰ শিৰশ্চেদ কৰিছিল ।

এইদৰে এঘন্টা সময় পাৰ হৈ গৈছিল । তেওঁৰ পতি আৰু ককায়েক উভতি নহা বাবে ধৰালাৰ পত্নীয়েও তাতনো কি হৈছে চাবলৈ মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰিছিল । মন্দিৰৰ ভিতৰৰ দৃশ্য দেখি তেওঁৰ কি অৱস্থা হৈছিল তাক বৰ্ণনা কৰাৰ আৰু আৱশ্যক নাই । তেওঁৰ স্বামী আৰু ককায়েকৰ অবিহনে এই অৱস্থাত তেওঁ কেনেকৈ জীয়াই থাকিব ? ইয়াকে ভাবি তেওঁও তৰোৱালখন তুলি লৈছিল ।

তেওঁ তৰোৱালখনেৰে নিজৰ ডিঙিত ঘাপ মাৰিবলৈ সাজু হওঁতে কোনোবাই কোৱা শুনিছিল, "ৰবা" । তেওঁ বুজিব পাৰিছিল মূৰ্ত্তিটোৰ ফালৰ পৰাই এই শব্দটো আহিছে । "তোমাৰ স্বামীয়ে এইটো ভাবি ভুল কৰিছিল যে



তেওঁ পাৰ্থিব সুখ ত্যাগ নকৰিলে এক আধ্যাত্মিক জীৱন কটাব নোৱাৰিব । তোমাৰ ককায়েৰাইও তোমাৰ স্বামীক অনুসৰণ কৰি সেই একেই মুৰ্খামীকে কৰিছিল । কিন্তু তুমি সেই পথ অনুসৰণ কৰাৰ আৱশ্যক নাই !"

"হে মা, তেওঁলোকৰ অবিহনে মই কেনেকৈ জীয়াই থাকিম ? মই অকলে কলৈ যাম?" ধৰালাৰ পত্নীয়ে দেৱীমূৰ্ত্তিটোক সুধিছিল।

"তেওঁলোকৰ মূৰ দুটা তেওঁলোকৰ শৰীৰৰ সৈতে লগ লগাই দিয়া আৰু মোৰ ভৰিৰ ওচৰত থকা কমন্ডলুটোৰ পৰা পানী নি তেওঁলোকৰ গাত চতিয়াই দিয়া । তেওঁলোকে আকৌ জীৱন লাভ কৰিব ।" মূৰ্ত্তিটোৱে কৈছিল ।

ধৰালাৰ পত্নীয়ে দেৱীয়ে উপদেশ দিয়া মতে সকলোখিনি কৰিছিল । কি আচৰিত, তেওঁলোক আকৌ উঠি বহিছিল ।

"চোৰাচোন বাৰু আমি এই নিৰ্জন ঠাইখনত টোপনি গৈছিলো ।" তেওঁলোকে মুখৰ ভিতৰতে

কথাখিনি কৈছিল । ধৰালাৰ পত্নীয়ে একো কোৱা নাছিল । তেওঁলোকে আকৌ যাত্রা আৰম্ভ কৰিছিল ।

অলপ দূৰ যোৱাৰ পিছতে মহিলাজনীয়ে বুজিব পাৰিছিল তাই এটা ডাঙৰ ভুল কৰিছে । তাই ককায়েকৰ মূৰটো স্বামীৰ দেহৰ লগত আৰু স্বামীৰ মূৰটো ককায়েকৰ দেহৰ লগত যোৱা লগাই দিছে !

কাহিনী শেষ হোৱাৰ পিছত বেতালে ৰজাক সুধিছিল, “মহাৰাজ, এতিয়া কওকচোন, মহিলাগৰাকীয়ে এতিয়া কোনজনক পতিৰূপে মানিব -- তেওঁৰ পতিৰ মূৰ থকা দেহটোক নে ককায়েকৰ মূৰ থকা দেহটোক ?”

ৰজাই তৎক্ষণাত উত্তৰ দিছিল, “তেওঁৰ স্বামীৰ মূৰ থকা দেহটোক । কাৰণ, মানুহৰ মূৰটোৱেহে মানুহৰ ব্যক্তিত্ব নিৰ্দ্ধাৰণ কৰে !”

অধ্যাপক দেৱনাথে কাহিনীটো শেষ কৰাত সকলোৱে একেলগে কৈ উঠিছিল, “অতি মনোৰম কাহিনী ।”

“সঁচাকৈয়ে মনোগ্ৰাহী । কিন্তু কাহিনীটো কোৱাৰ আগতে মই কোৱা নাছিলোনে তোমালোকক মই বৰ্ত্তমান সময়ৰ লগত খাপখোৱা কাহিনী এটা কম ? সেইটো বাৰু কি? অধ্যাপকে সুধিছিল ।

ল’ৰা ছোৱালীবোৰে ইজনে সিজনৰ মুখলৈ চাইছিল । তেতিয়া সন্দীপে কৈছিল, “ককা, ইয়াৰ সৈতে ডাঃ খৃষ্টিয়ান বাৰ্ণাৰ্ডৰ কিবা সম্পৰ্ক আছে নেকি, যিজনৰ কেইমাহমান আগতে মৃত্যু হৈছে ?”

“ঠিক কৈছা । প্ৰায় চাৰিদশক আগতে ডাঃ বাৰ্ণাৰ্ডে এজন মানুহৰ হাৰ্ট অন্য এজনৰ দেহত লগাই দিছিল । এই সম্বন্ধে বহুত আলোচনা হৈছিল, যদিও সেইবোৰ অনুমানসিদ্ধ আছিল। এজনৰ মূৰ অন্য এজনৰ দেহত লগোৱা সম্ভৱ নে বাৰু ? যদি সেইটো সম্ভৱ হয়, তেনেহলে ধাৰকৰা মূৰ লৈ চলা মানুহজনৰ অস্তিত্বই বা কি থাকিব অথবা ধাৰ কৰা দেহৰ মানুহজনৰ অৱস্থাই বা কি হব ? ৰজা বিক্ৰমাদিত্যই ঠিক উত্তৰেই দিছিল বুলি তোমালোকে ভাবা নে ?”

“নিশ্চয়, ঠিক উত্তৰে দিছিল ।” সকলোৱে একেমুখে কৈছিল ।





বীৰ পূজা

বীৰ-পূজাৰ কথা ! মহাৰাষ্ট্ৰৰ কঙ্কন উপকূলৰ সিন্ধু দুৰ্গত বিখ্যাত মাৰাঠা বীৰ ছত্ৰপতি শিৱাজীৰ এটা মন্দিৰ আছে । সেই মন্দিৰত ধাতুৰ প্ৰলেপ দিয়া শিৱাজীৰ শিলৰ মূৰ্ত্তি এটা পূজা কৰা হয়। মূৰ্ত্তিটোৰ হাতত দুয়োফালে ধাৰ থকা এখন তৰোৱাল আছে । সেই তৰোৱালখন মাৰাঠা বীৰে সঁচাকৈয়ে ব্যৱহাৰ কৰিছিল বুলি কোৱা হয় ! সিন্ধু দুৰ্গত আজিও কিছুমান পৰিয়াল আছে যাৰ পূৰ্বপুৰুষসকলে শিৱাজীৰ সেৱা কৰিছিল ।



আকবৰৰ গোপন ৰহস্য

সম্ৰাট আকবৰৰ ডগমগীয়া উজ্বল ছালৰ গোপন ৰহস্য কি হ'ব পাৰে অনুমান কৰাচোন । আকবৰনামাত আছে, সম্ৰাটে মহাৰাষ্ট্ৰৰ ঔৰঙ্গবাদৰ ওচৰৰ লোনাৰ

হ্ৰদৰ পানীৰে সৈতে তৈয়াৰ কৰা এবিধ চাবোন ব্যৱহাৰ কৰিছিল । এইটো বিশ্বাস কৰা হয় যে সেই ঠাইৰ খনিজ দ্ৰব্য আৰু পানীৰ এক ঔষধি গুণ আছে। লোনাৰ হ্ৰদটো এক বৃহৎ জ্বালামুখৰ ওপৰত অৱস্থিত, য'ত হাজাৰ হাজাৰ বছৰ আগতে এটা এচ্‌টেৰইড ভাঙি পৰিছিল । এই হ্ৰদৰ পানীবোৰ খাৰুৱা, সেয়ে বিভিন্ন ধৰণৰ প্ৰাণী ইয়াত জন্মহ'ব নোৱাৰে ।

মহিলা বাহিনী

নীলগিৰি পৰ্বতৰ শীত প্ৰধান অঞ্চলত টোডা নামৰ এক জনজাতীয় সম্প্ৰদায়ে বাস কৰে। তেওঁলোকে মুন্ডচ্ নামৰ এখন গাঁৱত বাস কৰে। তেওঁলোক অতি সহজ সৰল। টোডা সকলৰ কিছুমান সামাজিক ৰীতি-নীতি আছে আৰু সেইবোৰ তেওঁলোকে কঠোৰ ভাবে মানি চলে । এটা নিয়ম আছে, টোডা মহিলাসকলে মন্দিৰত প্ৰৱেশ কৰিব নোৱাৰে । পৰম্পৰাগত ভাবে, মন্দিৰৰ অলপ দূৰত এটা চিহ্ন থাকে আৰু সেই চিহ্ন পাৰ হৈ কোনো মহিলা মন্দিৰৰ ফালে যাব নোৱাৰে। টোডাসকলে কাক পূজা কৰে বুলি তুমি ভাবা ? তেওঁলোকে টেকাইহ্ নামৰ এক দেৱীৰ পূজা কৰে !

ৰাজকীয় হোলি

যদি তুমি ৰজা হলা-হেতেন চিকমিকিয়া সাজ-পোচাকেৰে কেনেকৈ হোলি খেলিলাহেতেন ? লেতেৰা ৰংবোৰেৰে তোমাৰ প্ৰাসাদৰ বেৰবোৰ নষ্ট কৰিবলৈ বেয়া নালাগিবনে? তেতিয়াহলে ৰাজপ্ৰাসাদৰ পৰা ওলাই আহি হোলি খেলিব লাগিব অথবা দুৰ্গ বেলকনি বোৰৰ পৰা ৰঙচঙীয়া পানীৰে বন্ধুবৰ্গৰে সৈতে হোলি খেলিব লাগিব । জয়পুৰৰ ৰজা আৰু ৰাণী সকলে পৰম্পৰাগতভাবে সেইদৰেই হোলি খেলে ।

বুৰঞ্জীত পোৱা গৈছে যে, ৰজাসকলে একোটা হাতীত উঠি আহি হাৱা মহল আৰু

অন্যান্য প্ৰাসাদৰ বেলকনিত উপস্থিত হয় । তেওঁলোকৰ চাৰিওফালে চাকৰ-বাক ৰবোৰে ৰঙৰ গুৰি অথবা ৰঙৰ পানীৰে পূৰ্ণ সৰু সৰু বলবোৰ লৈ থাকে । ৰজা সকলে সেই বলবোৰ বেল কনি আৰু খিৰিকি মুখত থিয় হৈ থকা ৰাণী আৰু ৰাজ কুমাৰী সকলৈ মাৰি পঠিয়াই । মহিলাসকলে তাৰ পৰিবৰ্তে তেওঁলোকৰ ওৰাটাৰ পিষ্টলেৰে ৰজা সকলৈ ৰঙীণ পানী মাৰি দিয়ে ।

নাৰিকলৰ খেল

যদি তুমি দেখা ১৪ জন মানুহে এটা নাৰিকল থপিয়া থপি কৰি আছে তুমি তাক কি বুলি কবা ? এটা নাৰিকলৰ পিছে পিছে বহুতো মানুহ দৌৰি থাকিলে তোমালোকে সেয়া কি বুলি ভাবিবা ? তোমালোকে জানিবা যে তেওঁলোকে যুবী লকপী খেলিছে । মণিপুৰী ল'ৰা-বোৰৰ মাজত এইটো এটা অতি জনপ্ৰিয় খেলা । এইটো এক ধৰণৰ ৰাগবী খেলা (এইটো ফুটবল নহয়, ভবিৰে নলথিয়াবা) । দহৰ পৰা ১৪ জন খেলুৱৈয়ে এই খেলবিধ খেলে ।

এইখেলা আয়ত আকৃতিৰ এখন খেলপথাৰত খেলা হয়। খেলাপথাৰৰ এমূৰে এটা বক্স চিহ্ন থাকে । পিচল কৰি লোৱা নাৰিকল এটা খেলা পথাৰৰ এমূৰৰ পৰা দলিয়াই দিয় হয় । ইয়াৰ লক্ষ হল বক্স চিহ্নৰ ভিতৰলৈ নাৰিকলটো লৈ যাব লাগিব। যিজন খেলু-ৱৈয়ে নাৰিকলটো থপিয়াই নি বক্স চিহ্ন পাব তেওঁক বিজয়ী বুলি কোৱা হব। খেলাৰ সময়ত যদি খেলুৱৈ-সকলৰ মাজত খুব খেলা-

থেলি লাগে তেওঁলোকক আলগ কৰি-বলৈ তেওঁলোকৰ গালৈ ঠান্ডা পানী মাৰি পঠোৱা হয়!

কোনোবাই যুবী লকপী খেলিব খোজানে ?

ৰসিক ব্যক্তি-গোপাল ভাড়

এইটো আছিল গোপালৰ দেউতাকৰ প্ৰথম মৃত্যুবাৰ্ষিকী । সেই উপলক্ষ্যে পুৰোহিতৰ ঘৰলৈ তেওঁ বহুদূৰ নাৱেৰে যাব লাগিব । "নাওখন বেগাই চলোৱা, মই ঠিক মুহূৰ্ত্ততে গৈ দেউতাৰ পিন্ড দিব লাগিব ।" গোপালে নাৱৰীয়াজনক কৈছিল ।

গোপালে শ্ৰাদ্ধ কৰি থকাৰ সময়ত পুৰোহিতে স্বৰ্গগত আত্মাৰ উদ্দেশ্যে মন্ত্ৰ মাতি আছিল । হঠাতে পুৰোহিতে মন্ত্ৰ মতা বন্ধা কৰিলে । তাৰ পাছত তেওঁ গোপালক কৈছিল, "তোমাৰ দেউতাৰাই মোক এশ টকা দিবলৈ আছে । আগতে মোক সেই টকাখিনি দিয়া, নহলে মই শ্ৰাদ্ধৰ কাম সম্পূৰ্ণ নকৰো ।"

গোপালে স্বাভাৱিকতে হতভম্ব হৈ গৈছিল । কিন্তু যিকোনো প্ৰকাৰে ঠিক মুহূৰ্ত্তত শ্ৰাদ্ধৰ কাম সম্পূৰ্ণ কৰিবই লাগিব । "দেউ, অহাকালি ৰাতিপুৱাতে আপুনি যাতে আপোনাৰ টকা দুৱাৰ মুখতে পাই মই তাৰে ব্যৱস্থা কৰিম । এতিয়া শ্ৰাদ্ধৰ কাম সম্পূৰ্ণ কৰক !" গোপালে পুৰোহিত কৈছিল ।

সেইয়া আছিল কঠালৰ বতৰ । শ্ৰাদ্ধ শেষ হোৱাৰ পিছত গোপালে আহি পিছ চোতালত দলিয়াই পেলোৱা কঠালৰ গুটিবোৰ বুতলি এখন থৈলাত ভৰাইছিল আৰু সেইবোৰ আনি ঘৰত ৰাখিছিল। "মই দুৱাৰ মুখত দিয়াৰ কথা কৈছিলো নহয় । ঠিক দুৱাৰ মুখতে তেওঁ পাব ।" গোপালে মুখেৰে ভোৰ ভোৰাই কৈছিল ।

মাজনিশা গোপালে কঠালৰ গুটি থকা থৈলাখন লৈ পুৰোহিতৰ ঘৰ পাইছিল আৰু শাৰী শাৰীকৈ কঠালৰ গুটিবোৰ পুৰোহিতৰ চোতালত ৰুই দিছিল । ৰাতিপুৱালৈ গুটি ৰোৱা কাম শেষ হৈছিল আৰু গোপালে পুৰোহিত উঠালৈকে বাট চাই আছিল ।

ৰাতিপুৱা পুৰোহিতে দুৱাৰ খুলিয়ে দেখিছিল গোপালে গুটি ৰোৱা ঠাইবোৰত একোটা খুটি পুতি আছে । পুৰোহিতে টোপনিৰ পৰা উঠা চকু মোহাৰি মোহাৰি সুধিছিল, “গোপাল, তুমি কি কৰি আছা ?”



“মোৰ স্বৰ্গগত দেউতাই আপোনাৰ পৰা ধাৰে নিয়া টকা আপোনাৰ দুৱাৰ মুখতে পৰিশোধ কৰাৰ কথা কৈছিলো, নহয়নে? গোপালে আগদিনাখনৰ কথা মনত পেলাই কৈছিল । “মই ইয়াতে বহুতো কঠালৰ গুটি ৰুইছো, তাৰ ভিতৰত প্ৰায়বোৰে...” গোপালে তেওঁৰ কথাটো শেষ কৰিবলৈ নাপালেই ।

“কিন্তু কঠালৰ গুটিতো আৰু টকা নহয়, গোপাল!” পুৰোহিতে কৈছিল । “দেউ, সেই-বোৰ যেতিয়া গছ হব আৰু তাত কঠাল লাগিব সেই কঠাল বিক্ৰী কৰি আপুনি বহুত টকা পাব । মই আপোনাক দুৱাৰ মুখতে টকা দি অহাৰ কথা কোৱা নাছিলো নে? সেয়ে আপোনাৰ চোতা-লতে গুটিবোৰ ৰুইছো।” গোপালে ইয়াকে কৈ পুৰোহিতে কিবা কোৱাৰ আগতে তাৰপৰা গুচি গৈছিল ।



হোলি

হোলিক কোৱা হয় ৰঙৰ উৎসৱ । এই উৎসৱে শীতৰ অন্ত আৰু বসন্তৰ আৰম্ভনি সূচায়। হিন্দু কেলেন্ডাৰ মতে এই উৎসৱ ফাগুন মাহৰ পূৰ্ণিমাত অনুষ্ঠিত হয় । গ্ৰেগোৰিয়ান কেলেন্ডাৰ মতে হোলি উৎসৱ হয় মাৰ্চ মাহত।

শীতকালৰ অন্ত পৰাৰ লগে লগে শস্য চপোৱা কামো শেষ হয় । এই সময়ত গছ লতিকাত নতুন কুঁহিপাত ধৰে, মানুহৰ বাবেও এইটো আনন্দ উৎসৱৰ সময় ।

তিনিদিন ধৰি অনুষ্ঠিত এই হোলি উৎসৱক ভাৰতৰ অতি ৰঙীণ আৰু প্ৰাণচঞ্চল উৎসৱ বুলি বিবেচনা কৰা হয় । এই উৎসৱত ডেকা-বুঢ়া সকলোৱে ইজনে সিজনৰ গালে গুলাল বা ফাকুগুড়ি চতিয়ায় । পৰস্পৰে পৰস্পৰৰ গালে ৰঙীণ পানী ফিচকাৰি মাৰি দিয়ে । কিছুমানে আকৌ বেলুনৰ ভিতৰত ৰঙীন পানী ভৰাই মানুহৰ গালে দলিয়াই দি আনন্দ কৰে ।

হোলি উৎসৱত মানুহে নাচ গান কৰি আনন্দ স্ফুৰ্ত্তি কৰে আৰু মানুহৰ মাজত মিঠাই বিতৰণ কৰে । এই উৎসৱ উপলক্ষে বিভিন্ন অঞ্চলত পৰম্পৰাগত মিঠাই তৈয়াৰ কৰে আৰু পুৰুষসকলে ভাং খায় ।

গোটেই উত্তৰ ভাৰততে উলহ মালহেৰে হোলি উৎসৱ পালন কৰা হয় । হোলিৰ আগদিনা মানুহবোৰ লগহৈ ৰাজহুৱা ঠাইত গোটাই থোৱা গছৰ শুকান ডাল পাতত জুই লগাই দিয়ে ।

অন্যান্য বহুতো উৎসৱৰ নিচিনাকৈ হোলি উৎসৱকো অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয় ৰূপে পালন কৰা হয় । এই উৎসৱৰ সৈতে জৰিত বহুতো পৌৰাণিক কাহিনী আৰু আখ্যান আছে।

এটা কাহিনী মতে, শ্ৰীকৃষ্ণৰ মোমায়েক কংসই শিশু কৃষ্ণক বধ কৰিবৰ কাৰণে পুতনা ৰাক্ষসীক পঠাইছিল । পুতনাই এজনী ধূনীয়া তিৰোতাৰ ৰূপ ধৰি যশোদাৰ ঘৰত গৈ উপস্থিত

হোলিকা আছিল দৈত্য ৰাজ হিৰণ্যকশিপুৰৰ ভনীয়েক। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ আছিল বিষ্ণু ভক্ত। হিৰণ্যকশিপুৱে এই কথাটো ভাল পোৱা নাছিল। দৈত্যৰাজে প্ৰহ্লাদক এই কাৰ্য্যৰ পৰা বিৰত কৰাব নোৱাৰি অৱশেষত তেওঁক বধ কৰিবলৈ বহুতো চেষ্টা কৰিছিল, কিন্তু কোনোটোতে ফলৱতী হোৱা নাছিল।

হোলিকাৰ এক উল্লেখযোগ্য শক্তি আছিল যে তাইক জুয়ে নোপোৰে। সেয়েহে এদিন তাই প্ৰহ্লাদক কোলাত লৈ জুইৰ মাজত প্ৰৱেশ কৰিছিল। কিন্তু কি আচৰিত, জুয়ে হলিকাক দাহন কৰিছিল আৰু প্ৰহ্লাদৰ গাত জুইৰ স্পৰ্শ লগাই নাছিল। সেই কাৰণে এই উৎসৱক অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয় হিচাবে পালন কৰা হয়।

হৈছিল। তাই শিশু কৃষ্ণক বিষ স্তন খুৱাই মাৰিব খুজিছিল, কিন্তু কৃষ্ণই তাইৰ প্ৰাণটোকে ছুহি লৈ আহিছিল।

ভাৰতৰ কিছুমান ঠাইত হোলিৰ আগদিনা ৰাতি পুতনা ৰাক্ষসীৰ প্ৰতিকৃতি দাহ কৰা হয়। কৃষ্ণৰ জন্মস্থান মথুৰাত আজিও আনকি পুতনাৰ প্ৰতিকৃতি দাহনেৰে হোলি উৎসৱ পালন কৰা হয়। কাহিনীত এইটোও পোৱা যায়, বসন্ত কালত কৃষ্ণই গোপিনীসকলেৰে সৈতে ফাকু খেলিছিল। মথুৰাৰ হোলি উৎসৱৰ অন্য এক আকৰ্ষণ হ'ল মাটিৰ কলহ ভঙা। কৃষ্ণই সৰু থাকোতে মাখন খাই খুব ভাল পাইছিল। তেওঁ লগৰীয়াসকলৰ কান্ধত উঠি প্ৰায়ে গোপিনীসকলে চিলিঙত ওলমাই থোৱা দৈ আৰু মাখনৰ পাত্ৰৰ পৰা মাখন চুৰি কৰি খাইছিল।

অন্য এটা কাহিনী মতে হোলি উৎসৱ হোলিকাৰ সৈতে যুক্ত বুলি কোৱা হৈছে।

হোলিৰ কাৰণে কেইটামান উপদেশ

- ✓ ৰং খেলাৰ সময়ত পুৰণি কাপোৰ পিন্ধিবা।
- ✓ কোনো ৰঙৰ গুড়ি যাতে চকুত নালাগে তাৰ বাবে সাৱধান হবা।
- ✓ কিবা কাৰণত চকুত ৰঙৰ গুড়ি পৰিলে তৎক্ষণাত ধুই দিবা।
- ✓ হোলি খেলাৰ পিছত পৰিষ্কাৰকৈ গা ধুবা।
- ✓ ভাল দোকানৰ পৰা ভাল ধৰণৰ ৰং কিনিবা।
- ✓ বেলুনত ৰঙীণ পানী ভৰাই কেতিয়াও ৰং নেখেলিবা।

জামচেদজী নভৰোজ

যিসকল পার্চিলোকে ফচলি কেলেন্ডাৰ মানি চলে, মহাবিষ্ণুবৰ সৈতে তেওঁলোকৰ নতুন বছৰ আৰম্ভ হয়। ২১ মার্চত এই উৎসৱ পালন কৰা হয়, যাক কোৱা হয় বসন্ত কালৰ আৰম্ভণি বুলি। নভৰোজ মানে নতুন দিন।

এই উৎসৱ পাৰস্যৰ ৰজা জামচেদৰ দিনৰ পৰা পালন কৰি অহা হৈছে। এই ৰজাজনেই পার্চি কেলেন্ডাৰত পদ্ধতিগতভাবে সৌৰ গণনা প্ৰবৰ্তন কৰিছিল। যিদিনাখন সূৰ্য্যই মেষ ৰাশিত প্ৰৱেশ কৰে সেইদিনাৰ পৰাই নতুন বছৰৰ আৰম্ভণি হয়। সেই দিনটোক 'নভৰোজ' বা 'জামচেদ নভৰোজ' বুলি কোৱা হয়। এই উৎসৱৰ এটা উল্লেখযোগ্য নিয়ম হ'ল, এই উৎসৱ উপলক্ষে ৰজাক সোণ আৰু ৰূপেৰে ওজন কৰা হয় আৰু সেইবোৰ দুখীয়া লোকৰ মাজত ভগাই দিয়া হয়।

উৎসৱৰ দিনা পার্চিসকলে নতুন কাপোৰ পিন্ধি মন্দিৰত পূজা কৰে, ৰাজহুৱা অনুষ্ঠানত যোগ দিয়ে আৰু ইজনে সিজনক ভোজৰ বাবে নিমন্ত্ৰণ কৰে। দানশীলতা পার্চিসকলৰ প্ৰধান গুণ বুলি বিবেচনা কৰা হয়। এই উৎসৱৰ সময়ত ৰজাই মুক্ত হস্তে দান কৰে।

গুড় ফ্ৰাইডে

গচপেল মতে ইষ্টাৰ দেৰ আগৰ শুক্ৰবাৰে যীশুখৃষ্টক ক্ৰুচবিদ্ধ কৰা হৈছিল। সেই কাৰণে সেই দিনটো গুদ ফ্ৰাইডে বা শুভ শুক্ৰবাৰ হিচাবে পালন কৰা হয়। এইটো এটা শোক দিবস।

সেইদিনা আবেলি তিনি বছৰ বয়সত যীশুখৃষ্টৰ ক্ৰচত মৃত্যু হৈছিল বুলি বিশ্বাস কৰা হয়। কেথলিক গীৰ্জাবোৰত যীশুখৃষ্টৰ দেহটো ক্ৰুচৰ পৰা গুচাই দিয়া উপলক্ষে সেই সময়ত এটা উৎসৱ পালন কৰা হয়। সেইদিনা গীৰ্জাবোৰত কোনো বেল বজোৱা নহয়।

কিছুমান গীৰ্জাত শোকাৰ্ত লোকসকলে ক'লা পোচাক পিন্ধি যীশুখৃষ্টৰ প্ৰতিকৃতি লৈ শোভাযাত্ৰা উলিয়াই আৰু আনুষ্ঠানিক ভাবে কবৰ দিয়া কাম সমাধা কৰে। গুড ফ্ৰাইদেৰ দিনাখন সকলো খৃষ্টিয়ানলোকে উপবাসে থাকে।

মহৰম



মুছলমান সকলে মহৰম মাহৰ দশম দিনাখন মহৰম উৎসৱ পালন কৰে । প্ৰফেট মহম্মদৰ নাতি, হুছেন শ্বহীদ হোৱা উপলক্ষে এই স্মৃতি উৎসৱ পতা হয় । সেইদিনা শোকদিবস পালন কৰা হয় ।

প্ৰফেট মহম্মদৰ মৃত্যুৰ পিছত খালিফা পদৰ কাৰণে এজন উত্তৰাধিকাৰীৰ আৱশ্যক হৈছিল । প্ৰফেটৰ কোনো পুত্ৰ নাছিল আৰু তেওঁ উত্তৰাধিকাৰীৰ কথাও কৈ যোৱা নাছিল। তেওঁৰ একমাত্ৰ জীয়ৰী ফাতেমাৰ আলিৰ লগত বিবাহ হৈছিল । তেওঁলোকৰ হাছান আৰু হুছেন নামৰ দুজন পুত্ৰ আছিল।

প্ৰফেটৰ মৃত্যুৰ পিছত তিনিজন খলিফাৰ কাল শেষ হোৱাৰ পিছত আলি চতুৰ্থ খলিফা নিৰ্বাচিত হৈছিল । বহুতোলোক আলি খলিফা হোৱাৰ বিৰুদ্ধে আছিল । আলিক বধ কৰা হৈছিল আৰু তেওঁৰ পুত্ৰ হাছানে সেই পদত অধিষ্ঠিত হৈছিল । আলিৰ আনজন পুত্ৰ হুছেনক কাৰবালাৰ যুদ্ধত মহৰম মাহৰ দশম দিনাখন অতি শোকবহভাৱে শত্ৰুয়ে বধ কৰিছিল ।

মুছলমান সকলে সেইদিনা তাজিয়া লৈ শোক মিচিল উলিয়ায় । মিচিলত অংশ গ্ৰহণকাৰী লোকসকলে নিজৰ গাত নিজে কোবাই বা বুকুত থপৰীয়াই মুকলিভাৱে শোক প্ৰকাশ কৰে । মিচিলৰ অন্তত তাজিয়াবোৰ কবৰ দিয়া হয় অথবা নদী বা সাগৰত উটুৱাই দিয়া হয় । শোকজনক নাটক অভিনয় কৰি দেখুৱাতোও মহৰম পালনৰ এক অংশ ।

মহৰম মাহৰ প্ৰথম দহ দিন মুছলমান সকলে উপবাসে থাকি, শোক পালন কৰি আৰু প্ৰাৰ্থনা কৰি কটায় ।

পঞ্জাবৰ লোক কথা

পঞ্চনদীৰ দেশ পঞ্জাব ৰাজ্যখন ভাৰতৰ উত্তৰ পশ্চিমত অৱস্থিত । পঞ্জাব শব্দটো আহিছে পাঞ্জ অৰ্থাৎ পাঁচ আৰু অব অৰ্থাৎ পানী বা নদী, তাৰমানে পাঁচটা নদীৰ দেশ । এই পাঁচটা নদী হ'ল -বীচ, সুতলেজ, ৰবি, চেনাব আৰু ঝিলাম । কিন্তু পঞ্জাব ৰাজ্যখন ভাগ হৈ যোৱাৰ বাবে বৰ্ত্তমান ভাৰতৰ পঞ্জাৱত মাত্ৰ দুটা নদীহে আছে । সেই নদী দুটাৰ নাম হ'ল - সুতলেজ আৰু বীচ ।

পঞ্জাৱৰ উত্তৰে আছে জম্মু আৰু কাশ্মীৰ, পূবে হিমাচল প্ৰদেশ, দক্ষিণে হাৰিয়ানা আৰু ৰাজস্থান আৰু পশ্চিমে পাকিস্তান । চণ্ডিগড় চহৰখন পঞ্জাব আৰু হাৰিয়ানা উভয় ৰাজ্যৰে প্ৰাশাসনিক ৰাজধানী । পঞ্জাব ৰাজ্যখনৰ আয়তন ৫০,০০০ বৰ্গ কি.মি. আৰু ইয়াৰ জনসংখ্যা ২৪,২৮৯,৩০০ জন । পঞ্জাৱৰ ৰাজ্যিক ভাষা পাঞ্জাৱী আৰু ইয়াৰ লিপি গুৰুমুখি ।

ভাৰতৰ পঞ্জাৱখন আকৌদুভাগ হৈ পঞ্জাব আৰু হাৰিয়ানা নামৰ দুখন পূৰ্ণ ৰাজ্য গঠন হয় । বৰ্ত্তমান পঞ্জাব ৰাজ্যখন গঠন হয় ১৯৬৬ চনৰ ১ নৱেম্বৰত ।

ভাৰতৰ পঞ্জাব ৰাজ্যখনেই হ'ল প্ৰথম ৰাজ্য যিয়ে কৃষি প্ৰযুক্তিক হৰিৎ বিপ্লৱলৈ ৰূপান্তৰিত কৰিছিল। দুগ্ধ উৎপাদনৰ ক্ষেত্ৰতো এই ৰাজ্যখন অন্য ৰাজ্যৰ তুলনাত আগবঢ়া।

সাত ৰাজকুমাৰ

এসময়ত সতিন্দৰ নামৰ এজন ৰজা আছিল। তেওঁৰ সাতজন পুত্ৰ আছিল । তেওঁৰ ওচৰৰ ৰাজ্যখনতে ভাতিন্দৰ নামৰ অন্য এজন ৰজাই ৰাজত্ব কৰিছিল । সেই ৰজাৰ সাতজনী কন্যা আছিল । সতিন্দৰৰ পুত্ৰসকলৰ বিয়াৰ বয়স হোৱাত ৰাজাই ভাবিছিল তেওঁলোকৰ বিবাহ সাতজনী ৰাজকুমাৰীৰ লগত পাতি দিব পাৰিলে ভাল হব। সেয়েহে তেওঁ তেওঁৰ সাতজন পুত্ৰৰ কাৰণে ভাতিন্দৰৰ সাতজনী ৰাজকুমাৰীৰ পাণি প্ৰাৰ্থনা কৰি ভাতিন্দৰৰ ওচৰলৈ এজন বিশ্বাসী কটকী পঠাইছিল । কটকীৰ কথা শুনি ভাতিন্দৰ

চক্খাই উঠিছিল । তেওঁ কল্পনাই কৰা নাছিল যে তেওঁৰ সাতজনী কন্যাক একেলগে সাতজন ৰাজকুমাৰৰ লগত বিয়া দিব পাৰিব । তেওঁ এক কথাতেই সন্মত হৈছিল ।

কিন্তু সতিন্দৰৰ সপ্তম পুত্ৰ ৰাজেন্দৰ অলপ বেলেগ ধৰণৰ আছিল । তেওঁ ভাবিছিল, 'মোৰ ভ্ৰাতৃসকলে বিয়া পাতিলে বুলিয়েই ময়ো বিয়া কৰাম নে ?' গতিকে তেওঁ দেউতাকক কৈছিল যে তেওঁ এতিয়াই বিয়া কৰাব খোজা নাই ।

"আৰে বাচা, এই বুঢ়া বয়সত তুমি মোক কিয় কষ্ট দিব খুজিছা ? ছোৱালীজনী খুব ভাল ! তাইক বিয়া কৰোৱা !" তেওঁৰ দেউতাকে তেওঁক বুজাবলৈ অশেষ চেষ্টা কৰিছিল । কিন্তু ৰাজেন্দৰ তেওঁৰ সিদ্ধান্তত অলৰ আছিল ।

অৱশেষত সতিন্দৰৰ সাতজন পুত্ৰৰ লগত ভাতিন্দৰৰ সাতজনী কন্যাৰ বিয়া হৈ গৈছিল । সপ্তমজনী ৰাজকুমাৰী মাক দেউতাকৰ লগতে আছিল । বাকী ছয়জনী ৰাজকুমাৰীক প্ৰথা অনুসৰি তেওঁলোকৰ স্বামীৰ ঘৰলৈ পঠাই দিছিল ।

ছয়োজনী ৰাজকুমাৰীয়ে তেওঁলোকৰ সৰু ভনীয়েকজনীৰ বিয়া ৰাজেন্দৰৰ লগত পতাৰ বাবে চেষ্টা কৰি গৈছিল । প্ৰথমতে ডাঙৰজনীয়ে তেওঁক বুজাবলৈ চেষ্টা কৰিছিল, কিন্তু ৰাজেন্দৰ তেওঁৰ কথাত অসন্মত হোৱাত ডাঙৰবৌয়েকে খঙতে কৈছিল, "তেতিয়াহলে তুমি কাক বিয়া কৰাবা ? আনাৰকলিক বিয়া কৰাবা ? তাইক তুমি ক'ত বিচাৰি পাবা ?"

অন্য বৌয়েক কেইজনীয়েও ৰাজেন্দৰক ঠাট্টা কৰি কৈছিল, "অ' তেতিয়াহলে তুমি আনাৰকলিকহে বিয়া কৰাবা ?"

বৌয়েকহঁতৰ কথাত ৰাজেন্দৰৰ খং উঠিছিল। সি দেউতাকক কৈছিল, "মই ঘৰৰ পৰা ওলালো, আনাৰকলিক বিচাৰি নোপোৱা পৰ্যন্ত মই আৰু ঘৰলৈ ঘূৰি নাহো ।"

মাক দেউতাকে তেওঁক বুজাইছিল,

ককায়েকহঁতেও সৰু ভায়েকৰ ওপৰত খং কৰিছিল । কিন্তু তেওঁলোকৰ কোনো কথাই কাম নিদিলে । ৰাজেন্দৰে তেওঁৰ বগা ঘোঁৰাটো লৈ আনাৰকলিক বিচাৰি ওলাই গৈছিল । কিন্তু আনাৰকলিক বিচাৰিয়ে বা কলৈ যাব, সঁচাকৈয়ে আনাৰকলি আছে নে নাই তাকো তেওঁ নাজানিছিল ।

ৰাজেন্দৰে বহু দূৰ ঘোঁৰাত উঠি গৈ আছিল। গৈ গৈ তেওঁ এখন বাগিছা দেখিবলৈ পাইছিল। বাগিছাখন শুকান ধৰণৰ আছিল । তেওঁৰ ভাগৰ লগাত তেওঁ ঘোঁৰাৰ পৰা নামি এডাল গছৰ তলত জিৰণি লৈ শুই পৰিছিল । যেতিয়া তেওঁ টোপনিৰ পৰা সাৰ পাইছিল তেতিয়া সন্ধিয়া হৈছিল । তেওঁ বাগিছাখনৰ চাৰিওফালে খোজকাঢ়ি ফুৰি থাকোতে এঠাইত এটা ডাঙৰ পুখুৰী দেখা পাইছিল। সেইটো পানীৰে ওপচি আছিল আৰু তাৰ পাৰত কিছুমান পাত্ৰ আছিল । তেওঁ সেই পুখুৰীটোৰ পৰা পানী খাইছিল আৰু শুকান গছবোৰতো পানী দিয়াৰ কথা ভাবিছিল ।

বল্লে বল্লে !

পঞ্জাবৰ প্ৰায় একেধৰণৰ দুটা লোকনৃত্য আছে -- গিড্ডা আৰু ভাংৰা। পুৰণি কালত শস্য চপোৱাৰ পিছত বৈশাখীৰ (১৩ এপ্ৰিল) সময়তহে ভাংৰা নাচ নচা হৈছিল । কিন্তু আজিকালি বিবাহ, নৱবৰ্ষ পালন, জন্মদিন পালন আদি সকলো সামাজিক অনুষ্ঠানতে ভাংৰা নৃত্য পৰিবেশন কৰা হয় ।

এই নৃত্যৰ প্ৰধান আকৰ্ষণ হ'ল নৃত্য আৰু সঙ্গীতৰ খৰগতি । ঢোল, এই নৃত্যৰ এক অবিশ্চেদ্য অঙ্গ । পঞ্জাবৰ লোক কাহিনীৰ আধাৰত ইয়াৰ গীতবোৰ ৰচিত ।

তাৰপাছত তেওঁ বাগিছাত ঘূৰি ফুৰোতে এজন সন্তক এটা গভীৰ গৰ্তৰ ভিতৰত বহি থকা দেখিবলৈ পাইছিল ।

দৰাচলতে সেই বাগিছাখন সন্তজনৰে আছিল । ছমাহ তেওঁ বাগিছাখন তদাৰক কৰে আৰু ছমাহ গৰ্তৰ ভিতৰত থাকে । যেতিয়া তেওঁ গৰ্তৰ ভিতৰৰ পৰা ওলাই আহে তেওঁ আকৌ নতুনকৈ বাগিছাখন পৰিচৰ্যা কৰে । সন্তজনে চকু নেমেলালৈকে ৰাজেন্দৰে তাতে অপেক্ষা কৰি বৈ আছিল । তেওঁ ভাবিছিল, সন্তজনে হয়তো আনাৰকলি ক'ত আছে জানিবও পাৰে ।

কিছুদিন পিছত ৰাজকুমাৰে বাগিছাখনৰ প্ৰতি লোৱা যত্নই ফল ধৰিছিল । সকলোবোৰ ফুলৰ গছতে সুগন্ধি ফুল ফুলিছিল আৰু বাগিছাখন দেখিবলৈ ধুনীয়া হৈ উঠিছিল ।

এদিনাখন সন্তজনে গাঁতৰ ভিতৰৰ পৰা ওলাই আহি চকু মেলি চাইছিল । তেওঁ বাগিছাখনৰ সৌন্দৰ্য্য দেখি মোহিত হৈছিল । ঠিক সেই সময়তে ৰাজকুমাৰে হাতত এটা পানীৰ পাত্ৰ লৈ তাত উপস্থিত হৈছিল । তেওঁ দেখিবলৈ পাইছিল সন্তজন গাঁতৰ পৰা ওলাই আহিছে । তেওঁ সন্তৰ ওচৰত আঠু লৈছিল ।

"বাচা, তুমিয়ে এইকেইদিন বাগিছাখনৰ পৰিচৰ্যা কৰা নাই জানো ?" সন্তজনে কৈছিল ।

"হয়, কিন্তু মইতো গছপুলিবোৰত পানী দিয়াৰ বাহিৰে তাৰ বেচি একো কৰা নাই ।" ৰাজকুমাৰে অতি বিনীতভাবে কৈছিল ।

"তুমি এজন ভাল মানুহ । মই তোমাৰ ব্যৱহাৰত সন্তুষ্ট হৈছো । তুমি যি বিচৰা মই তাকেই দিম ।" সন্তই কৈছিল ।

ৰাজেন্দৰে সাধুজনক ধন্যবাদ জনাই কৈছিল, "মই এজন ৰাজকুমাৰ, মোৰ ঘৰত ধন সম্পদ যথেষ্ট আছে । মই আনাৰকলিক বিচাৰিহে আহিছো । আপুনি যদি আনাৰকলি ক'ত আছে কৈ দিয়ে মই আপোনাৰ প্ৰতি যথেষ্ট কৃতজ্ঞ হম ।"

"তুমি এই বলটো লৈ ৰাস্তাত বলটো মাৰি

দিবা, বলটো গৈ এডাল ডালিম গছৰ তলত ৰৈ যাব । তেতিয়া তুমি সই গছডালাত লাগি থকা আতাইতকৈ ডাঙৰ ডালিমটো চিঙি আনিবা । তাতেই তোমাৰ আনাৰকলিক পাবা । তুমি ঘৰ গৈ নোপোৱালৈকে ফলটো নাকাটিবা, অন্যথা তুমি তাইক হেৰুৱাবা ।" সাধুজনে কৈছিল ।

সাধুজনে কোৱা মতে ৰাজকুমাৰে ডাঙৰ ডালিমটো চিঙিলৈ ঘৰলৈ গৈছিল । তেওঁ ঘৰৰ ওচৰ পাওঁ পাওঁ হওঁতে এখন বাগিছাত গৈ জিৰনি লৈছিল । তাতেই তেওঁৰ হঠাতে মনত খেলাইছিল, ফলটোৰ ভিতৰত হয়তো আনাৰকলি নাথাকিবও, তেতিয়া ঘৰৰ আটাইৰে চকুত মূৰ্খ হিচাবে পৰিচিত হব লাগিব । গতিকে তেওঁ তাতেই ফলটো কাটি চালে । সেই ফলটোৰ পৰা তৎক্ষণাত সেউজীয়া আৰু সোণালী ৰঙৰ কাপোৰ পিন্ধি আৰু গলত এধাৰ মণি পিন্ধি এজনী ধুনীয়া ছোৱালী ওলাই আহিছিল । তাই অতি ধীৰে ধীৰে উশাহ লৈছিল আৰু অলপ পিছতে ৰাজকুমাৰ মূৰ্চা গৈছিল । আনাৰকলিয়ে ৰাজকুমাৰৰ মূৰটো কোলাত লৈ জ্ঞান অহালৈকে অপেক্ষা কৰি আছিল ।

ঠিক সেই সময়তে হৰপীত নামৰ ছোৱালী এজনী তাত উপস্থিত হৈছিল । "হে ৰূপৱতী কন্যাজনী, তুমি কোন ? তুমি ইয়াতে কি কৰি আছা ?" তেওঁ আনাৰকলিক সুধিছিল ।

তেতিয়া আনাৰকলিয়ে ছোৱালীজনীক সকালো কথা কৈছিল । "ৰাজকুমাৰ মূৰ্চা যোৱাৰ আগতে তেওঁ মাথোঁ মোক এক মুহূৰ্ত্তৰ কাৰণে দেখিছিল। মই তেওঁৰ জ্ঞান অহালৈকে অপেক্ষা কৰি আছো।" আনাৰকলিয়ে কৈছিল ।

হৰপীতে আচলতে ৰাজকুমাৰক বিবাহ কৰাব খুজিছিল । গতিকে তাই বুদ্ধি কৰি আনাৰকলিৰ কাপোৰ আৰু গহনা পিন্ধিব খুজিছিল ।

"বাঃ তুমি পিন্ধা কাপোৰ যোৰ কি ধুনীয়া ।

তোমাৰ গহনাবোৰো অতি সুন্দৰ । তুমি অলপ সময়ৰ কাৰণে মোৰ কাপোৰ আৰু গহনাৰ সৈতে সালসলনি কৰিবা নে ? মই আগতে ইমান ধুনীয়া কাপোৰ কেতিয়াও দেখা নাই । মই এবাৰ পিন্ধি চাব খুজিছিলো মোক কেনে দেখি ।" এইবুলি হৰপীতে আনাৰকলিৰ কাপোৰ সাজ পিন্ধিছিল ।

"মই এই ধুনীয়া কাপোৰ সাজেৰে দেখিবলৈ কেনেকুৱা হৈছো ? এই বাগিছাৰ ভিতৰতে এটা কুঁৱা আছে । তাৰ পানীত মই মোৰ প্ৰতিচ্ছবি চাব খোজো । তুমিও মোৰ লগত যাবা নে ?" হৰপীতে কৈছিল ।

তেওঁলোক দুয়ো কুৱাটোৰ ওচৰলৈ গৈ ভূমুকি মাৰি চাইছিল । যেতিয়া আনাৰকলিয়ে পানীৰ ফালে চাই আছিল হৰপীতে হঠাতে তেওঁক কুঁৱাটোত থেলা মাৰি দিছিল । তাৰপাছত তাই মূৰত ওৰণী লৈ ৰাজকুমাৰৰ কাষত বহি আছিল। ৰাজকুমাৰে যেতিয়া জ্ঞান ফিৰাই পাইছিল, তাই কৈছিল যে তায়ে আনাৰকলি । তেতিয়া ৰাজকুমাৰৰ অলপ সন্দেহ হৈছিল, কাৰণ ৰাজকুমাৰৰ মনত পৰা মতে এইজনী সিমান ধুনীয়া নহয় । কিন্তু তাত আৰু আন

কোনো নথকা বাবে ৰাজকুমাৰে তাইকে তেওঁৰ লগত ঘৰলৈ লৈ গৈছিল ।

তেওঁলোক দুয়োকে ঘৰলৈ আদৰি লৈ যোৱা হৈছিল । তেওঁলোকৰ বিয়া পাতি দি এটা ধুনীয়া ঘৰত থাকিবলৈ দিয়া হৈছিল । অতি সোনকালে ৰাজ্যত বিয়পি পৰিছিল যে কুঁৱাটোত এটা ধুনীয়া ফুল ফুলিছে, য'ত হৰপীতে আনাৰকলিক থেলা মাৰি দিছিল । মানুহে কোৱাকুই কৰিছিল যে, ফুলটো কোনেও চিঙিব নোৱাৰে । হৰপীতেও এই কথাটো শুনিছিল । পিছদিনা ৰাতিপুৱা হৰপীতে মূৰৰ বিষ উঠা বাবে শুই আছিল ।

"কি কৰিলে তোমাৰ অসুখ ভাল হব ?" ৰাজেন্দৰে হৰপীতক সুধিছিল ।

"কুঁৱাটোত যে ফুলটো ফুলিছে সেইটো চিঙি আনি তাৰ পাহিবোৰ বাটি মোৰ কপালত লেপন দিয়া ।" হৰপীতে কৈছিল ।

ৰাজেন্দৰে গৈ ফুলটো আনি সেইটো বাটি পত্নীৰ কপালত প্ৰলেপ দিয়াত তৎক্ষণাত মূৰৰ বিষ ভাল হৈ গৈছিল । তাৰপাছত তেওঁ কাপালৰ প্ৰলেপখিনি গুচাই প্ৰাসাদৰ চোতালৰ ফালে দলিয়াই দিছিল ।

অতি সোনকালে প্ৰাসাদৰ চোতালাত এখন বাগিছা তৈয়াৰ হৈছিল, য'ত হৰপীতে কপালত সনা লেপনখিনি পেলাই দিছিল । বাগিছাৰ সোমাজতে এডাল ডালিম গছ গজি উঠিছিল আৰু তাত বহুতো ডালিম লাগি আছিল ।

কেইদিনমান পিছত ৰাজেন্দৰৰ পত্নী যেতিয়া বাহিৰলৈ গৈছিল তেওঁ প্ৰাসাদৰ চোতালত ধুনীয়া বাগিছাখন দেখিবলৈ পাইছিল আৰু সেই বাগিছাত ডালিম লাগি থকা দেখি চক্ খাই উঠিছিল । তৎক্ষণাত হৰপীতে ঘৰলৈ গৈ নিজৰ বিচনাত পৰি কেঁকাই আছিল । "অঃ'! মই বিষত তৎ নোপোৱা হৈছো, প্ৰাসাদৰ চোতালৰ বাগিছাৰ গছবোৰ উভালি নেপেলালে মোৰ বিষ ভাল নহব ।" হৰপীতে সেহাই সেহাই ৰাজেন্দৰক কৈছিল ।

তেতিয়া ৰাজেন্দৰে ঘোষণা কৰিছিল যে, যিয়ে ইচ্ছা কৰে তেওঁ প্ৰাসাদৰ বাগিছাৰ পৰা ফুল ফলৰ গছবোৰ লৈ যাব পাৰে ।

সকলোবোৰ মানুহেই ফুল আৰু গছপুলিবোৰ নিবলৈ বাগিছালৈ দৌৰি আহিছিল।

শেষত আহিছিল এজন ডেকা ল'ৰা । তেওঁ মাথোঁ গছত লাগি থকা এটা ডাঙৰ ফল পাইছিল। তেওঁ সেইটো চিঙি ঘৰলৈ লৈ গৈ মাকক থবলৈ দিছিল । ৰাতি তেওঁলোকে আহাৰ খাই উঠাৰ পিছত মাকে ফলটো কাটিবলৈ উলিয়াই আনিছিল। ফলটো কটাৰ লগে লগে তাৰ

হস্ত আৰু বয়ন শিল্প

পঞ্জাৱ ৰাজ্যখন হস্তশিল্পৰ বাবে অতি বিখ্যাত । ইয়াৰ ছোৱালীবোৰে মজিয়াত পৰা আকৰ্ষণীয় দুৰিবোৰ পৰম্পৰাগত আৰ্হিৰে বয় । পঞ্জাৱৰ হস্তশিল্পৰ অন্য এক আকৰ্ষণ হ'ল বেজী সূতাৰ কাম । স্থানীয় ভাষাত ইয়াক ফুলকাৰী বুলি কোৱা হয় । কাঠৰ ওপৰত খোদাই কৰা শিল্পৰ বাবেও পঞ্জাৱ অতি বিখ্যাত ।



ভিতৰৰ পৰা আনাৰকলি ওলাই আহিছিল ।

"তোমালোকে ভয় নাখাবা । মোক তোমাৰ তেলনীয়া জী কৰি ৰাখা । মই তোমালোকৰ কামত সহায় কৰি দিম ।" আনাৰকলিয়ে বুঢ়ীক কৈছিল।

ধুনীয়া মৰমলগা ছোৱালীজনী দেখি মাক পুতেকৰ মনত ভাল লাগিছিল আৰু তেওঁৰ কথাত সন্মত হৈছিল ।

পিছদিনাখন ৰাজকুমাৰী আনাৰকলিয়ে এটুকুৰা কাপোৰ আনি তাত ধুনীয়াকৈ সূতাৰে ফুল তুলি ৰুমাল তৈয়াৰ কৰিছিল ।

"এই ৰুমালখন ৰাজকুমাৰ ৰাজেন্দৰৰ ওচৰলৈ লৈ গৈ তেওঁৰ তাত বিক্ৰী কৰা । তেওঁ ভাল দাম দিব ।" ৰাজকুমাৰীয়ে ল'ৰাজনক কৈছিল ।

ল'ৰাজনে তাকেই কৰিছিল । ধুনীয়া ফুলতোলা ৰুমালখন দেখি ৰাজকুমাৰ অতিকৈ আকৰ্ষিত হৈছিল আৰু ল'ৰাজনক সুধিছিল এইখন কোনে তৈয়াৰ কৰিছে । "মোৰ ভনীজনীয়ে," ল'ৰাটোৱে কৈছিল ।

"যিয়ে ইমান ধুনীয়াকৈ ৰুমালত ফুল তুলিব পাৰে তেওঁও নিশ্চয় ধুনীয়া আৰু মৰম লগা হব।" ৰাজকুমাৰে মনতে ভাবিছিল ।

"মই তোমাৰ ভনীয়েৰাক লগ পাব খোজো। তুমি মোক তোমাৰ ঘৰলৈ লৈ যাব পাৰিবানে?" ৰাজকুমাৰে সুধিছিল ।

ল'ৰাজনে ৰাজকুমাৰৰ কথাত সন্মতি জনাই তেওঁক নিজৰ ঘৰলৈ লৈ গৈছিল । ৰাজকুমাৰে তৎক্ষণাত আনাৰকলিক চিনিব পাৰিছিল আৰু ল'ৰাজনৰ মাকৰ অনুমতি লৈ তাইক বিয়া কৰাইছিল । তাৰপাছত ৰাজকুমাৰে আনাৰকলিক ৰাজপ্ৰাসাদলৈ লৈ আহি হৰপীতক ৰাজ্যৰ পৰা বাহিৰ কৰি দিছিল ।

ৰাজকুমাৰ ৰাজেন্দৰ আৰু আনাৰকলিয়ে সুখেৰে জীৱন যাপন কৰিছিল ।

ভ্ৰমণ স্থান

শিখসকলৰ কাৰণে অমৃতসৰ এখন পবিত্ৰ চহৰ । এই চহৰখনৰ নামটো অমৃত সৰৰ পৰা আহিছে । ইয়াৰ অৰ্থ অমৃতৰ পুখুৰী । এই চহৰখন নিৰ্মাণ কৰিছিল চতুৰ্থ শিখগুৰু, গুৰু ৰামদাসে । অমৃতসৰৰ স্বৰ্ণ মন্দিৰটো শিখসকলৰ কাৰণে অতিকৈ পবিত্ৰ ধৰ্মস্থান । এই মন্দিৰৰ ওপৰৰ চূড়াটো সোণৰ পাতেৰে তৈয়াৰী, সেয়েহে ইয়াৰ নাম স্বৰ্ণ মন্দিৰ । ১৯১৯ চনত বৃটিছসকলে নৃশংস হত্যাকান্ড চলোৱা স্থান জালিৱনৱালা বাগ ইয়াৰ ওচৰতে অৱস্থিত ।

চন্ডিগড় চহৰখনেই সম্ভবতঃ ভাৰতৰ ভিতৰত অতি পৰিকল্পিতভাৱে নিৰ্মাণ কৰা আধুনিক চহৰ । এই চহৰৰ আৰ্হি প্ৰস্তুত কৰিছিল ফৰাচী স্থপতি লা কোৰাবুচিয়েৰ (le corbusier)-এ । এই ৰাজধানী চহৰখনৰ প্ৰধান আকৰ্ষণ হ'ল --ৰক গাৰ্ডেন, ৰোজ গাৰ্ডেন আৰু পিঞ্জোৰ গাৰ্ডেন ।

চতুৰ ঘনচিৰিকা

মাক ঘনচিৰিকাজনীয়ে তাইৰ আতাইতকৈ সৰু পোৱালিটোৰ ফালে সন্দেহজনকভাবে চাইছিল। বাকী আটাইবোৰ পোৱালিয়ে নিজৰ আহাৰ বিচাৰি বাহৰ পৰা উৰি গৈছিল। মাথোঁ এই অকণমাণি পোৱালিটোহে বাহত আছিল। মাকজনীয়ে যেতিয়া তাইৰ সেই অকণমাণি পোৱালিটোৰ শান্ত ঘূৰণীয়া চকুজুৰিৰ ফালে চাইছিল তাই বিশ্বাসেই কৰা নাছিল, সি যে কেতিয়াবা নিজে আহাৰ বিচাৰি খাব পৰা হব।

ঘনচিৰিকাজনীয়ে এটা দীঘল হুমুনিয়াহ কাঢ়িছিল। বাকীবোৰতো উৰিব পৰা হলেই। ইয়াকো উৰিবলৈ শিকাব লাগিব।

মাকজনীয়ে অতি মৰমেৰে কৈছিল, "আহা বাচা, তুমি উৰিবলৈ শিকাৰ এইটোৱে সময়!"

"হব মা।" এইবুলি ঘূৰণীয়া চকুৰমণিটো ঘূৰাই সি অতি শান্তভাবে উত্তৰ দিছিল।

সি অতি সোনকালে উৰিব পৰা হৈছিল আৰু প্ৰতিদিনে অলপ দূৰ অলপ দূৰ কৈ আগবাঢ়ি গৈছিল। তাৰপাচত সি অকলে গোটেই গাওঁখনতে উৰি ফুৰিব পৰা হৈছিল।

তাক দেখি মাকজনী সন্তুষ্ট হৈছিল। অৱশেষত সি উৰিব পৰা হ'ল। কিন্তু সি অতি সহজতে পৃথিবীৰ বাটবোৰ চিনিব পাৰিব নে? তাইৰ সন্দেহ হৈছিল। সেয়েহে তাই তাক নিজৰ লগত লৈ পথবোৰ চিনাকি কৰি দিব বিচাৰিছিল, ভৱিষ্যতে যাতে সি অকলেই উৰিব পাৰে।

"এতিয়া তুমি নিজে নিজে চলিব লাগিব। তাৰ কাৰণে মই তোমাক কেইটামান উপদেশ দিও, মন দি শুনিবা।" মাকে কৈছিল "যদি তুমি পথাৰত থাকোতে কোনো মানুহে ধনু শৰ লৈ অথবা কোনো ল'ৰাই বাটলু গুটি লৈ তোমাৰ ফালে আহি থকা দেখা তেতিয়া তুমি তৎক্ষণাত উৰি যাবা! নহলে সেইবোৰ তোমাৰ ফালে নিক্ষেপ কৰিব।"

"ঠিক আছে মা!" অকণমানি পোৱালিটোৱে মূৰটো লৰাই কৈছিল।

"যদি তোমাৰ ওচৰতে থিয় হৈ থকা মানুহে হঠাতে মাটিৰ ফালে হালি যায় তেতিয়া তুমি বেগাই উৰি যাবা! সেই মানুহজনে হয়তো তোমাক মাৰিবলৈ শিলগুটি এটা বুতলি লবও পাৰে!"

"হয়, মা," ঘনছিৰিকাৰ পোৱালিটোৱে কৈছিল।

"যিজনৰ হাতত কোনো বস্তু নাথাকে অথবা যিজনে তোমাক দেখি তলফালে নাহালে তেওঁলোকক ভয় কৰাৰ প্ৰয়োজন নাই।" মাকে কৈ গৈছিল।

"যদি কোনোবাই চোলাৰ মোনাত শিলগুটি লৈ আছে?" অকণমাণি পোৱালিটোৱে মাকক সুধিছিল।

মাকে অলপ সময় মৌন হৈ থাকি কৈছিল, "যি দেখিছো তুমি মোতকৈও বেচি জানা। তুমি বাচি থাকিব পাৰিবা! আজিৰ পৰা তোমাক অকলে এৰিলো।"

গণেশ

ব্ৰহ্মাৰপৰা বৰ লাভ কৰি তাৰকাসুৰে প্ৰায় অমৰত্ব লাভ কৰা হ'ল । ত্ৰিপুৰাসুৰ নামৰ ৰাক্ষসেও তপস্যা কৰি বৰলাভ কৰি আকাশত তিনিখন উৰন্ত নগৰ সাজি ত্ৰিলোকত দপদপাই ফুৰিবলৈ ধৰিলে ।

কেৱল দেৱাদিদেৱ শিৱইহে এই অত্যাচাৰী ৰাক্ষসহঁতক সংযত কৰিব পাৰিব বুলি ভাবি দেৱতাসকলে শিৱৰ ধ্যান কৰিবলৈ ধৰিলে । শিৱ সদ্যবিবাহিত । গতিকে এনে সময়তে তেওঁক দেৱতাসকলে বিব্ৰত কৰাত শিৱ ক্ষুণ্ণ হ'ল। যদিও ত্ৰিপুৰাসুৰৰ অতপালি বাঢ়ি যোৱাত তাক স্তব্ধ কৰিবলৈ ত্ৰিশূলপাত লৈ শিৱ বাধ্যত পৰি ওলাল । শিৱৰ লগে লগে তেওঁৰ অনুচৰসকলো গৈ থাকিল ।

ঠিক তেতিয়াই এটা ৰাক্ষসে হস্তীৰ ৰূপ লৈ বীভৎস আচৰণ কৰিবলৈ ধৰিলে । ৰাক্ষসটোৱে হস্তীৰ ৰূপ গ্ৰহণ কৰাত তাৰ নাম হ'ল গজাসুৰ । ৰাক্ষস গজাসুৰ আছিল শিৱৰ ভক্ত । শিৱ বিনে আন কোনেও গজাসুৰক বধ কৰিব নোৱাৰে ।

"হেৰা গজাসুৰ, তুমি যদি শিৱক তোমাৰ ভিতৰত ধাৰণ কৰিব পাৰা তেনেহ'লে শিৱই তোমাক বধ কৰিব নোৱাৰিব । তুমি প্ৰকৃততেই অমৰত্ব লাভ কৰিবা ।" নাৰদে গজাসুৰক ক'লে ।

নাৰদৰ বুদ্ধিত গজাসুৰে কঠোৰ তপস্যা কৰি শিৱক তুষ্ট কৰিলে । শিৱই তাৰ বুকুত লিংগৰূপে অৱস্থান কৰিবলৈ বাধ্য হ'ল । দেৱতাসকল বিমোৰত পৰিল । তেওঁলোকে কি কৰিব ভাবি নাপালে ।

এনেতে নাৰদ তেওঁলোকৰ আগত

ওলালহি । নাৰদে দেৱতাসকলক ক'লে, "শিৱ এতিয়া লিংগৰূপে অৱস্থান কৰিছে । তেওঁক আহ্বান কৰিলেই তেওঁ আহিব ।"

দেৱতাসকলে তৎক্ষণাৎ শিৱৰ নাম লৈ প্ৰাৰ্থনামগ্ন হ'ল । দেৱতাসকলে প্ৰাৰ্থনা কৰা দেখি গজাসুৰো শিৱৰ প্ৰাৰ্থনাত মগ্ন হৈ পৰিল। দেৱতা আৰু গজাসুৰৰ প্ৰাৰ্থনা যিমানেই অধিকভাৱে চলি আছিল, গজাসুৰৰ বুকুৰ ভিতৰত থকা লিংগৰূপী শিৱও সিমানেই বাঢ়িবলৈ ধৰিলে । এইদৰে বৃদ্ধিপ্ৰাপ্ত হৈ এসময়ত লিংগটো ইমানেই ডাঙৰ হ'ল যে গজাসুৰৰ দেহ ফালি লিংগটো ওলাই আহিল । তেতিয়া গজাসুৰে ক'লে, "হে শিৱ ! মই তোমাক ইমান বিশ্বাস কৰি তোমাৰপৰা এই শাস্তি লাভ কৰিলোঁনে ?"

শিৱই গজাসুৰক ক'লে, "হে গজাসুৰ, তুমি যে মোৰ ভক্ত সেই কথা যুগ যুগ ধৰি সকলোৱে জানিব । তোমাৰ নাম যাতে যুগ যুগ ধৰি প্ৰচাৰিত হয়, তাৰ বাবে মই হস্তীৰ মস্তক মোৰ লগত ৰাখিম আৰু হস্তীৰ ছাল পিন্ধিম ।" এই বুলি কৈ শিৱই গজাসুৰক নিজদেহত অনুপ্ৰৱিষ্ট কৰি লৈ কৈবল্যধামলৈ প্ৰেৰণ কৰিলে ।

শিৱই ভূমিক ৰথ হিচাপে, সূৰ্য্য আৰু চন্দ্ৰক ৰথৰ চকা হিচাপে, বেদসমূহক অশ্ব হিচাপে, ব্ৰহ্মাক সাৰথি হিচাপে, মেৰু পৰ্বতক ধনু হিচাপে আৰু বিষ্ণুক বাণ হিচাপে লৈ নিজৰ অনুচৰ নন্দী-শৃংগী আৰু ভৃংগীহঁতৰে সৈতে ত্ৰিপুৰাসুৰৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে ।

ইপিনে পাৰ্বতীয়ে দিনৰ পাছত দিন ধৰি অকলশৰে ঘৰতে আছিল । শিৱ যে কেতিয়া উভতি আহিব তাকো তেওঁ নাজানিছিল । পাৰ্বতী অস্থিৰ হৈ পৰিছিল ।

ঠিক তেতিয়াই নাৰদ আহি ওলালহি আৰু পাৰ্বতীক ক'লে, "পাৰ্বতীদেৱী, বিবাহৰ পাছৰেপৰাই শিৱই তাৰকাসুৰক বধ কৰিবলৈ যো-জা কৰিছে । তাৰকাসুৰ অসীম ক্ষমতাসম্পন্ন । তাৰকাসুৰে যেতিয়াই যিকোনো ৰূপ ধাৰণ কৰিব পাৰে । আপুনি সদায় সাৱধান হৈ থাকিব ।"

পাৰ্বতীয়ে সৰিয়হ আৰু হালধিৰে এটা পুতলা সাজিলে । অলপ পাছত পুতলাটো প্ৰাণৱন্ত হৈ উঠিল । তেতিয়া পাৰ্বতীয়ে পুতলাটিক সুধিলে, "হেৰা বোপা, তুমি কোন কোৱাচোন ?"

"কিয় আই, তুমিয়েই মোক সাজিলা দেখোন । মই তোমাৰ পুত্ৰ গণপতি ।"

পাৰ্বতীয়ে গণপতিৰ হাতত অকুংশেৰে

তৈয়াৰী এটা গদা দি ক'লে, "বোপা, তুমি ঘৰৰ দুৱাৰমুখত পৰ দি থাকাগৈ । এটা পৰুৱাও সোমাব নোৱাৰে যেন - তালৈ লক্ষ্য ৰাখিবা ।"

"মা, মোৰ বৰ ভোক লাগিছে, কিবা খাবলৈ নিদিয়ানেকি ?" গণপতিয়ে ক'লে।

পাৰ্বতীয়ে তৎক্ষণাৎ ময়দাৰে কিছুমান পিঠা বনাই গণপতিক খাবলৈ কৈ গা ধুবলৈ গুচি গ'ল ।

ইপিনে তাৰকাসুৰে মনতে ভাবি আছিল : পাৰ্বতীক কেনেবাকৈ অপহৰণ কৰিব পাৰিলে শিৱৰ সন্তান লাভৰ আৰু একো সম্ভাৱনা নাথাকিব । গতিকে পাৰ্বতীক অপহৰণ কৰিবই লাগিব । এই কথা ভাবি তাৰকাসুৰে ভয়ংকৰ ৰাক্ষস বজ্ৰদন্তক পঠালে পাৰ্বতীক অপহৰণ কৰি আনিবলৈ । বজ্ৰদন্ত আছিল অতি ভয়ঙ্কৰ এক ৰাক্ষস, যিটো ৰাক্ষসে বজ্ৰায়ুধকো দাঁতেৰে চোবাই চূৰ্ণ কৰিব পাৰিছিল । বজ্ৰদন্ত আছিল তালগছৰ সমান ওখ; কিন্তু আৱশ্যক হ'লে সি এটি নগণ্য এন্দুৰৰ ৰূপ ধাৰণ কৰি ডাঙৰ ডাঙৰ পাহাৰৰ ভিতৰলৈ সোমাই গৈ পাহাৰবোৰ ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰিব পাৰিছিল । বজ্ৰদন্তৰ এই ক্ষমতাৰ বাবে তাক মুষিকাসুৰ বুলিও কোৱা হৈছিল ।

তাৰকাসুৰে বজ্ৰদন্তক পঠোৱাৰ আগতে পাৰ্বতীৰ গতি-গোত্ৰ চাই আহিবলৈ গজকৰ্ণি আৰু গোকৰ্ণি নামৰ দুটা ৰাক্ষসক পঠাইছিল। সিহঁতে দুটি ল'ৰাৰ ৰূপ ধৰি পাৰ্বতীৰ বাসগৃহৰ ওচৰলৈ গৈ দেখিলে যে ঘৰৰ দুৱাৰমুখত এটি সৰু ল'ৰাই গদা হাতত লৈ পহৰা দি আছে । সিহঁতে গণপতিক ক'লে,

"আহাঁ আমাৰ সৈতে খেলিবা আহাঁ ।"

বালক গণপতিয়ে ক'লে, "খেলা কৰাৰ আগতে অলপ কিবাকিবি খাই লোৱা ।" এই বুলি কৈ সেই ময়দাৰে বনোৱা দুটা পিঠা সিহঁতলৈ দলিয়াই দিলে । পিঠা দুটাই সিহঁতৰ মূৰত আঘাত কৰিলেগৈ আৰু সিহঁতে আৰ্তনাদ কৰিবলৈ ধৰিলে । তেতিয়া গণপতিয়ে ক'লে, "তোমালোকে তিনিবাৰ কাণত ধৰি উঠা-বহা কৰাঁ । নহ'লৈ তাতোকৈ কঠোৰ শাস্তি পাবা ।"

গজকৰ্ণি আৰু গোকৰ্ণিয়ে তিনিবাৰকৈ কাণত ধৰি উঠা-বহা কৰাৰ পাছত পোনে পোনেই বজ্ৰদন্তৰ ওচৰলৈ গৈ কান্দি কান্দি সকলো কথা ক'লেগৈ ।

বজ্ৰদন্তই খঙতে তেতিয়াই এন্দুৰৰ ৰূপ লৈ পাৰ্বতীৰ ঘৰৰ দুৱাৰমুখত থিয় হ'লহি । গণপতিয়ে এন্দুৰটোক দেখা পোৱামাত্ৰেই

ৰূপতো সোমাবহি পাৰে বুলি মায়ে কৈ গৈছে মোক। সেই বাবে মই ইমান সতর্কতাৰে পহৰা দি আছোঁ।"

"মই ঈশ্বৰ, ময়েই ত্রিজগতৰ আৰাধ্য দেৱাদিদেৱ।" শিৱই গণপতিক ক'লে।

"কোনো ঈশ্বৰ বা দেৱাদিদেৱৰ সৈতে মোৰ একো সা-সম্পর্ক নাই। মই কেৱল মোৰ মাক চিনি পাওঁ। মই মোৰ মাৰ কথামতে ইয়াত পৰ দিছোঁ। মই আন কাৰো কথা নামানো।"

তাৰকাসুৰক সংহাৰ কৰিবলৈ শিৱ যেতিয়া ওলাইছিল, তেতিয়াই তেওঁৰ পিছে পিছে হাজাৰ-বিজাৰ দেৱতাও ওলাইছিল শিৱৰ নামকীৰ্তন কৰি কৰি। এতিয়া তেওঁলোকেও দেখিলে যে এটি সামান্য বালকে শিৱৰ বাট ভেটি থিয় হৈ আছে! এই দৃশ্য দেখি দেৱতাসকলো হতভম্ব হ'ল।

বালক গণপতিয়ে শিৱক ক'লে, "চাওক, আপুনি বয়সত ডাঙৰ হ'লেও বিশ্ব-সংসাৰ আৰু ত্রিমূর্তিৰ আৱিৰ্ভাৱ কেনেকৈ ঘটিছিল-সেই কথা আপুনি কিজানি নাজানে। মই আপোনাক সংক্ষিপ্তভাৱে কওঁ শুনক:

"আদিশক্তিয়ে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰক ৰক্তবৰ্ণ, নীলবৰ্ণ আৰু শুভ্ৰবৰ্ণ তেজৰশ্মিৰে সৃষ্টি কৰিছিল। ব্ৰহ্মা আৰু বিষ্ণুৱে দেৱীৰ কথালৈ কাণসাৰ নকৰি তেওঁলোকৰ ইচ্ছামতে কাম কৰি থাকিল। তেতিয়া দেৱীয়ে তেওঁৰ তৃতীয় নয়ন উন্মীলিত কৰি তেওঁলোকক ভস্ম কৰি পেলালে। মহেশ্বৰ আছিল যথেষ্ট বুদ্ধিমান। তেওঁ দেৱীক ক'লে, 'মই তোমাৰ সকলো

এন্দুৰটোৰ মূৰত মৰিয়াই তাৰ নেজত ধৰি শূন্যত লাটুম ঘূৰোৱাদি ঘূৰাই ইমান জোৰেৰে দলিয়ালে যে বজ্ৰদন্ত তাৰ নিজৰ ঘৰৰ দুৱাৰমুখত থেকেচা খাই পৰিলগৈ। বজ্ৰদন্তৰ পত্নী ধৱলা আছিল ভক্তিমতী, দেৱীৰ নিষ্ঠাৱতী ভক্ত। ধৱলাই বজ্ৰদন্তক পাৰ্বতীৰ ঘৰৰ ওচৰে-পাঁজৰে যাবলৈ নিষেধ কৰিলে।

ইপিনে, ৰাক্ষস ত্রিপুৰাসুৰক বধ কৰাৰ আগতে শিৱই পাৰ্বতীক এটিবাৰলৈ চাই আহিবলৈ মন মেলিলে। শিৱ পোনেই ঘৰলৈ গ'ল। ঘৰৰ দুৱাৰমুখত তেতিয়া গণপতিয়ে পহৰা দি আছিল। গণপতিয়ে শিৱক সুধিলে, "কোন তুমি?"

শিৱই ভুৰু কোঁচাই এই অচিনাকি বালকক সুধিলে, "তুমিনো কোন?"

বালকে হো হোৱাই হাঁহি মাৰি ক'লে "মই মোৰ মাতৃৰ পুত্ৰ। শতুৰু পোকপৰুৱাৰ



কথা মানি ল'ম, কিন্তু এটি চৰ্তত । তোমাৰ সেই তৃতীয় নয়নটো মোক দিব লাগিব । দেৱীয়ে তৎক্ষণাৎ তেওঁৰ তৃতীয় নয়ন মহেশ্বৰৰ কপালত স্থাপন কৰি দিলে । তৃতীয় নয়ন লাভ কৰাৰ লগে লগেই মহেশ্বৰে আদিশক্তিলৈ অগ্নিবৰ্ষী দৃষ্টিৰে চালে । দেৱী ভস্মীভূতা হৈ যাবলৈ ধৰিলে। চাৰিওফালে অগ্নিকণা বিচ্ছুৰিত হৈ থাকিল। দেৱীৰ দেহৰপৰা ওলোৱা ভস্মৰপৰা বিশ্বৰ সৃষ্টি হ'ল। তাৰ পাছত দেৱী পুনৰ নিজৰূপত আৱিৰ্ভূতা হ'ল । ভস্মীভূতা হোৱাৰ অন্তত আৱিৰ্ভূতা হোৱাত তেওঁৰ নাম হ'ল মহামায়া। দেৱী মহেশ্বৰৰ ওপৰত তুষ্টা হ'ল আৰু আৱশ্যক হ'লে সৃষ্টি লয় কৰাৰ দায়িত্ব মহেশ্বৰক দিলে । ব্ৰহ্মা আৰু বিষ্ণুকো ভস্মৰাশিৰপৰা উদ্ধাৰ কৰিলে । বাদবাকী ভস্ম ৰাশিৰপৰা বাণী, লক্ষ্মী আৰু উমা সৃষ্ট হ'ল । বাণীক ব্ৰহ্মাই, লক্ষ্মীক বিষ্ণুৱে আৰু উমাক মহেশ্বৰে অৰ্ধাংগিনী ৰূপে গ্ৰহণ কৰাৰ পাছত সৃষ্টি আৰু ধ্বংসৰ দায়িত্ব ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ ওপৰত অৰ্পণ কৰি দেৱী অন্তৰ্হিতা হ'ল ।

এই কাহিনী শুনি শিৱই ক'লে, "তুমি যি কাহিনী ক'লা সি সত্য নহয়, ই তোমাৰ উত্তপ্ত মস্তিষ্কৰ কল্পনা মাথোন ।"

"মোৰ বক্তব্য যদি কল্পনা, তেনেহ'লে বেদও কল্পনা মাথোন । এই মহাজগতৰ বেদও কল্পনা মাথোন । এই মহাজগতৰ সকলো সৃষ্টিৰ মূল যে আদিশক্তি সেই কথা তোমাৰ বিশ্বাস নহ'ল ?"

বালকৰ এই প্ৰশ্ন শুনি সকলোৱে আচৰিত মানিলে । কেৱল বিষ্ণুৱে বালকলৈ চাই মিচিক-মাচাককৈ হাঁহি আছিল । বালকৰ বক্তব্যক উপলব্ধি কৰিবলৈ ব্ৰহ্মাই চেষ্টা কৰি থাকিল । মহিলাসকলৰ মুখত বিস্ময়ৰ চিন ফুটি উঠিল ।

শিৱ ক্ৰুদ্ধ হ'ল । তথাপি, ক্ৰোধ দমন কৰি শান্ত কণ্ঠেৰে তেওঁ ক'লে, "তুমি নিচেই সৰু বালক মাত্ৰ, সেয়েহে তোমাক মই একো নকওঁ । বাট এৰি দিয়া, মোক ভিতৰলৈ যাবলৈ দিয়া ।"

"এই দেহত প্ৰাণ থাকেমানে তোমাক মই সোমাবলৈ নিদিওঁ ।" গণপতিয়ে ক'লে ।

অতিপাত ক্ৰুদ্ধ হৈ শিৱই হাত চাপৰি বজালে আৰু বালক গণপতিক তাৰপৰা বলেৰে আঁতৰাই দিবলৈ চকুৰ পচাৰতে প্ৰমথসকল আহি তাত উপস্থিত হ'ল ।

বালক গণপতিয়ে হাঁহি মাৰি শিৱক ক'লে, "মুখেৰে বালক বুলি কৈছা, আকৌ মোৰ ওপৰত বল প্ৰয়োগৰো চেষ্টা কৰিছা ? মনত ৰাখিবা, মোৰ নাম গণপতি ।" এই বুলি কৈয়েই গণপতিয়ে তেওঁৰ অংকুশ নিৰ্মিত গদাপাটেৰে ভূমিত আঘাত কৰাৰ লগে লগেই মাটি ভেদ কৰি সহস্ৰ সহস্ৰ অবিকল গণপতি ওলাই আহিল আৰু শিৱৰ অনুচৰহঁতক আক্ৰমণ কৰি খেদি দিয়াৰ পাছত গণপতি-বাহিনীও অদৃশ্য হ'ল ।

শিৱই তেতিয়া ৰুদ্ৰৰূপ ধাৰণ কৰি ত্ৰিশূল দাঙি ধৰিলে । লগে লগে বালক গণপতিয়ে গদাৰে ত্ৰিশূলৰ আক্ৰমণো ব্যৰ্থ কৰি দিলে । শিৱৰ হাতৰপৰা ত্ৰিশূল বাগৰি পৰিল । তেতিয়া গণপতিয়ে হোহোৱাই হাঁহি মাৰি ক'লে, "মোৰ মাতৃ প্ৰদত্ত গদা মোৰ হাতত থকালৈকে কোনো শক্তিয়েই মোক পৰাজিত কৰিব নোৱাৰে ।"

শিৱই ক্ৰোধত জ্ঞানহাৰা হৈ বালক গণপতিৰ ডিঙিলৈ টোঁৱাই ভয়ানক ত্ৰিশূলপাট দলিয়াই মাৰিলে । তেতিয়া বালক গণপতিয়ে "আই ঔ !" বুলি চিৎকাৰ কৰি উঠিল । পাছ মুহূৰ্ততে বালক গণপতিৰ মস্তক আকাশলৈ উৎক্ষিপ্ত হ'ল আৰু লগে লগে সমগ্ৰ আকাশপথ সুউজ্জ্বল আলোকময় হৈ পৰিল। কিন্তু কেই-মুহূৰ্তমানৰ পাছত সমগ্ৰ সৃষ্টিত ঘনান্ধকাৰ নামি আহিল ।

(অহা সংখ্যাত)



চমৎকাৰী বীণা

বহুদিন আগৰ কথা । এখন গাঁৱত এজন ডাঙৰ সঙ্গীতজ্ঞ আছিল । তেওঁৰ তিনিজন পুতেক আছিল । আটাই কেইজনে লগলাগি সঙ্গীত বিদ্যালয় এখন চলাইছিল । ইয়াৰদ্বাৰা তেওঁলোকৰ পৰিয়ালটোৰ ভৰণ-পোষণ হৈছিল। কিছুদিন পাছত সঙ্গীতজ্ঞজন বেমাৰত পৰিল আৰু ফলস্বৰূপে তেওঁৰ আঙুলিবিলাকৰ তৎ নোহোৱা হল । লাহে লাহে তেওঁ কথা কবও নোৱাৰা হৈ পৰিল । সেই গাঁৱৰ বৈদ্যজনে তেওঁৰ চোৱাচিতা কৰাৰ পাছত কলে, "এইটো এটা সাধাৰণ ৰোগ নহয় । কোনো বিখ্যাত ৰাজবৈদ্যইহে এই ৰোগৰ চিকিৎসা কৰিব পাৰিব। মোৰ দৰে সাধাৰণ বৈদ্যই এই বেমাৰ ভাল কৰা অসম্ভৱ । ৰাজবৈদ্যৰ পৰা চিকিৎসা কৰাবলৈ হলে, তেওঁৰ পৰা শুশ্ৰূষা পাবলৈ হলে প্ৰথমতে নিজৰ দেশৰ মূৰ্খ ৰজাৰ পৰা ইয়াৰ স্বীকৃতি পাব লাগিব । তেওঁৰ পৰা স্বীকৃতি আৰু প্ৰশংসা পোৱাৰ পাছতহে ৰাজবৈদ্যৰ দ্বাৰা চিকিৎসা কৰাব পাৰিব । সকলোৱে এইদৰে কয়যে পাথৰকো মনাব পাৰি, সন্তুষ্ট কৰিব পাৰি, কিন্তু ৰজাক মনোৱা, তেওঁক সন্তুষ্ট কৰা অসম্ভৱ। মই ভাবোঁ এই ৰোগৰ চিকিৎসা কৰি তোমালোকৰ দেউতাৰাক সুস্থ কৰি তুলিব পৰা নাযাব। তথাপিও চেষ্টা কৰা।" এই বুলি কৈ তেওঁ তাৰ পৰা গুচি গ'ল ।

তেতিয়া ডাঙৰ পুতেকে সৰু ভায়েক দুজনক কলে, "ৰজা মহামূৰ্খ হলেও মোৰ বিশ্বাস আমি বীণা বজাই ৰজাক সন্তুষ্ট কৰিব পাৰিম । ইয়াৰ ফলত তেওঁ ৰাজবৈদ্যক চিকিৎসা কৰিবলৈ অনুমতি দিব । দেউতাৰ শৰীৰ ঠিক হৈ গ'লে তাতকৈ বেছি আমাক একো নালাগে ।"

তেওঁ ৰজাক লগ ধৰি কলে, "মহাৰাজ মই বীণা বজোৱাত নিপুন । আপোনাক নিশ্চয় সন্তুষ্ট কৰিব পাৰিম । কিন্তু আপোনাৰ ওচৰত মোৰ মিনতি এইযে যদিহে মই এই কাৰ্য্যত সফল হও তেতিয়াহলে ৰাজবৈদ্যৰ দ্বাৰা আমাৰ দেউতাৰ চিকিৎসা কৰাব লাগিব!"

তেতিয়া ৰজাই হাঁহিমাৰি কলে, "অকল

-ৰীতা ৰাঠোৰ-

মইয়ে নহয় মোৰ সেৱকেও বীণা বজায় । তোমাৰ ইচ্ছা পূৰণ কৰিবলৈ হলে এটা কাম কৰা । সকলো লোকেই এইটো স্বীকাৰ কৰে যে বীণা বাদনত মোৰ সমকক্ষ কোনো নাই । সেয়েহে বাজি মাৰা । তুমি যদি মোক হৰুৱাব পাৰা তেন্তে তোমাৰ মনৰ ইচ্ছা পূৰণ হব । কিন্তু মই যদি জয়ী হও তেতিয়াহলে তোমাক এই চাবুকডালেৰে পঁচিশ বাৰ পিতিম । এই বীণা বাদনৰ বিচাৰক হব ৰাইজ ।”

সেই সঙ্গীতজ্ঞ জনৰ ডাঙৰ লৰাজনে এই চৰ্ত মানি ললে । পিছদিনা সমূহ ৰাইজৰ মন্মুখত বীণা বাদনৰ আয়োজন কৰা হ'ল । এইক্ষেত্ৰত ৰজাতকৈও সঙ্গীতজ্ঞৰ ডাঙৰ পুতেকে সুন্দৰ বীণা বাদন প্ৰদৰ্শন কৰিছিল । তথাপিও ৰাইজে ৰজাকে বিজয়ী ঘোষণা কৰিলে কাৰণ তেওঁলোকে ৰজাক খুব ভয় কৰিছিল । গতিকে চৰ্তঅনুযায়ী লৰাজনে পঁচিশবাৰ চাবুকৰ কোব খালে । ককায়েকৰ এই অৱস্থা দেখি সৰু ভায়েক দুজন হতাশ হৈ পৰিল । কিছুসময় পাছত দ্বিতীয় ভায়েকজনে কলে, “আজিকালি বীণা বাদন সাধাৰণ বিষয় হৈ পাৰিছে । কিন্তু মৃদংগৰ কথা বেলেগ । ইয়াক কিছুমান লোকেহে দক্ষতা সহকাৰে বজাব পাৰে । মৃদংগ বজোৱাত মই পাৰ্গত । মৃদংগ বজাই মই ৰজাৰ প্ৰশংসা লাভ কৰিম আৰু ৰাজবৈদ্যৰ দ্বাৰা দেউতাক চিকিৎসা কৰাব পাৰিম ।

তেওঁও ৰজাক লগ ধৰিলে আৰু কলে, “মৃদংগ বজোৱাত মোৰ সমকক্ষ কোনো নাই। আপুনি মোৰ দক্ষতাৰ পৰীক্ষা লব পাৰে । সফল হলে ৰাজবৈদ্যৰ দ্বাৰা মোৰ দেউতাৰ চিকিৎসা কৰাব লাগিব ।”

ৰজাই মনোযোগেৰে তেওঁৰ ফালে চালে আৰু কলে, “তুমি নিশ্চয় বীণা বাদনত পৰাজিত হোৱা যুৱকজনেৰ সহোদৰ ভাই । তুমি বোধহয় নাজানা যে মই সঙ্গীত সম্ৰাট । মোৰ লগত প্ৰতিদন্ডিতা কৰিবলৈ চেষ্টা কৰিলে তোমাৰ অৱস্থাও ককায়েৰাৰ দৰে হব । এইচৰ্ত তুমি মানি লবলৈ সাজু-হোৱা । এই প্ৰতিযোগিতাত মই তোমাৰ লগত ভাগ লম ।”

পিছদিনাখন ৰজা আৰু সঙ্গীতজ্ঞৰ দ্বিতীয় পুতেকৰ মাজত প্ৰতিযোগিতা আৰম্ভ হ'ল । ৰজাৰ মৃদংগ বাদন ৰাইজৰ মুঠেই ভাল নালাগিল । শুনিবলৈ একেবাৰে বেসুৰা আৰু অসঙ্গত যেন লাগিছিল । এনে লাগিছিল যেন মৃদংগ বজোৱাৰ সাধাৰণ জ্ঞানখিনিও ৰজাই নাজানিছিল । কিন্তু দ্বিতীয় জন পুতেকে সুন্দৰভাৱে নিজৰ প্ৰতিভা দেখুৱাইছিল । মৃদংগৰ সেই শব্দ শুনিবলৈ বৰ মধুৰ লাগিছিল । কিন্তু

কি লাভ ? ভয়াতুৰ জনতাই পুনৰ ৰজাকে বিজয়ী ঘোষণা কৰিলে । পৰিনতি স্বৰূপে দ্বিতীয় লৰাজনেও চাবুকেৰে কোব খালে ।

দ্বিতীয় ভায়েকজনো যেতিয়া চাবুকৰ কোবত আহত হৈ ঘৰলৈ উভতিছিল তেতিয়া সৰু ভায়েকজনৰ খুব খং উঠিছিল আৰু কৈছিল, "বিখ্যাত সঙ্গীতজ্ঞৰ দুজন পুতেককে ৰজাই মূৰ্খ বনালে, অকৰ্মণ্য বনালে । ৰাইজৰ সন্মুখত তেওঁলোকক অসন্মান কৰিলে । মই এনেকুৱা মূৰ্খ ৰজাক শিক্ষা দিহে এৰিম । যদি মই এনে কৰিব নোৱাৰো তেতিয়াহলে মই মহান সঙ্গীতজ্ঞৰ পুত্ৰই নহও ।" এইবুলি কৈ তেওঁ বীণা, মৃদংগ আৰু শেহনাই লগত লৈ ৰাজধাণীৰ পিনে যাবলৈ ধৰিলে ।

ৰাজধানী পোৱাৰ পাছত তেওঁ নিৰ্দিষ্ট ঠাই এডোখৰত বহিলৈ তিনিওবিধ বাদ্যযন্ত্ৰ বজাব ধৰিলে । তেওঁৰ বাদ্য শুনি তাত বহুত মানুহ গোট খালে আৰু আগ্ৰহেৰে তেওঁৰ বাদ্য বাদনৰ পাৰ্গতালি চাবলৈ ধৰিলে । একেৰাহে তিনিদিন ধৰি বীণা বজাই থকা বাবে তেওঁৰ আঙুলিৰে তেজ ওলাইছিল । এই খবৰ ৰজাৰ কানত পৰাত তেওঁ মন্ত্ৰীসকলৰ লগত সেই দৃশ্য চাবলৈ ওলাল ।

ৰজাক দেখা মাত্ৰেই তৃতীয়জন ল'ৰাই উঠি নমস্কাৰ জনালে । ৰজাই তেতিয়া সুধিলে, "তুমি কোন ? ইয়ালৈ কিয় আহিছা ?"

তেতিয়া তৃতীয়জন ল'ৰাই নম্ৰভাবে কলে, "মহাৰাজ মই পৰ্বতীয়া অঞ্চলত অৱস্থিত ভৈৰব নামৰ গাঁৱত থাকো । বহুদিন আগতে মোৰ সমবয়সৰ লৰা এজন কৰবাৰ পৰা আমাৰ গাঁৱলৈ আহিছিল আৰু মোৰ লগত খেলিছিল । এদিনাখন তাৰ কেঁচা তালৰ গুটি খাবলৈ মন

গ'ল । আমি দুয়ো তৰোৱাল লগতলৈ তাল আনিবলৈ ওলালো । তেতিয়া গৰমৰ দিন আছিল । ৰ'দো খুব প্ৰখৰ আছিল । গাঁৱৰ পৰা বহুদূৰ অহাৰ পাছত গৰমৰ পৰা ৰক্ষা পাবলৈ সি পুখুৰীত গা ধুবলৈ নামিল । সি ডুব মাৰিলে, কিন্তু বহুত সময়লৈ উঠি নহা দেখি মই ভয় খালো। মই তৰোৱালখন ককালত টানকৈ বান্ধিলৈ পানীত নামি গ'লো । মই কিছু দ'লৈ গ'লো । তাত গৈ দেখিলো এডাল বিচিত্ৰ সাপে তাক গিলিবলৈ ধৰিছে । মই অলপো পলম নকৰি তৰোৱালেৰে সাপডাল টুকুৰা-টুকুৰ কৰি দিলো । মোৰ বন্ধুৱে মোক ধন্যবাদ জনালে আৰু তাৰ ঘৰলৈ যাবলৈ জোৰদি ধৰিলে । তাৰ ঘৰ পাবলৈ মই পাহাৰ আৰু জংঘলৰ মাজে মাজে খোজ কাঢ়িলো । অৱশেষত সি মোক পাহাৰৰ এটা কোনলৈ লৈ গ'ল । সেই কোনত এটা গুহা আছিল । সেই গুহাৰ ভিতৰত কান্ধলৈ দীঘল বগা চুলি মেলি



যাদুকৰণী এজনীয়ে পাথৰৰ ওপৰত কিবা ঘঁহি আছে। তাইৰ চকুদুটা চাকিৰ দৰে জ্বলি আছিল। তাই দেখিবলৈও ভয়লগা আছিল। মোৰ বন্ধু সেই যাদুকৰজনীৰ কাষলৈ গ'ল। তাক দেখাৰ লগে লগে যাদুকৰজনীয়ে সাৱটি ধৰি চুমা খাবলৈ ধৰিলে। তাৰ পাছত কবলৈ ধৰিলে "কʼলৈ গৈছিলা মোৰ বাচা ? বহুত পলম কৰিলা ? আজি মই তুমি ভাল পোৱা পাহাৰী জেঠীৰ তৰকাৰী বনাইছো।" ইয়াৰ পাছত মাকৰ লগত সি মোৰ পৰিচয় কৰাই দি কলে, "মা এইজন মোৰ ভাল বন্ধু। এই বন্ধুৰ বাবেই আজি মই জীৱিত হৈ তোমাৰ কাষলৈ উভতি আহিছো।" এই বুলি কৈ সি মাকক গোটেই ঘটনাখিনি বিবৰি কলে।

"যাদুকৰনীজনীয়ে আবেশতে কিছু লেপন হাতত লৈ বেৰত সানি দিলে আৰু জোৰেৰে মন্ত্ৰ উচ্ছাৰণ কৰিব ধৰিলে। যিখন বেৰত লেপন সানিছিল, সেইখন বেৰ দাপোনলৈ পৰিবৰ্তন হৈ গ'ল। সেই দাপোনত এতিয়া তাই সেই পুখুৰীতো দেখিলে, যিটো পুখুৰীত তাইৰ পুতেক পৰিছিল। তাত মৰি পৰি থকা সাপডালো দেখা পালে। সেই দৃশ্য দেখাৰ পাছত তাই অধৈৰ্য্য হৈ উঠিল আৰু গুণগুণকৈ মন্ত্ৰ মাতিবলৈ ধৰিলে। মই দেখিবলৈ পালো পুখুৰীত মৰি থকা সাপডাল তেতিয়াও পৰি আছে। সেই সাপডাল দেখাৰ পাছত যাদুকৰণী অতি আনন্দিত হৈ মোৰ পিঠিত থপৰিয়াই কলে, "ধন্যবাদ পুত্ৰ, ধন্যবাদ! তুমি কেৱল সাপটোকেই নহয়, মোৰ ঘোৰ শত্ৰু যাদুকৰণী এজনীকো বধ কৰিলা। মই তাইক মাৰিবলৈ কিমান যে চেষ্টা কৰিছিলো, কিন্তু সফল হব পৰা নাছিলো। বহুদিন পিছত তুমি তাইক বধ কৰি মোৰ পুত্ৰকো ৰক্ষা কৰিলা। ইয়াৰ পুৰস্কাৰ স্বৰূপে মই তোমাক এই আচৰিত বীণা, মৃগঙ্গ আৰু চেহনাই দিলো। এই আচৰিত বীণাখন যদি তুমি ভালদৰে বজাব পাৰা ইয়াৰ মহিমাৰে দুজন যুৱকৰ আবিৰ্ভাব হব আৰু তেওঁলোকে মৃদঙ্গ আৰু চেহনাই বজাই সকলোকে আচৰিত কৰি দিব।"

"সেই যাদুকৰণীয়ে দিয়া বীণা মই অবিৰাম ভাবে তিনিদিন ধৰি বজাই আছো, কিন্তু আজিলৈকে যুৱক দুজন প্ৰকট হোৱা নাই। মোৰ অনুমান হৈছে যাদুকৰণীয়ে মোক ফাকি দিছে।"

ৰজাই তেওঁৰ কথা শুনাৰ পিছত জোৰেৰে এটা হাঁহি মাৰি কলে, "আৰে পাগল, যাদুকৰণীয়ে তোমাক ফাকি দিয়া বুলি ভাবিলে ভুল হব। তোমাক তাই কি কৈছিল মনত আছেনে? তাই কৈছিল তুমি যদি ভালদৰে বীণা বজোৱা তেতিয়া দুজন যুৱকৰ আবিৰ্ভাব হব। তুমি ঠিক মতে বীণা বজাব পৰা নাই, ওলটাই

তুমি যাদুকৰণীক হে দোষাৰোপ কৰিছা । এতিয়া এই বীণা মই বজাম, চাবা কেনেদৰে যুৱক দুজনৰ আবিৰ্ভাব হব আৰু মৃদঙ্গ আৰু চেহনাই বজাব ধৰিব।" এইবুলি কৈ ৰজাই বীণা বজাবলৈ ধৰিলে।

ৰজাই বীণা বজাই বজাই ভাগৰি পৰিল, কিন্তু যুৱক দুজন আবিৰ্ভাব নহল ।

ৰজাই উদ্বিগ্ন হৈ কলে, "মই এজন সঙ্গীত সম্রাট, তথাপিতো বীণা বাদনে কোনো কাম দিয়া নাই । এইখন কোনো অসাধাৰণ বীণা যেন লাগিছে । মোতকৈও ভাল সঙ্গীতজ্ঞ ইয়াক বজাব পাৰিব । দশহৰা উৎসৱ উপলক্ষে এক সঙ্গীত প্ৰতিযোগিতা পাতিব লাগিব । সেই প্ৰতিযোগিতাত এই আচৰিত বীণাখন বজাই যিয়ে যুৱক দুজনৰ আবিৰ্ভাব ঘটাব পাৰিব তেওঁকে অতি মূল্যবান পুৰস্কাৰ দিম ।" এইবুলি কৈ ৰজাই বাদ্যযন্ত্ৰবোৰ নিজৰ লগত লৈ গল । তাৰ পিছদিনা ৰজাই ৰাজ্যত এই কথা ঘোষণা কৰি দিলে ।

কেইদিনমান পিছতে দশহৰা উৎসৱ আহিল। উৎসৱৰ শেষ দিনা ৰজাই এই প্ৰতিযোগিতা পাতিলে । বহুতে বীণা বজালে কিন্তু যুৱক দুজন আবিৰ্ভাব নহল । শেষত সঙ্গীতজ্ঞ জনৰ তৃতীয় পুত্ৰজনে মঞ্চত বহি থকা ৰজাক প্ৰানাম কৰি কলে, "মহাৰাজ, আপুনি যিদিনাখন এই প্ৰতিযোগিতাৰ কথা ঘোষণা কৰিছিল সেইদিনাৰ পৰা মই এজন সঙ্গীতজ্ঞৰ ওচৰত বীণা বাদনৰ শিক্ষা লৈছো । এতিয়া মই ভালদৰে বীণা বজা-বলৈ সক্ষম হৈছো বুলি ভাবো । আপুনি যদি অনুমতি দিয়ে মই এবাৰ চেষ্টা কৰি চাব পাৰো।

ৰজাই এটা বিকট হাঁহি মাৰি কলে, "কিয় নিদিম, চেষ্টা কৰি চোৱা ।" তেওঁৰ কথাত ব্যঙ্গ সুৰ আছিল ।

যুৱকজনে তেতিয়া বীণাখন হাতত লৈ ইষ্টদেৱতাক স্মৰণ কৰিলে । তাৰপাছত বীণাৰ তাঁৰত ঝঙ্কাৰ তুলিলে । অলপ পিছতে সঙ্গিতজ্ঞজনৰ প্ৰথম আৰু দ্বিতীয় পুত্ৰই বিচিত্ৰ বস্ত্ৰ পৰিধান কৰি, ভেশচন কৰি আহি তাত উপস্থিত হ'ল আৰু মৃদঙ্গ আৰু চেহনাইৰ ওচৰত বহি লৈ অতি দক্ষতাৰে বজাবলৈ ধৰিলে । সেই সঙ্গীত সভাত উপস্থিত থকা সকলো শ্ৰোতাই তন্ময় হৈ চকু মুদি সঙ্গীত মাধুৰ্য্য উপভোগ কৰিবলৈ ধৰিলে । যেতিয়া শ্ৰোতাসকলে চকুমেলি চালে তেতিয়া যুৱক দুজন অদৃশ্য হৈ গৈছিল তৃতীয় যুৱকজনে অকলে বীণা বজাই আছিল ।

ঘোষণা অনুসৰি ৰজাই তেওঁক মহামূল্যবান পুৰস্কাৰ দিলে আৰু ৰাজবৈদ্যৰ দ্বাৰা তেওঁৰ দেউতাকৰ চিকিৎসা কৰোৱাবো ব্যৱস্থা কৰিলে।

শান্তাৰ পৰামৰ্শ

এখন গাঁৱত নৰেন্দ্ৰ নামৰ এজন ধুনীয়া যুৱক আছিল। তেওঁৰ মনত বৰ ইচ্ছা আছিল তেওঁক যেন সকলোৱে মহান বুলি ভাবে আৰু প্ৰশংসা কৰে। ইয়াৰ কাৰণে তেওঁ প্ৰচুৰ ধনো উপাৰ্জন কৰিছিল। পিছে এনেকুৱা ধনবান ব্যক্তি কিমান আছে। তাৰ ভিতৰত তেওঁও এজন মাত্ৰ, ইয়াতকৈ বেচি একো নহয়। সেয়েহে কোনেও তেওঁক মহান বুলিও নাভাবে অথবা কোনেও তেওঁৰ প্ৰশংসাও নকৰে।

তেওঁ ভাবিছিল যদি কিবা সাহসিক কাম কৰিব পৰা যায় তেতিয়া সকলোৱে প্ৰশংসা কৰিব। পিছে আগৰেপৰা সাহসপূৰ্ণ কাম কৰা কিমান ধৰণৰ লোক আছে, তেওঁলোকৰে প্ৰশংসা হোৱা নাই। নৰেন্দ্ৰই ভাবি পোৱা নাই তেওঁ কি কৰিব!

নৰেন্দ্ৰহঁতৰ গাঁৱতে শান্তা নামৰ এজনী ছোৱালী আছিল। তেওঁ নৰেন্দ্ৰক খুব ভাল পাইছিল। নৰেন্দ্ৰৰ মনৰ ইচ্ছাৰ কথা জনাৰ পিছত এদিন শান্তাই নৰেন্দ্ৰক কলে, "গৌৰৱ বা মহানতা নিজে নিজে আহে। ইয়াৰ পিছত ঘূৰি ফুৰিলে লাভ নহয়। মোক বিয়া কৰোৱা। মই তোমাক মহান বনাই দিম।"

নৰেন্দ্ৰই অলপ হাঁহি ব্যঙ্গ সুৰে কলে, "অ' এইতো কথা! চোৱা শান্তা, মই তোমাক বহুত ভাল পাও। মই তোমাক বিয়া কৰাবও বিচাৰোঁ। তুমি দাবী কৰি কৈছা যে তুমি মোক মহান কৰি দিব পাৰা। তেনেহলে বিয়াৰ আগতে তুমি মোক মহান কৰি দেখুৱাই দিয়া। এনে কৰিলে তোমাৰ বিবাহো অতিশীঘ্ৰে হৈ যাব।"

"তেনেহলে শুনা। মই তোমাক এটা পৰামৰ্শ দিম। কিন্তু তাৰ আগতে তুমি কব লাগিব মোৰ লগতহে তোমাৰ বিবাহ হব। অন্য কাৰো লগত বিবাহ নহয়।" শান্তাই কলে॥

নৰেন্দ্ৰই কোনো ভবা-চিন্তা নকৰাকৈয়ে কৈ দিলে, "তুমিনো কেনেকৈ ভাবি ললা যে মই অন্য কাৰোবাক বিবাহ কৰাম। মই এতিয়াই তোমাক কথা দিলো আৰু প্ৰতিজ্ঞা কৰিলো মই তোমাকেই বিবাহ কৰাম।"

-চক্ৰৱৰ্তী

"প্ৰতিজ্ঞা কৰাৰ কোনো আৱশ্যক নাই। তুমি এটা কাম কৰা, তুমি গোটেই গাঁৱতে প্ৰচাৰ কৰি দিয়া যে তুমি মোক ভাল পোৱা আৰু মোকেই তুমি বিবাহ কৰাবা।" শান্তাই নৰেন্দ্ৰক কলে।

এই কথাও নৰেন্দ্ৰই খং কৰি কলে, "তুমি মোৰ কথা বিশ্বাস কৰিব পৰা নাই, সেয়েহে এনে ধৰণৰ কথা কৈছা।"

নৰেন্দ্ৰৰ উত্তৰ শুনি মনতে বেজাৰ পাই শান্তাই কলে, "তুমি এনে কথা কিয় কৈছা? মই দিয়া পৰামৰ্শ গাঁৱত তুমি কিমান বেচিকৈ প্ৰচাৰ কৰিব পাৰা তাৰ ওপৰতহে কৃতকাৰ্য্যতা নিৰ্ভৰ কৰিব। মোৰ কথা শুনা, মোক বিশ্বাস কৰা, এমাহলৈকে এই প্ৰচাৰ কাৰ্য্য চলাই যোৱা। অহা মাহত আমাৰ দেশৰ ৰাজকুমাৰী আমাৰ গাঁৱৰ ওচৰৰে হাবিলৈ বনবিহাৰ কৰিবলৈ অহাৰ কথা আছে। সেই সময়ত তুমি তেওঁৰ লগতে থাকি কোনো সাহসপূৰ্ণ কাম কৰি দেখুৱাবা যাতে ৰাজকুমাৰী তোমাৰ প্ৰতি সন্তুষ্ট হয়। তেতিয়া তেওঁ তোমাৰ প্ৰতি আকৃষ্ট হব।" এইবুলি কৈ শান্তা ৰৈ গ'ল।

নৰেন্দ্ৰৰ কৌতুহল বাঢ়ি গ'ল। তেওঁ গোটেই কথা ভাঙি-পাতি কবলৈ কলে। তেতিয়া শান্তাই নিজৰ পৰিকল্পনাৰ কথা কলে, "ৰাজকুমাৰীয়ে তোমাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিব। তুমি এই বিয়া কৰিবলৈ অস্বীকাৰ কৰিবা। মানুহে এই কথা জানিব পাৰি তোমাৰ প্ৰশংসাত পঞ্চমুখ হব আৰু কব যে নৰেন্দ্ৰই শান্তাক নিজৰ প্ৰাণতকৈ বেচি ভাল পায়। নহলেনো ৰাজকুমাৰীক বিয়া কৰাবলৈ অস্বীকাৰ কৰে নে? ইয়াৰ দ্বাৰা তোমাৰ বাহুত সুনাম হব।"

ইয়াৰ পাছত শান্তাই আকৌ কলে, "এই

সংসাৰত ত্যাগতকৈ মহান কাৰ্য্য একো নাই। গতিকে মোৰ পৰামৰ্শ কাৰ্য্যত পৰিণত কৰা।"

"ইমান সৰু কথা এটাতে যে মোৰ নাম হব আৰু মই প্ৰসিদ্ধ হৈ যাম মোৰ বিশ্বাস হোৱা নাই। তথাপি তোমাৰ পৰামৰ্শ অতি অদ্ভুত। তুমি যি কৈছা তাকে কৰিম।" নৰেন্দ্ৰই কলে।

তাৰ পিছদিনাখনে গাঁৱৰ মানুহবোৰে জানিব পাৰিলে নৰেন্দ্ৰই শান্তাক নিজৰ প্ৰাণতকৈ বেচি ভাল পায়। তেওঁ কোনো ছোৱালীৰ ফালে আনকি চকু তুলিয়ে নাচায়।

এদিন শান্তাই নৰেন্দ্ৰক লগ ধৰি কলে, "ৰাজকুমাৰী অহাকালি আমাৰ গাঁৱৰ ওচৰৰ হাবিলৈ বনবিহাৰৰ বাবে আহিব। তুমি নিজৰ চতুৰতা দেখুৱাবা আৰু মোৰ পৰামৰ্শ কাৰ্য্যকৰী কৰিবা। তোমাৰ লগত এখন তৰোৱাল ৰখাতো ভাল হব।"

শান্তাৰ খুৰাকে ৰজাৰ দৰবাৰত কাম কৰিছিল। তেওঁৰ জৰিয়তে ৰাজপৰিয়ালৰ খবৰ বাতৰি শান্তাহঁতৰ পৰিয়ালে পাইছিল। এইকথা নৰেন্দ্ৰইও জানিছিল। সেয়েহে কোনো সন্দেহ নকৰাকৈ পিছাদিনা নৰেন্দ্ৰ হাবিৰ ফালে ওলাই গৈছিল।

কিছুদূৰ যোৱাৰ পাছতে তেওঁ এগৰাকী তিৰোতাৰ আৰ্তনাদ শুনিবলৈ পালে, "ৰক্ষা কৰা, ৰক্ষা কৰা।" নৰেন্দ্ৰ দৌৰি গৈ তাত উপস্থিত হ'ল। এজন দীঘল গোঁফ থকা লোকে এজনী সুন্দৰী যুৱতীক তৰোৱাল দেখুৱাই ভয় খুৱাই আছিল। নৰেন্দ্ৰই তৎক্ষণাত খাপৰ পৰা তৰোৱাল উলিয়াই মানুহজনৰ ওপৰত জঁপিয়াই পৰিল। দুয়োৰে মাজত কিছুসময় যুদ্ধ চলিছিল। অৱশেষত গুঁফীয়া লোকজনে নৰেন্দ্ৰৰ তৰোৱালৰ সম্মুখত তিষ্ঠিব নোৱাৰি তাৰপৰা পলাই গ'ল।

"বীৰ যুৱক, উচিত সময়তে আহি তুমি মোক ৰক্ষা কৰিলা। মই এই দেশৰ ৰাজকুমাৰী। মোৰ নাম শশীৰেখা।" যুৱতীয়ে নিজৰ পৰিচয় দিলে আৰু সবিশেষ বৰ্ণনা কৰি কলে তেওঁ এই হাবিলৈ কিয় আহিছে।

নিজৰ সবিশেষ কাহিনী কোৱাৰ পাছত ৰাজকুমাৰীয়ে নৰেন্দ্ৰক কলে, "বীৰ যুৱক, সেই দীঘল গোঁফ থকা লোকজন আমাৰ সেনাবাহিনীৰ এজন নিপুণ তৰোৱাল যোদ্ধা। তুমি মোক ৰক্ষা কৰিবলৈ ইমান ডাঙৰ যোদ্ধা এজনক পৰাস্ত কৰিলা। তাৰমানে তৰোৱাল যুদ্ধত তুমি তেওঁতকৈও মহান। তুমি এজন ধুনীয়া, সাহসী আৰু পৰাক্ৰমী যুৱক। কালিলৈ মই তোমাৰ ঘৰলৈ ৰথ পঠাম। তুমি মোক বিবাহ কৰাই ৰজা হবা আৰু শত্ৰুৰ হাতৰ পৰা দেশখন ৰক্ষা কৰিবা।" ৰাজকুমাৰীয়ে কলে।

নৰেন্দ্ৰ মৌন হৈ ৰ'ল। শশীৰেখা দেখাত খুব ধুনীয়া, তাৰোপৰি তেওঁ এই দেশৰ ৰাজকুমাৰী। তেওঁ মনতে ভাবিলে, এয়া মোৰ ভাগ্য নহয় আৰু কি।

নৰেন্দ্ৰই ৰাজকুমাৰীক শান্তা আৰু তেওঁৰ প্ৰেমৰ কথা একো নকলে। তেওঁৰ এই কথা ভাবি মনত আনন্দ লাগিছিল যে মহান হোৱাৰ তেওঁৰ সপোন সম্পূৰ্ণ হোৱাৰ পথত। তেওঁ এই দেশৰ ৰজাও হব পাৰে। অতি আনন্দিত হৈ নৰেন্দ্ৰই ৰাজকুমাৰীক কলে, "তোমাৰ কথা মোৰ বাবে শিলৰ ৰেখা। তুমি যি বিচৰা তাকেই হব।"

নৰেন্দ্ৰ ঘৰলৈ উভতি আহিল। ৰাতি তেওঁ সপোনত দেখিলে তেওঁ ৰজা হৈ ৰাজসিংহাসনত বহি আছে আৰু প্ৰজাবোৰে আহি তেওঁক প্ৰণাম কৰি আছে।

তাৰ পিছদিনা নৰেন্দ্ৰৰ ঘৰৰ সম্মুখত আহি এখন ৰথ ৰখিলে । সেই ৰথৰ পৰা শশীৰেখা আৰু দীঘল গোঁফ থকা লোকজন নামি আহি পোনে পোনে নৰেন্দ্ৰৰ ঘৰলৈ গ'ল । তেওঁলোকক দেখি নৰেন্দ্ৰৰ দেউতাক আচৰিত হৈ গৈছিল । তেতিয়া সেই দীঘল গোঁফ থকা লোকজনে কৈছিল, "আমি তোমালোকৰ ঘৰলৈ নৰেন্দ্ৰৰ বিবাহ সম্পৰ্কে আলোচনা কৰিবলৈ আহিছো ।"

এই কথাত নৰেন্দ্ৰৰ দেউতাক আচৰিত হৈ সুধিলে, "মহাশয়, আপোনালোক কোন মই জানিব পাৰোনে ?"

"মই শান্তাৰ খুৰাক । মোৰ সৈতে তোমাৰ পুত্ৰই নিজৰ প্ৰাণকো তুষ্য কৰি যুদ্ধ কৰিছে । মই ৰাজদৰবাৰত কাম কৰো । প্ৰথমবাৰ মই এই গাঁৱলৈ আহিছো । এই কন্যাৰ নাম শশীৰেখা । মোৰেই কন্যা । শান্তাই কোৱা কাৰণে মোৰ কন্যাই তোমাৰ পুত্ৰক পৰীক্ষা কৰি চাইছে । তোমাৰ পুত্ৰই যে নিজৰ প্ৰতিজ্ঞাৰ কথা পাহৰি গৈছে এই পৰীক্ষাত ধৰা পৰিছে । তথাপিতো শান্তাই নৰেন্দ্ৰৰ লগত বিবাহ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে । মই বিবাহৰ কথা আলোচনা কৰিবলৈ আহিছো । অলপ পিছতে শান্তাৰ মাক দেউতাকো ইয়ালৈ আহিব ।"

দেউতাকৰ ওচৰতে থিয় হৈ নৰেন্দ্ৰই সকলো কথা শুনি আছিল । লাজতে তেওঁ তলমূৰ কৰি আছিল । সেইদিনাই শান্তা আৰু নৰেন্দ্ৰৰ বিবাহৰ দিন থিক কৰা হ'ল ।

নৰেন্দ্ৰই শান্তাক অকলে লগ ধৰি কলে, "তোমাৰ উপদেশৰ সহায়ত মই মহান হব খুজিছিলো, কিন্তু নোৱাৰিলো । আনহতে মোৰ সৈতে বিবাহ হোৱাৰ তোমাৰ যি ইচ্ছা তাত তুমি কৃতকাৰ্য্য হলা ।"

শান্তাই মিচিকিয়া হাঁহি মাৰি কলে, "বহুতো লোকে ভাবে মহানতা ধন, প্ৰেম, শক্তি, পদমৰ্যাদা আদিত হে আছে আৰু তাৰ পৰাই মহানতা লাভ কৰিব পাৰি । কিন্তু মহানতা ত্যাগতহে আছে । ত্যাগ কিমান কষ্টকৰ মই তাকেই তোমাক শিকাব খুজিছিলো । তাৰ কাৰণেই মই এই নাটক কৰিব লগা হ'ল । ভৱিষ্যতলৈ কেতিয়াও মহান হোৱাৰ সপোন নেদেখিবা । সুখেৰে নিজৰ দাম্পত্য জীৱন কটোৱা ।"

ভাবী পত্নীৰ কথা শুনি নৰেন্দ্ৰ অতিকৈ আনন্দিত হ'ল আৰু মহান হোৱাৰ আশা ত্যাগ কৰিলে।

আৰুদ্ৰ বৰ্ষা

মাণিক্যবৰ্মা বঙ্গ ৰাজ্যৰ ৰজা আছিল । তেওঁৰ দৰবাৰত কীৰ্তিসেনা নামৰ এজনী ৰাজনৰ্তকী আছিল । তেওঁ বৰ ধুনীয়া আছিল। তেওঁৰ সৌন্দৰ্য্য অনুসাৰে তেওঁৰ চুলিকোচাও অতি মনোহৰ আছিল । মানুহে কৈছিল চুলি হব লাগে কীৰ্তিসেনাৰ দৰেহে।

কিন্তু হঠাতে তেওঁৰ শৰীৰৰ কিনো পৰিবৰ্তন হ'ল, তেওঁৰ চুলিবোৰ সৰিবলৈ ধৰিলে । তেতিয়া কীৰ্তিসেনাই ভয় খাই ৰাজবৈদ্যৰ দ্বাৰা পৰীক্ষা কৰালে । ৰাজবৈদ্যৰ চিকিৎসাইও কোনো কাম নিদিলে । তেওঁৰ চুলি সৰি গৈয়ে থাকিল ।

তেতিয়া ৰাজবৈদ্যই কলে, "বাচা কীৰ্তিসেনা, যেতিয়া চিকিৎসাই কোনো কাম নিদিয়ে তেতিয়া আমিও ভগবানৰ আশ্ৰয় লওঁ। এই অৱস্থাত একমাত্ৰ ভগবানেহে ইয়াক সুস্থ কৰিব পাৰে । আমাৰ ৰাজ্যতে সুৰপুৰ নামৰ গাঁৱত এটা শিৱ মন্দিৰ আছে । সেই মন্দিৰৰ শিৱলিঙ্গৰ ওপৰত চুলিৰে ভৰা খোপা আছে । এই কাৰণে সকলোৱে এই মন্দিৰ-টোক কৱৰী লিঙ্গেশ্বৰ বুলি কয় আৰু তেওঁৰ পূজা কৰে । সেই কৱৰী লিঙ্গেশ্বৰক পূজা কৰিলে তোমাৰো মনোকামনা পূৰ্ণ হব।"

ৰাজবৈদ্যৰ উপদেশ শুনি ৰাজনৰ্তকীয়ে সেই শিৱলিঙ্গক প্ৰণাম কৰি কলে, "সুৰপুৰত থকা হে কৱৰী লিঙ্গেশ্বৰ, তুমি যদি মোৰ চুলিবোৰ সৰি যোৱাৰ পৰা ৰক্ষা কৰা মই তোমাৰ মন্দিৰলৈ গৈ মন্দিৰ প্ৰাঙ্গনত নৃত্য কৰিম ।"

ৰাজবৈদ্যৰ চিকিৎসাৰ পৰিণাম স্বৰূপেই হওক অথবা কৱৰী লিঙ্গেশ্বৰৰ কৃপাতে হওঁক ৰাজনৰ্তকীৰ বেমাৰ দূৰ হৈ গ'ল আৰু আগৰ নিচিনাই সুন্দৰ চুলি আহিল ।

কীৰ্তিসেনাই কৱৰী লিঙ্গেশ্বৰৰ ওচৰত কৰা মানস পূৰণ কৰিবলৈ তেওঁ মহাৰাজৰ অনুমতি বিচাৰিলে ।

ৰজাই কীৰ্তিসেনাৰ মুখৰ পৰা সকলো কথা শুনাৰ পিছত কলে, "অদ্ভুত ! এনে ভক্ত বৎসল কৱৰী লিঙ্গেশ্বৰৰ দৰ্শন নিশ্চয় কৰা উচিত ।"

-তপস্বী-

তাৰপাছত তেওঁ মন্ত্ৰীক কলে, "কীৰ্তিসেনাৰ নৃত্য প্ৰদৰ্শনৰ ব্যৱস্থা কৰাৰ লগতে মোৰো যাত্ৰাৰ আৱশ্যকীয় ব্যৱস্থা কৰক।"

এতিয়া সুৰপুৰৰ দৃশ্যই বদলি গ'ল। মন্দিৰটো ধুনীয়াকৈ সজোৱা হ'ল। মণ্ডপত ৰাজনৰ্তকীয়ে নৃত্য প্ৰদৰ্শন কৰাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা কৰা হ'ল। সেই মাণিক্য বৰ্মাই মন্দিৰত বিশেষ পূজা আগবঢ়োৱা কাৰণে সাধাৰণ দৰ্শনাৰ্থীবোৰৰ কাৰণে মন্দিৰ দৰ্শন বন্ধ ৰাখিব লগা হ'ল।

তেতিয়া দূৰ ঠাইৰ পৰা অহা সুন্দৰী নামৰ তিৰোতা এজনীয়ে চিঞৰি কবলৈ ধৰিলে, "মহাৰাজ কি আকাশৰ পৰা পৰিল নেকি? তেওঁ মহাৰাজ হ'ল কি হ'ল? কৱৰী লিঙ্গেশ্বৰৰ ওচৰত তেওঁ কোন কূটা? মহাৰাজক আমি নিশ্চয় সন্মান কৰো, সেইবুলি তেওঁ লিঙ্গেশ্বৰৰ সমান হব নোৱাৰে। লিঙ্গেশ্বৰৰ কৱৰীৰ পৰা ওলোৱা গঙ্গাজলেৰে মই প্ৰতি বছৰ গা তিয়াইছো আৰু পুৰুষ হৈছো। আমাৰ বুঢ়া বলধটোৱেও যৌৱন পাইছে। সেই দিন আকৌ উভতি আহিব। আমাৰ বলধবোৰৰ আকৌ যৌৱন আহিব। মই পুৰুষ হব লাগে। এই ৰাজ্যৰ প্ৰজাসকলক আমি খানা খুৱাব লাগিব। স্বামী, মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়ক।"

মহাৰাজে সুন্দৰীয়ে চিঞৰি কোৱা কথা শুনি সুন্দৰীক মন্দিৰৰ ভিতৰলৈ মাতি পঠালে। তেওঁৰ সৈতে তেওঁৰ পতিও ভিতৰলৈ আহিল। তেওঁলোকে লগত অনা মোনাৰ পৰা কপাহ উৰুৱাই দি 'হৰহৰ মহাদেৱ' বুলি কৈ লিঙ্গেশ্বৰক প্ৰণাম কৰিলে। তাৰ পাছত কপাহ জ্বলাই শিৱক সাষ্টাঙ্গে প্ৰণাম কৰিলে। মন্দিৰৰ পূজাৰীয়েও

মাণিক্যবৰ্মাৰ পূজাৰ সৈতে একেলগে সেই দম্পতিৰ পূজাও শিৱক অৰ্পণ কৰিলে।

পূজা শেষ হোৱাৰ পিছত মহাৰাজে সুন্দৰী আৰু তেওঁৰ পতিক মাতি নি সুধিলে, "মহাৰাজ হোৱা হেতুকে মই পৰম্পৰাগত ভাবে চলি অহা পূজা পদ্ধতি ভাঙিব খোজা নাছিলো। মই সেইবোৰ পচন্দ নকৰো। কিন্তু তুমি, মই পুৰুষ হৈ গলো, বলধে যৌৱন পালে আদি কথা উন্মাদিনীৰ দৰে চিঞৰি কৈছিলা। মন্দিৰৰ ভিতৰত দুয়োজনে কপাহো জ্বলালা। এইবোৰ তোমালোকে কিয় কৰিলা। ইয়াৰ ব্যাখ্যা তোমালোকে মহাৰাজক দিবই লাগিব।" তেওঁৰ কথাৰ সুৰত কঠোৰ ভাব প্ৰকাশ পাইছিল।

তেতিয়া সুন্দৰীৰ স্বামীয়ে ৰজাক সবিনয়ে কলে, "মহাৰাজ, মোৰ পত্নী পাগলী নহয়। তেওঁৰ মুখৰ কথাত কোনো পাগলামী নাই।

আমাৰ প্ৰচলিত ৰীতি মতে অশ্বিনীৰ পৰা ৰেৱতীলৈকে সাতাইশটা নক্ষত্ৰ সূৰ্য্যত প্ৰৱেশ কৰালৈকে হবলগা বৰ্ষাপাতৰ আমি হিচাপ কৰো । যি বাৰটা মূখ্য নক্ষত্ৰৰ কাৰণে যি বৰষুণ হব লাগে আৰু যি হব নালাগে সেই বৰষুণৰ আধাৰতে কৃষিৰ লাভ ক্ষতিৰ অনুমান কৰি লোৱা হয় । এইবছৰ খুব ভাল বৰষুণ হৈছে । মৃগশিৰাত যি বৰষুণ হৈছে, তাৰ দ্বাৰ বুঢ়া বলধেও খুব ভালদৰে হাল টানিব পাৰিছে । ৰুদ্ৰৰ জঁটাৰ পৰা বৈ অহা গঙ্গাৰ দৰে, আৰুদ্ৰ নক্ষত্ৰত হোৱা বৰষুণত তিতি মোৰ পত্নীয়েও পুৰুষৰ দৰে খেতি পথাৰত কাম কৰিবলৈ সক্ষম হৈছে । মোৰ পত্নীয়ে যি কথা কৈছে সেয়া আৰুদ্ৰ বৰ্ষা তথা মৃগশিৰা নক্ষত্ৰ সম্বন্ধীয় । মোৰ পত্নীয়ে আপোনাৰ সন্মুখত উন্মাদিনীৰ দৰে ব্যৱহাৰ কৰিছে, সেইবাবে মই আপোনাৰ ওচৰত ক্ষমা বিচাৰিছো ।

মহাৰাজে তেওঁৰ কথা শুনি শান্ত হৈ কলে, "সেইটো বাৰু ঠিক, কিন্তু মন্দিৰৰ ভিতৰত কপাহ জ্বলোৱাৰ উদ্দেশ্য কি ?"

"মহাৰাজ, পুহ মাহত হালবোৱা পথাৰত সন্ধিয়া কপাহ থৈ দিয়া হয় । ৰাতিপুৱা আহি সেই কপাহ চেপি পানী বাহিৰ কৰা হয় । যদি পাণীৰ বিন্দু বেচি ওলাই ইয়াৰ অৰ্থ হ'ল এই বছৰ বৰষুণ বেচি হব আৰু পাণীৰ বিন্দু কম ওলালে ধৰিলোৱা হয় এই বছৰ বৰষুণ কম হব । এই পৰীক্ষা কৰাৰ পিছতো এই বছৰ ভাল বৰষুণ হব নে নহয় তাৰ কাৰণে শিৱৰ ওচৰত আৰতি জ্বলায় । এতিয়া আমিও তাকেই কৰিছিলো ।" সুন্দৰীৰ পতিয়ে ৰজাক কলে ।

তেওঁৰ উত্তৰ শুনি ৰজাই সন্তুষ্ট হৈ কলে, "আৰুদ্ৰ বৰ্ষা সম্পৰ্কে মই বিশেষ নাজানো। কিন্তু ৰুদ্ৰৰ এই মন্দিৰত তোমাৰ পত্নী সুন্দৰীয়ে এজন পুৰুষৰ দৰে মহাৰাজৰ ভুল উলিয়ালে। আৰুদ্ৰ বৰ্ষাত তিতি তিৰোতাইও পুৰুষৰ নিচিনাকৈ পৰিশ্ৰম কৰে । এই বৰ্ষা আমাৰ ৰাজ্যত সদায় হওক আৰু ফলে ফুলে জাতিষ্কাৰ হৈ উঠক ।" ৰাজনৰ্তকী কীৰ্তি-সেনাৰ নৃত্য সমাপ্তিৰ পিছত মহাৰাজে সুন্দৰী আৰু তেওঁৰ স্বামীক সন্মান জনালে । সেই কালৰ বঙ্গ ৰাজ্যত আৰুদ্ৰ বৰ্ষা হোৱাৰ কাৰণে অন্ততঃ এদিন হলেও তিৰোতাবোৰে খেতি পথাৰত কাম কৰিছিল ।

বুৰঞ্জীবিদ

এসময়ত মহেন্দ্রগিৰি নামে ৰাজ্যত পুৰন্দৰ নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁ অকল ৰাজকাৰ্য্য চলোৱাতে নিপুণ নাছিল, সেই দেশৰ কলা শিল্পীসকলকো আদৰ-সন্মান কৰিছিল। সেয়েহে তেওঁ সুযোগ পালেই বিভিন্ন প্ৰকাৰৰ কলাবিশাৰদ সকলক পুৰস্কৃত কৰিছিল।

এদিন ৰজা পুৰন্দৰৰ দৰবাৰলৈ এজন বিদেশী আহিছিল। তেওঁৰ নাম আছিল শ্ৰীকন্ঠ। তেওঁ আছিল বুৰঞ্জীবিদ। তেওঁ বহুতো দেশলৈ গৈ এবছৰকৈ তাত থাকি সেই দেশৰ ভাষা শিকি সেই দেশৰ সম্পূৰ্ণ ইতিহাস ৰচনা কৰিছে। এইদৰে শ্ৰীকন্ঠ চৌদ্ধটা ভাষাত পাণ্ডিত্য অৰ্জন কৰি চৌদ্ধখন দেশৰ ইতিহাস ৰচনা কৰিছে। ইয়াৰ পিছতে তেওঁ মহেন্দ্ৰগিৰিলৈ আহিছে।

এনে বিদ্যান ব্যক্তি নিজৰ ৰাজ্যলৈ অহা কাৰণে ৰজা বৰ আনন্দিত হ'ল। তেওঁ শ্ৰীকন্ঠক কলে, "আপুনি মোৰ দেশতো এবছৰ থাকক আৰু এইদেশৰ ইতিহাস লিখক। ইয়াৰ বাবে আৱশ্যকীয় সকলো ব্যৱস্থাই মই কৰি দিম।"

"অতি উত্তম কথা মহাৰাজ! কিন্তু মোক আপুনি আপোনাৰ এজন অন্তৰঙ্গ বন্ধু কৰি লৈ আপোনাৰ লগতে থাকিবলৈ দিয়ক। ইয়াৰ দ্বাৰা মোৰ কাম কৰাত অতি সহজ হব।" শ্ৰীকন্ঠই কলে।

ৰজাই শ্ৰীকন্ঠৰ অনুৰোধ মানি ললে। শ্ৰীকন্ঠই ৰজাৰ অন্তৰঙ্গ বন্ধুৰ পদ পাই প্ৰায় সময়তে ৰজাৰ সৈতে ঘূৰা ফুৰা কৰি, চিকাৰলৈ গৈ আৰু যুদ্ধৰ সময়তো তেওঁৰ লগত থাকি সময় কটাইছিল। এইদৰে ৰজাৰ শাসন কাৰ্য্যও তেওঁ অতি সুক্ষ্মভাবে নিৰিক্ষণ কৰিছিল। ইয়াৰ পিছত নগৰত ঘূৰি ফুৰি তেওঁ সকলো ধৰণৰ লোকৰ সৈতে আলাপ-আলোচনা কৰিছিল। নগৰৰ সকলো লোকেই জানিব পাৰিলে যে শ্ৰীকন্ঠ ৰজাৰ এজন অন্তৰঙ্গ বন্ধু। সেয়েহে সকলো মানুহে তেওঁক বিশেষ সন্মান কৰিবলৈ ধৰিলে।

নগৰৰ ধনী ব্যৱসায়ী সকলেও বিশেষ ভোজৰ আয়োজন কৰি তেওঁক নিমন্ত্ৰণ কৰিবলৈ ধৰিলে। তেওঁলোকে ভাবিছিল

ইন্দ্ৰনাথ কেঁডিয়া

শ্ৰীকণ্ঠৰ দ্বাৰাই তেওঁলোকে ৰজাৰ পৰা সুবিধা লাভ কৰিব পাৰিব ।

শ্ৰীকণ্ঠই মহেন্দ্ৰগিৰিলৈ অহাৰ প্ৰায় এবছৰ পূৰ্ণ হবৰ সময় হ'ল । মহেন্দ্ৰগিৰিৰ ইতিহাস লিখা কাৰ্য্যৰো সমাপ্তিৰ ফালেই আহিছে । এদিন ৰজাই সেই অসমাপ্ত ইতিহাসখন শ্ৰীকণ্ঠৰ পৰা আনি পঢ়িলে । তাত মহেন্দ্ৰগিৰিৰ সমাজ সংস্কৃতি, প্ৰজাৰ ভালৰ কাৰণে ৰজাই কৰা কাৰ্য্য, ৰজা আৰু সভাসদসকলৰ মাজৰ পৰম্পৰ সম্পৰ্ক আৰু শাসন প্ৰণালী সম্পৰ্কীয় কথা সুন্দৰ ভাবে বৰ্ণনা কৰা আছিল ।

কিন্তু এঠাইত লিখা আছিল -"এই দেশৰ প্ৰজাসকল সহজ সৰল । ৰজাতো ধৰ্মাত্মাই। ৰাজ কৰ্মচাৰী সকলৰ ৰাজভক্তি অতি আদৰণীয় । কিন্তু এই দেশৰ ধনী ব্যৱসায়ী সকলে অন্যায়ভাবে ধন অৰ্জন কৰি এক অনাচাৰী জীৱন কটাই আছে ।"

ৰজাই এই অন্তিম শব্দটো পছন্দ হোৱা নাছিল । তেওঁ শ্ৰীকণ্ঠক মাতি আনি কলে - "পণ্ডিত মহাশয়, আপোনাৰ গ্ৰন্থখন অতি সুন্দৰ হৈছে । ইয়াত ভুল ধৰাৰ কোনো ঠাই নাই । কিন্তু এই দেশৰ ব্যৱসায়ী তথা ধনী ব্যক্তিসকলৰ বিষয়ে যি লিখিছে সেয়া সম্পূৰ্ণ অসত্য বুলি মই ভাবো ।"

"মহাৰাজ, মোৰ লিখনিত যদি কিবা ভুল আছে মোক ক্ষমা কৰিব । এই গ্ৰন্থখন সম্পূৰ্ণ কৰাৰ আগতে মই সেই ভুলবোৰ সুধৰাই দিম।" শ্ৰীকণ্ঠই ৰজাক কলে ।

এই কথা শুনি ৰজাই সন্তোষ প্ৰকাশ কৰিলে । পিছদিনা শ্ৰীকণ্ঠই নগৰৰ ডাঙৰ-ডাঙৰ ব্যৱসায়ী তথা ধনীলোকসকলৰ ওচৰলৈ গৈ কলে- "ৰজাই ৰাজচক্ৰৱৰ্ত্তী ৰজাৰ তালৈকে উপহাৰ পঠাব খুজিছে । সেয়েহে আপোনালোকৰ ওচৰত যি উত্তম বিধৰ হীৰা আছে তাৰে এখন সূচী তৈয়াৰ কৰি দিয়ক ।" এইদৰে শ্ৰীকণ্ঠই কিছুমান ব্যৱসায়ীৰ পৰা সোণো ললে । শ্ৰীকণ্ঠ, ৰজাৰ এজন অন্তৰঙ্গ বন্ধু আছিল, সেয়েহে সকলোৱে নিঃসংকোচে তেওঁৰ হাতত অতি মূল্যবান উপহাৰ দিছিল । শ্ৰীকণ্ঠই কোন লোকৰ পৰা কি লৈছে সেই বস্তুবোৰৰ তালিকা এখন প্ৰস্তুত কৰি তাত ব্যৱসায়ী সকলৰ চহীও লৈছিল ।

পিছদিনা নগৰত এই কথা প্ৰচাৰ হৈ গ'ল যে যোৱা ৰাতি শ্ৰীকণ্ঠই নগৰ এৰি গুছিলৈছে। তাৰপাছত নগৰৰ সকলো ধনী ব্যৱসায়ীয়ে আহি ৰজাৰ ওচৰ পালে । যিসকল লোকে আগদিনাখন শ্ৰীকণ্ঠৰ হাতত সোণ আৰু হীৰা দিছিল তেওঁলোকে এখন তালিকা লৈ গৈ ৰজাক কলে, "মহাৰাজ, আমাক ৰক্ষা কৰক। আপোনাৰ বন্ধুয়ে আপোনাৰ নাম কৈ

আমাৰ বহুতো ধন সোণ লৈ গৈছে। আপুনিতো ধৰ্মাত্মা। আমাৰ যি লোকচান হ'ল তাৰে ক্ষতি পূৰণ দিয়ক।"

ৰজাই ভাবিলে তেওতো শ্ৰীকন্ঠক ধনী আৰু ব্যৱসায়ী সকলৰ পৰা হীৰা আৰু সোণ আনিবলৈ আদেশ দিয়া নাছিল। শ্ৰীকন্ঠই নিজেই তেওঁলোকৰ পৰা বস্তুবোৰ লৈ পলাই গৈছে কিজানি। ইয়াকে ভাবি ৰজাই খাজাঞ্চিক মাতি আনি কাৰ কিমান লোকচান হৈছে তাৰে এখন তালিকা প্ৰস্তুত কৰিবলৈ আদেশ দিলে।

খাজাঞ্চিয়ে সকলোৰে পৰা তালিকা লৈ হিচাব কৰি দেখিলে তালিকা মতে যিমান ধন হৈছে, সিমান ধন ধনভঁৰালতে নাই। এই কথা শুনি ৰজা খুব চিন্তিত হৈ পৰিল।

এনেতে শ্ৰীকন্ঠই এখন বৰ ডাঙৰ মোনাত এমোনা বস্তু লৈ আহি ৰজাৰ সন্মুখত ৰাখিলে, লগতে এখন তালিকা ৰজাৰ হাতত দি কলে -"মহাৰাজ, মই যাৰ পৰা যিমান ধন সোণ আনিছো তাৰে এখন তালিকা তৈয়াৰ কৰি লৈ আহিছো। আপুনি অনুগ্ৰহ কৰি তালিকামতে তেওঁলোকৰ বস্তুবোৰ ঘূৰাই দিয়ক।"

শ্ৰীকন্ঠক দেখিয়েই অভিযোগকাৰী সকলৰ মুখ শুকাই গ'ল। ৰজাই কোনো কথা কোৱাৰ আগতে তেওঁলোকে ৰজাৰ ভৰিত পাৰি কলে, "মহাৰাজ, আমি আপোনাৰ হাতত যিখন তালিকা দিছিলো সেইখন সঁচা নাছিল। আমাক ক্ষমা কৰক। আমি যেতিয়া শুনিবলৈ পালো যে শ্ৰীকন্ঠ পলাই গৈছে তেতিয়া আমি লোভতে ধন সোণৰ পৰিমাণ বেচি বেচিকৈ ধৰি খাজাঞ্চিৰ হাতত তালিকা দিছিলো।"

ৰজাই তেওঁলোকৰ বস্তুবোৰ ঘূৰাই দিবলৈ অস্বীকাৰ কৰি তেওঁলোকক খালী হাতে ওভতাই পঠালে। শ্ৰীকন্ঠৰ হাতৰ পৰা ৰজাই যিখন ধনৰ মোনা পাইছিল তাৰ ধনবোৰ ৰাজভঁৰালত ৰাখিবলৈ খাজাঞ্চিক আদেশ দিলে।

ইয়াৰ পাছত ৰজাই শ্ৰীকন্ঠক কলে, "বুৰঞ্জীবিদ, আপোনাৰ গ্ৰন্থত মিছা কথা যে নাই তাকে প্ৰমাণ কৰিবলৈ আপুনি বহুত কষ্ট কৰিব লগা হ'ল।"

"ডাঙৰ মানুহৰ বিষয়ে আচল কথা লিখিবলৈ হলে এনে অসুবিধা ভোগ কৰিব লগা হয়েই; ইয়ো এক কলা।" শ্ৰীকন্ঠই ৰজাক কলে।

ইয়াৰ পাছত শ্ৰীকন্ঠই ৰজাৰ পৰা পুৰস্কাৰ লৈ অন্য দেশলৈ গ'ল।

বাকাত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

জানুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজয়ী
অমিত কলিতা
মাৰফৎ - পি.চি.কলিতা
অময়াপুৰ, নলবাৰী
(অসম)

বিজয়ী বাক্য

ভাইটি হব খোজে কেমেৰামেন ।
ভন্টিয়ে বিচাৰিছে শান্তি আৰু প্ৰেম ।

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

বছৰেকীয়া বৰঙণি

Payment in favour of CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited. No. 82. Defence Officers Colony. Ekkatuthangal. Chennai - 600 097. Editor : Viswam


WHO SAYS SUMMER IS ALL SWEAT AND GRIME?
Why should tempers rise along with temperatures?
SHRUG OFF THE BLAZING SUN!
Forget the parched throats!
CHANDAMAMA
Tushar and Trisha had a great holiday last summer. You might have read of it in Chandamama last May.
This May, they learn how to enjoy the Indian summer - the Indian way. Join them in their exciting adventures.
READ CHANDAMAMA'S SUMMER SPECIAL ISSUE, IN MAY 2002.
Chandamama's English edition from May, comes to you in a new format. More features, more fun.
Book your copies now!

CHANDAMAMA (Assamese) MARCH 2002 Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001